DEBATES OF THE

# ASSAM LEGISLATIVE ASSEMBLY, 1973

( FIFTH SESSION )

VOLUME—V

No.—24

Dated the 12th July, 1973

## CONTENTS


| | | Pages |
|---|---|---|
| 1. | Questions .... .... ... .... ... | 1 |
| 2. | Short Notice Question ... ... | 27 |
| 3. | Calling Attention Notice under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly .... | 36 |
| 4. | Statement made by the Chief Minister regarding Supply of furniture to the temporary Assembly Hostel .... .... | 39 |
| 5. | Report of the Rules Committee of the Assam Legislative Assembly ... ... | 49 |
| 6. | Special Motion under Rule 130 A on the first Report of the Pay Commission ... | 58 |
| 7 | Half-an-hour discussion on matters arising out of answers to question .... .... | 103 |
| 8. | Statement by the Chief Minister .... | 110 |

REFERENCE
NOT FOR I...
A. L. A. LIBRARY

# PROCEEDINGS OF THE FIFTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTION UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

The Assembly met in the Assembly Chamber, Dispur, Gauhati at 10 A. M. on Thursday, the 12th July 1973.

Shri R. C. Barooah, B. L. Speaker in the Chair, 12 (twelve) Ministers, 2 (two) Ministers of State and 74 (seventyfour) Members.

## STARRED

## QUESTIONS AND ANSWERS

---

( Date : 12th July, 1973 )

### Re: Service Rules

Shri Pitsing Konwar asked: *509. Will the Chief Minister be pleased to state—

(a) Whether there is any service rules for the officers of the Assam Taxation Department ?

(b) If the reply to (a) is in the affirmative the year from which the rules were given effect to ?

(c) Whether it is a fact that the service book and character rolls of Shri Budhiman Bardalai along with others were called for by the Commissioner of Taxes vide his office Memo. No. C. T. No. EST. 40/65/2967-36, dated 20th may, 1967 for Departmental promotion to the post of Inspector of Taxes from Ministerial staff ?

(d) Whether any office assistant has been promoted to the post of Inspector of Taxes after 1967 ?

(e) If the reply to (d) is in the affirmative whether any plains tribal employee serving in the Taxation Department has been promoted to the post of Inspector of Taxes from the Ministerial staff ?

(f) If the reply to (e) is in the negative the reasons therefor ?

Shri Sarat Chandra Sinha (Chief Minister) replied :

509. (a) —Yes.

(b)— The Assam Taxation Service Rules were given effect to from 26th February, 1962.

(c)— Yes.

(d)— Yes.

(e)— No.

(f)— There is no provision in the Assam Taxation Service Rules, 1962 for reservation of post on promotion for plains tribals or any other community.

Starred question No. 508 was not put as the hon. member was absent.

Shri Pitsing Konwar: Is it a fact that some charges have been made in the Assam Taxation Service Rules to give promotion to somebody ?

Shri Sarat Chandra Sinha (Chief Minister): Some changes might have been made and it must be in the

interest of public service.

Shri Pitsing Konwar: Is it a fact that there is Cabinet decision to give promotion to graduate tribal assistants? If so, why they have been deprived?

Shri Sarat Chandra Sinha (Chief Minister): For promotion there is no special rules for tribals or anyother community. There are general rules applicable to all of them.

Shri Dulal Chandra Barua: Whether any special quota is fixed for promotion of Ministerial Officers? If so, what is the quota?

Shri Sarat Chandra Sinha (Chief Minister): That is not with me now.

Shri Dulal Chandra Barua: Whether Ministerial Officers are given promotion to such posts in other Deptts. of the Govt.?

Shri Sarat Chandra Sinha (Chief Minister): I am not in the know of the thing.

Shri Dulal Chandra Barua: Is it a fact that to be promoted to such posts a candidate must be a graduate? If so, whether such rules were violated by the Govt.?

Shri Sarat Chandra Sinha (Chief Minister): If there is any violation of rules, I shall have to look into it.

Shrimati Renukadevi Borkotoki: If there are general rules whether Govt. have deviated from that?

Shri Sarat Chandra Sinha (Chief Minister): I do not think there is any deviation.

Re: Officers of Co-operation Department

Shri Santosh Kumar Roy asked:

*510. Will the Minister Co-operation be pleased to state—

(a) The number of officers Gazetted and non-Gazetted

in the Co-operation Department trained in different recognised co-operative training centres and their respective ratio in relation to the total strength of each cadre ?

(b) Whether Government is considering the necessity of establishing a higher co-operative training centre in the State or upgrading the existing training centre at Joysagar ?

(c) What arrangement Government is making to ensure imparting requisite training to all-cooperative officers and office bearers of leading co-operative societies in the state ?

Shri Gajen Tanti (Minister, Co-operation) replied :

510. (a)— Number of Officers trained—

(i) Gazetted .... 76

(ii) Non-gazetted .... 680

Cadre wise ratio of trained Officers :—

Gazetted

| | | |
|---|---|---|
| I. | Joint Registrar | 6:4 |
| II. | Deputy Registrar | 10:10 |
| III. | Assistant Registrar | 44:41 |
| IV. | Sub-Registrar | 18:18 |
| V. | Ex-cadre posts | 4:3 |

Out of these six Joint Registrar of Co-operative societies post one post of Joint Registrar of Co-operative Societies is administrative by nature and is filled up by senior scale officer of the Assam Civil Service. No. specified training is thought necessary for this post.

Non-gazetted

| | | |
|---|---|---|
| I. | Senior Inspector | 346:302 |
| II. | Junior Inspector | 403:378 |

(b)— The State Government have moved Government of India for establishing a co-operative training College in the state.

(c)—Government is providing necessary funds to the State Co-operative Union for implementation of co-operative Training and Education programme through the Junior co-operative training centre at Joysagar as well as District peripetatic training units. For higher training Departmental Officers and employees of co-operative societies are deputed to various training centre outside the State.

Shri Santosh Kumar Roy: Whether there is a training centre at Arunachal in the District of Cachar? If so, whether training is given there and what is the total number of assistants trained there?

Shri Gajen Tanti (Minister): District wise figures are not with me.

Shri Kabir Roy Pradhani: Considering the necessity of training whether the Govt. Will open such centres in other districts also?

Shri Gajen Tanti (Minister): It seems most of the Officers are trained from the Govt. side and there is a proposal to establish a co-operative college in Assam.

Shrimati Renukadevi Borkotoki: What is the intake capacity of the Joysagar training school and whether the intake capacity is fully utilised?

Shri Gajen Tanti (Minister): Sir, that figure is not with me now.

Shrimati Renukadevi Borkotoki: Sir, this institution is financed by the Govt. and it is surprising that the Minister cannot give the intake capacity of the institution. There are some allegations against this institution and the trainees do not like to attend the Training Course at Joysagar.

Shri Gajen Tanti (Minister): We have not received

any such allegation.

Shri Jalaluddin Ahmed : What is the total co-operative training centres in the State of Assam? Where are these located?

Shri Gajen Tanti: (Minister) I have already replied to this Sir, that it is situated at Joysagar.

Shri Kabir Roy Pradhani : About 35 trainees were selected by the Societies, but all of them were sent back by the Principal Joysagar, Training Institute. What will be their fate?

Shri Gajen Tanti (Minister) : Only day before yesterday the hon. member raised this point I am investigating it.

Shri Dulal Chandra Barua— May I know from the Hon. Minister for Co-operation whether Government consider it necessary that more intensive training not only to selected officers but to all officers of the Department in general is necessary for successful implementation of the Co-operative Movement, and if so, what steps Government have taken for implementation of such a scheme?

Shri Gajen Tanti (Minister, Co-operation)— Yes, for that purpose Government is undertaking a scheme for training up of all Secretaries and we are going to implement the scheme in a few months time.

Shri Dulal Chandra Barua : The question is whether Government for intensive training of all officers of the Co-operative Department propose to open more training institutions with a view to give greater impetus to the Co-operative Movement?

Shri Gajen Tanti ( Minister, Co-operation ) : Sir, the programme that we are undertaking to train up more than 1,000 Secretaries is itself a very intensive one.

Shri Giasuddin Ahmed :- What is the requisite quali-

fication of the teachers in the Co-operative Training Centre ?

Shri Gajen Tanti (Minister, Co-operation) :— Generally, Sir, in the Co-operative Training Centre all teachers are graduates.

Starred Question No. 511 was not put and answered as the hon. questions was absent.

বিঃ বন্যপ্ৰাণী সংৰক্ষণ আৰু উন্নয়ন

শ্ৰীমতী প্ৰণীতা তালুকদাৰে সুধিছে ঃ

*৫১২। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত বন্যপ্ৰাণী সংৰক্ষণ আৰু বন্যপ্ৰাণী উন্নয়নৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(খ) সেই ব্যৱস্থাৰ দ্বাৰা চৰকাৰে সুফল লাভ কৰিছে নে নাই ?

শ্ৰীপৰমানন্দ গগৈ ( বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৫১২। (ক) অসমত বন্যপ্ৰাণী সংৰক্ষণ আৰু উন্নয়নৰ বাবে সংৰক্ষিত বনাঞ্চল আৰু অভয়াৰণ্য বিলাকত লোৱা ব্যৱস্থা সমূহৰ বিৱৰণ তলত উল্লেখ কৰা হ'ল।

(১) ইয়াৰ কাৰণে আৱশ্যকীয় আইন কানুন বলৱত কৰা হৈছে। আৰু আইন বিহিত ব্যৱস্থাৰ কাৰণে ৰিজ্ঞপ্তি দিয়া হৈছে।

(২) ইয়াৰ বাবে দুটা বন্যপ্ৰাণী সংমণ্ডল গঠিত কৰা হৈছে। ইয়াৰে এটা উজনি অসমৰ বোকাখাটত আৰু আনটো নামনি অসমৰ বড়িয়াত। ইয়াৰ উপৰিও আনবিলাক বনসংমণ্ডসৰ অধীনত থকা অভয়াৰণ্য বিলাকৰ কাৰণে অতিৰিক্ত কৰ্ম্মচাৰী নিয়োগ কৰি বন্যপ্ৰাণী ৰক্ষাৰ ব্যৱস্থা কৰা হৈছে।

(৩) তাৰ বাহিৰেও ছটা হিলৈধাৰী বাহিনী বনবিভাগৰ অধীনত আছে সেই বাহিনীৰ কৰ্ম্মচাৰী সকলে হাবিয়ে বননীয়ে ঘূৰি বন সংৰক্ষণ আৰু ৰন্যপ্ৰাণী সংৰক্ষণ কৰাত সদায় সচেষ্ট আছে।

(খ)—যথেষ্ট পৰিমাণে সুফল লাভ কৰিছে।

শ্ৰীমতী প্ৰণীতা তালুকদাৰ :- চৰকাৰে বন্যপ্ৰাণী সংৰক্ষণ আৰু উন্নয়নৰ কাৰণে যি বিলাক ব্যৱস্থা গ্ৰহণ কৰিছে এই ব্যৱস্থা বিলাক কৰোতে

বছৰি চৰকাৰৰ কিমান টকা খৰচ পৰিছে ?

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) :— মই দুখিত যে এই হিচাব মোৰ হাতত নাই ।

শ্ৰীবিজয় চন্দ্ৰ শৰ্ম্মা ঃ — মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই এই কথা জানিব বিচাৰিছো যে বানপানীৰ সময়ত কাজিৰঙা অভয়াৰণ্যৰ পৰা গড়, বাঘ আদি উতি গৈ নগাওঁৰ লাওখোৱা ৰিজাৰ্ভ আৰু দৰং জিলাৰ বুঢ়াচাপৰি এলেকাত আশ্ৰয় লয়গৈ। আৰু তেতিয়া চিকাৰী বিলাকে এই জন্তু বিলাক বধ কৰে। গতিকে অভয়াৰণ্যৰ এনেবোৰ জন্তুবিলাক সংৰক্ষণৰ বাবে চৰকাৰে কি ব্যৱস্থা কৰিছে ?

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) :— বানপানীৰ সময়তেই কেৱল নহয়, সংৰক্ষিত অঞ্চলত যেতিয়া জীৱ জন্তু বেচি হৈ যায় তেতিয়া এই বিলাকে এঠাইৰ পৰা আন ঠাইলৈ যায়। আৰু সেইদৰেই বন্যপ্ৰাণী বিলাকে এটা অঞ্চলৰ পৰা আন এটা অঞ্চললৈ বিচৰণ কৰে। আৰু তেনেদৰে যি বিলাক অঞ্চলতে বন্যপ্ৰাণী বেচি হৈছে সেই অঞ্চলকে অভয়াৰণ্য কৰা হৈছে। এই অঞ্চলত চিকাৰী বিলাকে বন্যপ্ৰাণী মাজে সময়ে নিধন কৰা সত্য। এই বিলাক ৰক্ষণাবেক্ষণ দিয়াৰ কাৰণে হিলৈধাৰী বাহিনী নিয়োগ কৰা হৈছে ।

Dr. Rabin Goswami :- May I know from the Hon. Minister whether it is a fact that through the initiative of Dr. Rabin Banarjee, the Honourary Forest Officer & an internationally famous naturalist, some foreign Wild-Life Society offered some help for conservation and protection of rhinos in Kaziranga Wild-Life Sanctuary, and if so, in what shape that help was offered and whether that help was utilised or not ?

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) : — এই বিষয়ে মই শুনিছো। আৰু ভাৰতবৰ্ষৰ বাহিৰৰ বন্যপ্ৰাণী প্ৰেমী সকলে সাহায্য আগবঢ়োৱাৰ কথা জানো। তেওঁ বিলাকৰ নাম মোৰ মনত নাই। আৰু তেখেত সকলে আগবঢ়োৱা সাহাৰ্য্য কোনো কোনো ক্ষেত্ৰত গ্ৰহণ কৰা হৈছে।

শ্ৰীসোনেশ্বৰ বৰা ঃ— বন্যপ্ৰাণী সংৰক্ষণৰ কাৰণে যি বিলাক আচনি লোৱা হৈছে আৰু এই আচনি বিলাক কাৰ্য্যকৰী কৰিবৰ কাৰণে যি

বিলাক কৰ্ম্মচাৰী নিয়োগ কৰা হৈছে সেইসকলৰ ভিতৰত মাংস ভোজী লোক কিমান আছে? আৰু তেওঁলোকে বন্যপ্ৰাণীৰ মাংস ভোজন বা ভক্ষণ কৰেনে নকৰে?

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) :— এইটোৰ উত্তৰ দিব নোৱাৰো। কিন্তু তেখেত সকলে যে মাংস নাখায় সেই কথাও কব নোৱাৰো।

শ্ৰীমতী প্ৰনীতা তালুকদাৰ :— মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে বন্য-প্ৰানী সংৰক্ষণৰ কাৰণে অতিৰিক্ত কৰ্মচাৰী নিয়োগ কৰা হৈছে। কিন্তু মই জানিব খুজিছো মোৰ সমষ্টিৰ মানাস অভয়াৰণ্যৰ পৰা হাতী বিলাক বাহিৰলৈ ওলাই গৈ ওচৰ-পাজৰৰ গাওঁ বিলাকত ৰাইজক দিকদাৰি দি আহিছে। এই সম্পৰ্কত তেখেত সকলে কি ব্যৱস্থা কৰিছে?

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) :— এই প্ৰশ্নটো বন্যপ্ৰাণী উন্নয়নৰ সম্পৰ্কেহে আছিল। বন্যপ্ৰাণী এঠাইৰ পৰা আনঠাইলৈ যোৱাটো স্বভাবগত। এই দৰে বাহিৰলৈ ওলাই যোৱাটোৰ সময়মতে খবৰ দিলে ঘূৰাই অনাৰ ব্যৱস্থা আছে।

শ্ৰীপ্ৰেম বৰা :— এতিয়া কিমান বন্য পশু পক্ষী আছে তাৰ হিচাব বন বিভাগে লৈছেনে?

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) :— মাজে সময়ে এই বিলাকৰ হিচাব লোৱা হয়।

শ্ৰীকেহুৰাম হাজৰীকা :— বন্যপ্ৰাণী বিলাকে সংৰক্ষিত অঞ্চলৰ পৰা ওলাই আহি মানুহৰ অনিষ্ট কৰে। যেনে গড়ে মানুহ মাৰে হাতীয়ে শস্য খায়। এনেকৈ যোৱা ৰবি শস্যৰ দিনটো এইদৰে মানুহৰ বহুত শস্য খাই নষ্ট কৰিছে। আৰু খবৰ দিলেও এই বিলাক ঘূৰাই নিয়াৰ ব্যৱস্থা কৰা নহয়। এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা কৰিছে?

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) :- প্ৰশ্নটো আছিল বন্য প্ৰাণীৰ সংৰক্ষণ আৰু উন্নয়নৰ বাবে। তথাপি মাননীয় সদস্যাই সুধিছে যেতিয়া কওঁ যে এঠাইৰ পৰা আন ঠাইলৈ যোৱাটো বন্য প্ৰাণীৰ স্বভাবগত। আৰু সেইদৰে যায়। কিন্তু খবৰ দিলে পুনৰ সংৰক্ষিত অঞ্চললৈ ঘূৰাই অনা হয়। এই কাম চৰকাৰী কৰ্মচাৰী বিলাকে কৰে। এই বন্য প্ৰাণী বিলাকে ওচৰ পাজৰৰ ঠাইলৈ আহি ৰাইজৰ ক্ষতি সাধন কৰাটোও সত্য।

শ্ৰীবীৰেন ৰাম ফুকন :- অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এইটো কথা জানে যে মানস অভয়াৰণ্যত মাজে মাজে কিছুমান হত্যাকাণ্ড চলি আছে ? -সেইবোৰ বন্ধ কৰিবৰ কাৰণে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ? যদি লোৱা নাই তেন্তে তেনে কোনো ব্যৱস্থা লবলৈ চৰকাৰে চিন্তা কৰিছে নে ? আৰু এইটো কথা সত্য নেকি যে তাত যিবিলাক হিলৈদাৰী আছে সেইবোৰ বেছি সময়তে বেয়া হৈ থাকে ? আৰু তৃতীয় প্ৰশ্ন হৈছে যে কলা বজাৰত পহুৰ মাংস আনি বিক্ৰী কৰা হয়, সেই কথা মন্ত্ৰী মহোদয়ে জানে নে ? যদি জানে তাক বন্ধ কৰাৰ কিবা ব্যৱস্থা চৰকাৰে লৈছে নে ?

শ্ৰীপৰমানন্দ গগৈ (বন বিভাগৰ মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, অভিযোগ পোৱা যায় যে মানস অভয়াৰণ্যত হৰিণা চিকাৰ আদি কৰে আৰু সেই সম্পৰ্কে তেনে ধৰণৰ অন্যায় চিকাৰীক তেওঁলোকৰ অপৰাধৰ বাবে শাস্তি দিয়াৰ ব্যৱস্থাও কৰা হৈছে, অন্ততঃ এনেধৰণৰ চাৰি পাঁচটা কেচৰ অপ-ৰাধীক শাস্তি বিহা হৈছে। ইয়াৰ পৰাই প্ৰমাণ হয় যে বণ্যপ্ৰাণী সংৰক্ষণৰ কাৰণে আৰু হৰিণা চিকাৰ বন্ধ কৰিবৰ কাৰণে চেষ্টা কৰা হৈছে। দ্বিতীয়তে হিলৈ বাহিনীৰ হিলৈ যে সততে বেয়া হয় সেই কথা মই নাজানো, অনুসন্ধান কৰি চাম। তৃতীয়তে, হৰিণাৰ মাংসৰ ক্ষেত্ৰত কওঁ যে মুকলি বজাৰৰ হৰিণা যে অকল মানস অভয়াৰণ্যৰ পৰাই অনা হয় সেইটো প্ৰমাণ কৰিব পৰা নহয় আন ঠাইৰ পৰাও আনিব পাৰে তাতে হৰিণা চিকাৰ কৰাৰ নিৰ্দিষ্ট সময় বান্ধি দিয়া আছে, সেই সময়ৰ ভিতৰত কোনোৱে চিকাৰ কৰিলে তেওঁক অপৰাধী বুলি গণ্য কৰা হয়।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :- অধ্যক্ষ মহোদয়, এই কথাটো মন্ত্ৰী মহোদয়ে নিশ্চয় জানে যে বন্যপ্ৰাণী ৰক্ষণা-বেক্ষণৰ ক্ষেত্ৰত পৰামৰ্শ দিবৰ কাৰণে এখন পৰামৰ্শ কমিটি আছে, এই কমিটি খনে মাজে মাজে বহুতো পৰামৰ্শ ইতিমধ্যে আগবঢ়াইছে। মই মন্ত্ৰী মহোদয়ৰ পৰা এই কথা জানিব পাৰোনে যে এই পৰামৰ্শ বিলাক ইতিমধ্যে কাৰ্য্যকৰী কৰা হল নে ? —যদি নাই হোৱা কিয় হোৱা নাই ? লগতে এইটো কথা মই সুধিব খুজিছো যে এই কমিটিখন অন্ততঃ বছৰত তিনিবাৰকৈ বহিব লাগে, কিন্তু সেই কমিটিখনৰ মন্ত্ৰী মহোদয়ৰ নিজৰ সভাপতি হোৱা সত্ত্বেও কিয় বহা নাই ? —আৰু

আগতে বহা কমিটি বিলাকৰ প্ৰচিদিংচ সদস্য সকললৈ কিয় প্ৰেৰণ কৰা নাই ?

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, ১৯৭২ চনত শ্বিলঙত এই পৰামৰ্শদাতা কমিটিখন বহিছিল আৰু তাত মাননীয় সদস্য বৰুৱা ডাঙৰীয়াও উপস্থিত আছিল। সেই বৈঠকত বিশেষ বিষয় এটাৰ আলোচনা হৈছিল। সেই আলোচনাত টাইগাৰ প্ৰজেক্ট ভাৰত চৰকাৰৰ নিৰ্দেশমতে কেনেকৈ কাৰ্য্যকৰী কৰা হব সেই বিষয়েও আলোচনা কৰা হৈছিল আৰু এই বিষয়টো কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা লোৱা হৈছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— কমিটিখন কিয় বহুৱা নাই ?

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) :- সেই কমিটিখন যোৱা নবেম্বৰ-ডিচেম্বৰ মাহত বহাৰ কথা আছিল। আগৰ অধিবেশনতে এইটো কথা থিৰাং কৰা হৈছিল যে তাৰ পিচত যিখন বৈঠক বহিব সেইখন মানস অভয়াৰণ্যৰ আসে-পাসে বহুৱাৰ ব্যৱস্থা কৰা হব। কিন্তু বিশেষ কাৰণত সেই অধিবেশন সেই সময়ৰ পৰিপ্ৰেক্ষিতত বহুৱাৰ পৰা নহল আৰু এতিয়া বাৰিষা আহি পৰিল, গতিকে অহা ডিচেম্বৰ মাহ মানত সেই বৈঠক বহুৱাৰ কথা ভবা হৈ'ছে।

শ্ৰীবিজয় কৃষ্ণ সন্দিকৈ :- অধ্যক্ষ মহোদয়, কাজিৰঙাৰ জন্তুবিলাক বান-পানীৰ সময়ত যাতে তাৰ ভিতৰতে থাকিব পাৰে তাৰ বাবে আৰ্টিফিচি-য়েল আইলেণ্ডৰ কিবা ব্যৱস্থা চৰকাৰে লৈছে নেকি ?

শ্ৰীপৰমানন্দ গগৈ মন্ত্ৰী) :- এইটো অতি উপযুক্ত কথা সদস্য গৰাকীয়ে কৈছে। ভিতৰত ইমান বিলাক জন্তু আছে যে তাত কৃত্ৰিম সৰু-সুৰা আইলেণ্ড কৰিব পৰা নহব, সেইটো এক স্কোৱাৰ মাইল জুৰি কৰিব পাৰিলেহে হাতী আদি ডাঙৰ-সৰু জন্তুবোৰ থাকিব পাৰিব। এই কথাষাৰ অতি উপযোগী হৈছে, কিন্তু খৰচৰ কথাও ইয়াত জড়িত হৈ আছে সেই কাৰণে কথাষাৰ বিবেচনা যোগ্য।

শ্ৰীজালালুদ্দিন আহমেদ :- চাৰ, কাজিৰঙাত কৃত্ৰিম আইলেণ্ড সৃষ্টি কৰিব, তাৰ পৰিপ্ৰেক্ষিতত মই মন্ত্ৰী মহোদয়ক সোধোঁ যে খৰালি হাঁহবিলাক চৰিবৰ কাৰণে তাত একোটা কৃত্ৰিম সৰোবৰৰ সৃষ্টি কৰিব নোৱাৰে নে ?

শ্ৰীপৰমানন্দ গগৈ (বন বিভাগৰ মন্ত্ৰী) :- মাননীয় সদস্য গৰাকী বোধকৰো কাজিৰঙালৈ যোৱা নাই, গলে দেখিব কাজিৰঙাৰ ভিতৰত নানান নদী -নলা আছে সেইবিলাকৰ পানীত থকা জীৱ-জন্তুবোৰ থকাৰ বাবে সুবিধা আছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :- অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে নিশ্চয় এই কথা জানে যে ১৯৬৯ চনতে কাজিৰঙা আৰু মানাহ অভয়াৰণ্যক নেচনেল পাৰ্ক কৰিবৰ কাৰণে আইন প্ৰস্তুত হৈছিল, এই উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰৰ পৰা সাহাৰ্য্য পোৱাৰ কথাও আছিল, কিন্তু মই জনালৈকে এতিয়ালৈকে সেই সাহাৰ্য্য পোৱা নাই। গতিকে মই মন্ত্ৰী মহোদয়ক এই কথা সুধিব খোজো যে মানাস অভয়াৰণ্যৰ উন্নতিৰ কাৰণে আৰু কেন্দ্ৰীয় সাহাৰ্য্যৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে? আৰু যদি লোৱা নাই কিয় লোৱা নাই?

শ্ৰীপৰমানন্দ গগৈ :- জাতীয় পাৰ্কৰ কাৰণে যিখন আইন গ্ৰহণ কৰা হল তাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা অৰ্থ সাহাৰ্য্য পোৱা হ'ব। সেই আইনখন কাৰ্য্যকৰী কৰিবৰ বাবে সম্পূৰ্ণ ব্যৱস্থা হৈ উঠিছে আৰু ১৯৭৩ চনৰ ভিতৰতে আইনসমূহ কাৰ্য্যকৰী কৰাৰ চেষ্টা কৰা হৈছে। অভয়াৰণ্যৰ ৰক্ষণাবেক্ষণৰ বাবে আমি কেন্দ্ৰীয় চৰকাৰৰ সাহায্য নোপোৱাৰ কথা নহয় আৰু পঞ্চম পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ ভিতৰতে অভয়াৰণ্যৰ ৰক্ষণাবেক্ষণ কৰাৰ কিছু ব্যৱস্থাৰ কথা আমি ভাবিছো। আৰু গোটেই খিনি হলে অভয়াৰণ্যৰ উন্নতি কৰাৰ কামও সফলতাৰে আগবাঢ়ি যাব পাৰে বুলি ভাবিছো। মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই যিটো পৰিপূৰক প্ৰশ্ন কৰিছিল, তাৰ উত্তৰত মই কওঁ যে যেতিয়া গোটেই অঞ্চলবিলাকত জাতীয় পাৰ্ক সম্পূৰ্ণ হৈ উঠিব তেতিয়া বাহিৰৰ বণ্য প্ৰাণীৰ ৰক্ষণাবেক্ষণো সম্পূৰ্ণ হৈ উঠিব বুলি আশা কৰা যায়।

ডাঃ ৰবীন্দ্ৰ কুমাৰ গোস্বামী :- কাজিৰঙা অভয়াৰণ্যৰ সংৰক্ষিত অঞ্চলত বনাঞ্চল বিধ্বংসীকৰণ আৰু বেদখল কৰাৰ কথা আৰু সেই ব্যৱস্থাই বন্য-প্ৰাণীৰ সংৰক্ষণত বাধাৰ সৃষ্টি হোৱাৰ কথা মন্ত্ৰী মহোদয়ে জানে নে? যদি জানে চৰকাৰে কি ব্যৱস্থা লৈছে?

শ্ৰীপৰমানন্দ গগৈ :- যোৱা এবছৰৰ ভিতৰত এই অভয়াৰণ্যৰ পূবফালে কিছু এলেকাত কোনো কোনো লোকে বেদখল কৰিবৰ বাবে চেষ্টা কৰি

আছে। এনেধৰণৰ বেদখলকাৰীক উচ্ছেদ কৰাৰ ব্যৱস্থা লৈ থকা হৈছে।

শ্ৰীজগদিশ চন্দ্ৰ দাস :- অসমৰ যিবিলাক বন্য প্ৰাণী আছে তাৰ ভিতৰত গড়েই আটাইতকৈ মূল্যবান জন্তু। গড়ক অসমৰ জাতীয় চিহ্ন বুলি গণ্য কৰা হৈছে। এনে স্থলত বগীতৰা অঞ্চলত প্ৰায় কুৰি পচিঁশটা মান গড় আছে, সেই গড় কেইটাই প্ৰত্যেক বছৰে বহুতো মানুহৰ প্ৰাণ হানি কৰিছে আৰু মানুহেও সিহঁতক মৰাৰ প্ৰচেষ্টা চলাই আহিছে, এই ক্ষেত্ৰত আমাৰ চৰকাৰে সেই গড় কেইটাৰ ৰক্ষাৰ ক্ষেত্ৰত কি ব্যৱস্থা লৈছে জনাবনে?

শ্ৰীপৰমানন্দ গগৈ :- তেখেতে উল্লেখ কৰা বগীতৰা নে কি অঞ্চলটো অভয়াৰণ্য বনাঞ্চললৈ ৰূপান্তৰিত কৰা হৈছে।

## Re: Scarcity of Baby Food

Shrimati Renuka Devi Barkataki asked :

*513. Will the Chief Minister be pleased to state-

(a) Whether it is a fact that there is great scarcity of Baby food in Assam ?

(b) If so, what State Government has taken to ease the situation ?

(c) Whether State Government or with its initiatives propose to set up any Baby Food industry in the State ?

Shri Sarat Chandra Sinha (Chief Minister) replied :

513. (a)- No report of Scarcity of Baby Food at present has been received except from Deputy Commissioners, Dhubri, Haflong and Dibrugarh and Sub-Divisional Officer, Mangaldai and Karimganj.

(b)- Government have been apprising the suppliers of the position and requesting them from time to time to rush more supplies to the Markets in Assam.

(c)- There is no proposal with the Supply Department for setting up a Baby Food Industry in the State.

Shrimati Renukadevi Barkataki :- May I know from

the Chief Minister whether Government has got any knowledge about the variety of baby food available in Assam, the agents or the dealers through whom these are brought and the source from where collected ?

Shri Sarat Chandra Sinha (Chief Minister) :— Sir, this information is not with me. But surely that will not be difficult to collect the information.

Shrimati Renuka Devi Barkataki :— Six of the Deputy Commissioners and Sub-Divisional Officers have complained that there is great scarcity of baby food and the Chief Minister has said that there is no scarcity. Even in the town of Gauhati there is great scarcity of baby food. May I know from the Chief Minister who is actually dealing in the baby food and who is alloting to the State of Assam ?

Shri Sarat Chandra Sinha (Chief Minister) :— Baby food is not a controlled commodity, and as such, the question of allotment does not arise.

Shrimati Renuka Devi Barkataki :— Sir, the children of our State have to depend on the baby food due to scarcity of milk. In view of this whether the Government consider to bring baby food under control and try to get as much quantity of baby food as is required for the State ?

Shri Sarat Chandra Sinha (Chief Minister):— The present position is such that without imposing control supply can be maintained.

Shri Dulal Chandra Barua :— May I know through what agency the baby food is brought to the State and whether there is any officer entrusted to look after the quality of the baby food ?

Shri Sarat Chandra Sinha (Chief Minister) :— The manufacturers of baby food have their own agents in each State or different towns. So far as the quality is concerned

it is Governed by the Prevention of Food Adulteration Act.

Shri Premodhar Bora :— Considering the large scale demand of baby food in Assam will the Government consider establishment of a baby food factory in the State ?

Shri Sarat Chandra Sinha (Chief Minister) :— I have already said Sir, Government have no proposal to establish any baby food factory. Government will surely see that the supply is maintained.

ডাঃ ভূমিধৰ বৰ্মন :— অধ্যক্ষ মহোদয়, এইটো কথা সচাঁ নেকি যে, গ্লাক্স, হৰলিক্স আদি অত্যাৱশ্যকীয় যিবিলাক বেবী ফুড আছে সেইবিলাক বজাৰত বিক্ৰি কৰাৰ বাবে যিবিলাক নিৰ্দিষ্ট দোকান আছে সেই দোকান বিলাকত, দোকানী সকলে কোম্পানীয়ে ধৰি দিয়া দামৰ ওপৰিও বেছি দাম লৈ বিক্ৰি কৰি গ্ৰাহকক জুলুম দিয়াৰ কথাটো চৰকাৰে জানেনে ? যদি জানে তেনেহলে ইয়াত চকু ৰখাৰ বাবে কিবা ব্যৱস্থা চৰকাৰে লবনে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— অধ্যক্ষ মহোদয়, চৰকাৰে সাধাৰণ ভাৱে জানে, কিন্তু বিশেষভাৱে নাজানে। বিশেষ ভাবে যদি অভিযোগ কৰে তেন্তে বিশেষ ব্যৱস্থা গ্ৰহন কৰা হব।

অধ্যক্ষ মহোদয়, অসমলৈ প্ৰতি বছৰে বেবী ফুড অন্য ঠাইৰ পৰা অনা হয়। অসমলৈ বছৰে কিমান টকাৰ বেবী ফুড অনা হয় তাৰ হিচাব চৰকাৰৰ হাতত আছেনে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— অধ্যক্ষ মহোদয়, বহুতো টকাৰ আছে, কিন্তু সঠিক হিচাব মোৰ হাতত বৰ্ত্তমান নাই।

শ্ৰীতৰুলতা বৰা :— অধ্যক্ষ মহোদয় সাধাৰণতে আমাৰ ইয়ালৈ বাহিৰৰ পৰা বেবী ফুড অনা হয়। কিন্তু অসমতে বেবী ফুড উংপাদন কৰাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— বৰ্ত্তমানলৈ চৰকাৰে এইটো হাতত লোৱা নাই। কিন্তু যদি কোনোবাই কৰিব খোজে তেন্তে চৰকাৰে নিশ্চয় সহায় কৰিব।

শ্ৰীপ্ৰনীতা তালুকদাৰ ঃ—

অধ্যক্ষ মহোদয়, সাধাৰণতে বেবী ফুড চহৰ অঞ্চলবিলাকতে বেছিকৈ দেখিবলৈ পোৱা যায়। কিন্তু গাওঁ অঞ্চল বিলাকতো বহুতো শিশুৱে এই বেবী ফুডৰ ওপৰত ভিত্তি কৰিয়েই জীয়াই থাকিব লগা হয়। এনে ক্ষেত্ৰত মই আশাকৰো যাতে চৰকাৰে এই গাওঁ অঞ্চল বিলাকতো বেবী ফুড পৰিচালনা কৰিবৰ কাৰণে দোকানৰ ব্যৱস্থা কৰে।

শ্ৰীশৰত চন্দ্ৰ সিংহ ঃ— মুখ্যমন্ত্ৰী, অধ্যক্ষ মহোদয়, গাওঁ অঞ্চল বিলাকতো বেবী ফুড সৰবৰাহ কৰিবৰ কাৰণে চৰকাৰে যত্ন কৰিব। কিন্তু মই মাননীয়া সদস্যা গৰাকীক এইটো কথা বুজাই দিব খুজিছো যে নগৰ অঞ্চল বিলাকত প্ৰাকৃতিক পৰিবেশত জীৱন যাত্ৰাৰ ব্যৱস্থা নথকাৰ কাৰণে বেচিকৈ বেবী ফুড ব্যৱহাৰ কৰিব লগা হয়। কিন্তু গাওঁঅঞ্চল বিলাকত প্ৰকৃতিৰ বুকুত ল'ৰা-ছোৱালী বিলাকে প্ৰাকৃতিক পৰিবেশত এনেয়ে ডাঙৰ দীঘল হয়।

শ্ৰীআনন্দী বালা ৰাভা ঃ— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, আমাৰ প্ৰতি মাহে কিমান পৰিমাণৰ বেবী ফুড দৰকাৰ হয়। আৰু এই বেবী ফুডৰ কাৰণে কিমান টকা আমাৰ অসমৰ পৰা বাহিৰলৈ যায়?

শ্ৰীশৰত চন্দ্ৰ সিংহ ঃ—মুখ্যমন্ত্ৰী, অধ্যক্ষ মহোদয়, সেইটোৰ হিচাব মোৰ লগত নাই। কিন্তু এইটো ঠিক যে, বহুত টকাৰ বেবী ফুড আমাৰ বাজ্যলৈ আহে।

Dr. Rabindra Kumar Goswami :— May I know from the Chief Minister whether he considers baby food a luxury or a necessity?

Shri Sarat Chandra Sinha (Chief Minister) :— It is both luxury and necessity.

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী ঃ অধ্যক্ষ মহোদয়, আমাৰ অসমত বেবী ফুড এটা অপৰিহাৰ্য্য বস্তু হৈ পৰিছে। আৰু এইটোও জনা যায় যে, এই-বিলাক তৈয়াৰ কৰাৰ কাৰণে আমাৰ ইয়াত আৱশ্যকীয় কেচাঁমাল আছে। এই কেচামালবোৰ উৎঘাটন কৰি ইয়াতেই বেবী ফুড প্ৰস্তুত কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ—

অধ্যক্ষ মহোদয়, সেই প্ৰশ্নৰ উত্তৰ মই আগতেই দিছো। যে যদি কোনোবাই ইয়াত প্ৰস্তুত কৰিব খোজে তেন্তে চৰকাৰে সহায় কৰিবলৈ সাজু আছে।

St. Q. No. 514 was not put, member being absent.

বিঃ বিনামূলীয়া যাতায়তৰ ব্যৱস্থা

শ্ৰীআব্দুল হান্নান চৌধুৰীয়ে য়ে সুধিছে ঃ

*৫১৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) এইটো কথা সত্য নে ভাৰতৰ প্ৰায়বোৰ প্ৰদেশত বিধান সভাৰ সদস্য সকলৰ বাবে বিনামূলীয়া যাতায়তৰ ব্যৱস্থা আছে ?

(খ) যদি আছে, আমাৰ চৰকাৰেও তেনেকুৱা ব্যৱস্থাৰ কথা ভাবিছেনে আৰু কেতিয়াৰ পৰা উক্ত ব্যৱস্থা আৰম্ভ কৰা হব ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫১৪। (ক)– এই বিষয়ে চৰকাৰ অৱগত নহয়।

(খ)- ওপৰোক্ত (ক) উত্তৰৰ পৰিপ্ৰেক্ষিতত এই প্ৰশ্ন নুঠে।

বিঃ এচিয়া - ৭২ মেলাত হোৱা খৰচ

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে ঃ

*৫১৫। মাননীয় উদ্যোগ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে-

(ক) যোৱা ৩-১১-৭২ তাৰিখৰ পৰা দিল্লীত অনুষ্ঠিত হোৱা এচিয়া -৭২ মেলাত অসম চৰকাৰে কি কি শিতানত টকা খৰচ কৰিব লগা হল ?

(খ) এই মেলাত খৰচ কৰা অসম চৰকাৰৰ সৰ্ব্বমুঠ ধনৰ হিচাব কিমান জনাবনে ?

(গ) এচিয়া– ৭২ মেলাত অসম চৰকাৰৰ খৰচ হোৱা ধন কোন শিতানত কিমান ?

(ঘ) অসম চৰকাৰৰ দ্বাৰা এই মেলাত খৰচ হোৱা ধনৰ ৰাজ্য চৰকাৰৰ বাজেটৰ কোন শিতানৰ পৰা খৰচ কৰা হল আৰু কেন্দ্ৰ চৰকাৰে

কমান খৰচ কৰিলে অসম মণ্ডপটোৰ কাৰণে?

শ্ৰীমহম্মদ ইদ্ৰিচ (উদ্যোগ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫১৫। (ক) আৰু (গ)- এচিয়া -৭২ মেলাত অসম চৰকাৰে তলত দিয়া শিতানত টকা খৰচ কৰিব লগা হল-

ক। দিল্লীত হোৱা খৰচ

| শিতান | খৰচ টকা পঃ |
|---|---|
| (১) মণ্ডপ নিৰ্ম্মাণ- | ৩,৫০,০০০·০০ |
| (২) ভিতৰুৱা সাজ-সজ্জা, বাহিৰৰ সাজ-সজ্জা, বস্তুৰ, প্ৰদৰ্শন, বিজুলী বাতিৰ ব্যৱস্থা, কৰ্ম্মীৰ দৰমহা, যানবাহন আৰু অন্যান্য আকস্মিক খৰচ। | ২,৬৩,৫৮০·০০ |
| (৩) বীমাৰ খৰচ- | ৩,৭২০·০০ |
| (৪) সানমিহলি যেনে- ছপাকাম, সাংস্কৃতিক অনুষ্ঠান- ইত্যাদি। | ১,৪০৮·৭০ |
| (৫) কাৰ্য্যবাহী অভিযন্তাৰ কেৰাণী আৰু পিয়নৰ- দৰমহা। | ১,১১২·৭৫ |
| (৬) কাৰ্য্যবাহী অভিযন্তাৰ যান-বাহনৰ খৰচ। | ৭৭১·৮৫ |
| (৭) বিজুলী বাতি, পানী আৰু টেলিফোনৰ খৰচ। | ২৩,৪৩১·২১ |
| (৮) কাৰ্য্যবাহী অভিযন্তাৰ বদলি হোৱা খৰচ গুৱাহাটীৰ- পৰা দিল্লীলৈ। | ২,৯০৫·৩৫ |
| (৯) মাটিৰ ভাৰা- | ৭২,০০০·০০ |
| মুঠ— | ৭,১৮,৯২৯·৮৬ |

খ। অসম উদ্যোগিক উন্নয়ন নিগমৰ জৰীয়তে কৰা খৰচ

| শিতান | খৰচ টকা পঃ |
|---|---|
| (১) বিষয়া আৰু পেভিলিয়ন সমিতিৰ সদস্যৰ যাতায়তৰ- | ২৭,৩২৮·০০ |

(২) প্ৰদৰ্শনীৰ বস্তু বাহানী অসমৰ বেলেগ বেলেগ-ঠাইৰ পৰা গুৱাহাটীলৈ অনা আৰু গুৱাহাটীৰ পৰা দিল্লীলৈ-পঠোৱা খৰচ। ১৬,০০০·০০

(৩) স্মাৰক পত্ৰ ছপোৱা খৰচ। ১৭,৩১৫·০০

(৪) সানমিহলি খৰচ। ২,৪৭০·০০

(৫) মহিলা প্ৰদৰ্শনকাৰীৰ যাতায়তৰ বাবদ খৰচ আৰু দৰমহাৰ আগধন। ৩,২০০·০০

(৬) যানবাহনৰ ব্যৱহাৰ আৰু মেৰামতি ৬,০০০·০০

(৭) দিল্লীৰ পৰা প্ৰদৰ্শনীৰ বস্তু অসমলৈ ঘূৰাই অনাৰ খৰচ। ১২,৩৬৬·০০

মুঠ ৮৪,৬৭৯ টকা

(খ)– এই মেলাত অসম চৰকাৰে সৰ্ব্বমুঠ ৮,০৩,৬০৮,৮৬ টকা = (৭,১৮,৯২৯·৮৬ টকা + ৮৪,৬৭৯·০০ টকা) খৰচ কৰে আৰু কিছু টকাৰ বিলা বিবেচনাধীন হৈ আছে।

(গ) - (ক)ৰ লগতে উত্তৰ দিয়া হৈছে।

(ঘ)– অসম চৰকাৰে এই মেলাৰ বাবদ ১৯৭২-৭৩ চনৰ বাজেটৰ পৰা মুঠ ১০ লাখ টকা অনুমোদন কৰিছিল তলত দিয়া শিতানৰ পৰা–

("৩৫– শিল্প-II–কুটিৰ শিল্প–উন্নয়ন আচনি–চতুৰ্থ পঞ্চবাৰ্ষিকী পৰিকল্পনা –II -অন্যান্য ৰাজ্য পৰিকল্পনা আচঁনি - B – III অধীক্ষণ–IV-প্ৰদৰ্শনী আকস্মিক খৰচ -সাধাৰণ- ১৯৭২-৭৩ চনৰ বাজেটত")।

কেন্দ্ৰীয় চৰকাৰে এই মেলাৰ বাবদ একো খৰচ বহন কৰা নাই।

শ্ৰীসোণেশ্বৰ বৰা :— আমাৰ মহিলা প্ৰদৰ্শনকাৰী কেইগৰাকীৰ হিচাবৰ শিতানত যিটো টকা দেখুওৱা হৈছে, এই মহিলা প্ৰদৰ্শনকাৰী কেই গৰাকী দিল্লীত বসবাস কৰা লোক আছিল। তেওঁলোকৰ কোনোবা দিল্লীত পঢ়ি আছিল আৰু কোনোবা কোনোবা বিষয়াৰ পৰিবাৰ আছিল। গতিকে দিল্লীত হোৱা প্ৰদৰ্শনীত দিল্লীত থকা সেইসকল মহিলাৰ বাবে কিয় ইমান হাজাৰ টকা খৰচ কৰিব লগা হল?

শ্ৰীমহম্মদ ইদ্ৰিচ :– মহিলা প্ৰদৰ্শনকাৰী সকলৰ লিষ্ট যোৱা পৰহি দাঙি

ধৰিছো। এই সকলৰ ভিতৰত মাত্ৰ দুগৰাকী দিল্লীৰ আছিল বাকী সকল অসমৰ পৰা যাব লগা হৈছিল আৰু প্ৰয়োজন অনুসাৰে আগধন খৰচ কৰা হৈছে। মই আচল খৰচটোৰ কথা কৈছো। গোটেই কেইগৰাকী দিল্লীত থকা কথাটো সঁচা নহয়।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— যি বিলাক বিল বিবেচনাধীন হৈ আছে সেই বিল বিলাকৰ টকাৰ পৰিমাণ কিমান হব মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) :— ৩১ হাজাৰ টকা আৰকিটেক্টৰ বাবে, ৭ হেজাৰ ঠিকাদাৰৰ বাবে, আৰু ৫০ হেজাৰ সাজ-সজ্জাৰ বাবে ঠিকাদাৰক দিয়া হৈছে। মুঠতে ৮৮ হেজাৰ টকা খৰচ হৈছে।

শ্ৰীজালালউদ্দিন আহম্মদ :— মন্ত্ৰী মহোদয়ে প্ৰশ্নোত্তৰত কৈছে যে এচিয়া ৭২ মেলা শেষ হোৱাৰ পিচত যি বিলাক বস্তু অসমলৈ আনিব লগা হৈছিল তাৰ বাবে ১২ হেজাৰ টকা খৰচ হৈছে। মই জানিব বিচাৰিছো যে কি কি বস্তু আনিছে আৰু তাৰ মূল্য কিমান হব ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) :— যি বিলাক বস্তু প্ৰদৰ্শনীৰ বাবে ইয়াৰ পৰা নিয়া হৈছিল সেই বিলাক বস্তু অনা হৈছে। প্ৰদৰ্শনীৰ বস্তু বিলাক বিভিন্ন প্ৰস্তুতকাৰীৰ আছিল, সেই বিলাক তেওঁলোকক ফিৰাই দিয়া হৈছে।

শ্ৰীতুলাল বৰুৱা :- বিমানৰ বাবে যিটো খৰচ দেখুৱাইছে সেইটো কাৰ কাৰ বাবে খৰচ কৰা হৈছে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) :- কাৰ্য্যবাহী অভিযন্তা বদলি হোৱাত বিমানেৰে গৈছিল আৰু তাৰ বাবে ২,৯৫০ টকা খৰচ হৈছে। তাৰোপৰি পেভিলনৰ কাৰণে আকস্মিক ভাবে বস্তুৰ প্ৰয়োজন হোৱাত বিমানেৰে অনাত ২৭,৩২৮ টকা খৰচ হৈছে। বাকী কত কেনেকৈ খৰচ হৈছে গোটেই খিনিৰ হিচাব দিয়াটো সম্ভৱ নহয়।

শ্ৰীতুলাল বৰুৱা :- অফিচাৰ যি সকল গৈছিল সেই সকলে বিভাগৰ পৰা টকা খৰচ কৰিছে নে এই বিভাগৰ পৰা টকা খৰচ কৰিছে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) অফিচাৰ সকলে ধাৰাবাহিক নিয়ম মতে টকা খৰচ কৰিছে ?

শ্ৰীতুলাল বৰুৱা :— অফিচাৰ সকলে দুয়ো ফালৰ পৰা টকা লোৱা নাই বুলি কব বিচাৰে নেকি ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) :— দুয়ো ফালৰ পৰা লোৱাটো সম্ভৱ নহয়। পিচত পাব্লিক একাউণ্টচ কমিটি আছেই।

ডাঃ ৰবীন গোস্বামী :— এই মেলাৰ যি বিলাক বস্তু নীলাম কৰা হল তাৰ সৰ্বমুঠ মূল্য কেবল ১৫ হেজাৰ টকা হল নেকি ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) :- মাননীয় সদস্য সকলে সন্দেহ প্ৰকাশ কৰিছে, গতিকে সেই সন্দেহ ভঞ্জন কৰিবৰ কাৰণে এই পেভিলিয়নটো ডিচমেন্টেল কৰাৰ সময়ত আমাৰ অফিচাৰ তাত উপস্থিত থাকিব আৰু সকলো খিনি বস্তু এটা ইনভেণ্টেৰী বনাব আৰু তেতিয়া হলে কোনো সন্দেহৰ স্থল নাথাকিব।

শ্ৰীমতী আনন্দি বালা ৰাভা :- এইটো কথা সঁচা নেকি যে এচিয়াৰ -৭২ ৰ প্ৰদৰ্শনীত অসমৰ তৰফৰ পৰা মহিলা সকলে যি প্ৰদৰ্শনী দেখুৱালে তাৰ দ্বাৰা অসমৰ এটা বিকৃতাকাৰ সামাজিক প্ৰতিচ্ছবি দাঙি ধৰিলে। অৰ্থাৎ টুইষ্ট নাচকে বিহু নাচ বুলি দেখুওৱা হৈছে এইটো সঁচানে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) :- যিটো প্ৰদৰ্শন কৰা হৈছিল সেইটো মানুহে চাই তাৰিফ কৰিছে। অবশ্যে টুইষ্ট নাচক বিহু নাচ বুলি দেখুৱা খবৰটো মোৰ হাতত নাই, সেইটো যোগাৰ কৰিব লাগিব।

শ্ৰীজগদীশ দাস :- মহোদয়, এই এচিয়া -৭২ মেলা সম্পৰ্কে এনে কি গাঁও বিলাকতো নানা আলোচনা হৈছে ইয়াৰ উপৰিও আমাৰ বিধান সভাতো আলোচনা হৈছে। গতিকে এই বিষয়ে এটা ষ্টেমেণ্ট মন্ত্ৰী মহোদয়ে সদনত দিব নে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) :- সকলো তথ্যপাতি ইতিমধ্যে দিলোৱেই। ইয়াৰ পিচত মোৰ আৰু ষ্টেমেণ্ট দিবলৈ একো আহিলা পাতিয়েই নাথাকিল। এই সংক্ৰান্তত চৰকাৰৰ ফালৰ পৰা এটা তদন্ত হৈছিল আৰু তাৰ ৰিপোৰ্ট বিবেচনাধীন হৈ আছে।

শ্ৰীপ্ৰবীণ কুমাৰ চৌধুৰী :- শ্ৰীগোলাপ বৰবৰাই নীলাচলত এটা আৰ্টিকোল লিখিছিল, তাক কনট্ৰেডিক্ট চৰকাৰে কৰিছে নে নাই ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) :- নীলাচলত কি দিয়া হৈছিল মই বিশদভাৱে পঢ়া নাই আৰু কনট্ৰেডিক্চনো দিয়া হোৱা নাই।

শ্ৰীনগেন বৰুৱা :- বিভাগীয় তদন্ত কমিটিৰ প্ৰতিবেদন সদনৰ মজিয়াত দাখিল কৰিবনে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) :- এইটো বিবেচনা কৰি চোৱা হব।

শ্ৰীপ্ৰবীণ কুমাৰ চৌধুৰী :- অনুগ্ৰহ কৰি আৰ্টিকোলটো পঢ়ি কন্‌ট্ৰে-ডিকচন দিব নে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) :- সেই আৰ্টিকোলৰ কথা সকলো খিনিয়েই ইয়াত দিয়া হল। আৰু মোৰ কবলৈ নাই।

শ্ৰীতুলাল বৰুৱা :- আগতে পঢ়া নাই বুলি কৈছে এতিয়া আকৌ নপঢ়াকৈ আৰ্টিকোলৰ উত্তৰ কেনেকৈ দিয়ে।

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) :- মই কৈছো বিশদ ভাবে পঢ়া নাই।

শ্ৰীতুলাল বৰুৱা :- কন্‌ট্ৰেডিক্টন দিয়াৰ কথাটো চৰকাৰে চিন্তা নকৰে নেকি ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) ঃ- এই প্ৰশ্নটো যেতিয়া সদনত উত্থাপন হব। গতিকে খবৰ কাগজত কন্‌ট্ৰেডিক্টন দি লাভ নাই।

শ্ৰীমতী প্ৰনীতা তালুকদাৰ ঃ— এচিয়া ৭২ মেলালৈ যি সকল মহিলা চৰকাৰে নিছিল সেই মহিলা সকলে অসমীয়া মহিলা সমাজৰ এখন বিকৃতাকাৰ ছবি প্ৰদৰ্শন কৰিছে। গতিকে যি সকল বিষয়া এই সংক্ৰান্তৰ দায়িত্বত আছিল তেওঁলোকৰ ওপৰত কিবা শাস্তিমূলক ব্যৱস্থা লব নে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (উদ্যোগ মন্ত্ৰী ঃ- চাৰ, মহিলা প্ৰদৰ্শনকাৰী সকলে তেওঁ-লোকৰ কাৰ্য্যকলাপৰ দ্বাৰা কিবা বিকৃতাকাৰৰ পৰিচয় দিছে বুলি মই স্বীকাৰ নকৰো। বৰঞ্চ আনহাতে অসমৰ ভিতৰত এচিয়া ৭২ মেলাই যি সমালোচনাৰ কাষ চাপিছে বাহিৰৰ লোকে খুব ভাল পাইছে বুলি আমি জানো। এই সংক্ৰান্তত অসমৰ বাহিৰৰ পেপাৰ ৫ নবেম্বৰৰ "নেচনেল হেৰল্ড পেপাৰ" আৰু ২৫ তাৰিখৰ "টাইমচ অব ইণ্ডিয়া"ৰ প্ৰতি মই দৃষ্টি আকৰ্ষণ কৰিলো।

শ্ৰীমতী তৰুলতা বৰা ঃ— প্ৰশ্নটোত মহিলাৰ বিষয়ে কোৱা হৈছিল কিন্তু উত্তৰটো বেলেগ ধৰণে দিছে।

(উত্তৰ নাই)

শ্ৰীৰবীন কুমাৰ গোস্বামী ঃ- এই মহিলা প্ৰদৰ্শনকাৰী সকলক মন্ত্ৰী মহোদয়ে নিযুক্ত কৰিছিল নে কোনে কৰিছিল ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) ঃ- মন্ত্ৰীয়ে কৰা নাছিল, কৰিছিল অসম উদ্যোগিক উন্নয়নৰ মেনেজিং ডাইৰেক্টৰ জনে এটা স্মল কমিটিৰ সহযোগত।

শ্ৰীমতী আনন্দি বালা ৰাভা ঃ- এচিয়া ৭২ মেলালৈ যি সকল মহিলাক লৈ গৈছিল তেওঁলোকক কি ভিত্তিত বাচি নিয়া হৈছিল ? আৰু এই মহিলা সকলে অসমৰ মহিলা সমাজৰ বিকৃতাকাৰ ৰূপ পৰিবেশন কৰা বুলি সকলো মহিলাই শুনিছে- এওঁলোক লিখাপঢ়া কৰা ছোৱালী। গতিকে ভৱিষ্যতে যাতে এনেকৈ মহিলা সকলৰ বদনাম নহয় তাৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে লব নে ?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী) ঃ- এই বিষয়ে মই আগতে জবাব দিছো। আমাৰ অসম উদ্যোগিক উন্নয়ন নিগমৰ মেনেজিং ডাইৰেক্টৰজনে এটা সৰু কমিটিৰ সহযোগত বাচি নিছিল আৰু যি সকল মহিলা প্ৰদৰ্শনকাৰীক বাচিছিল তেওঁলোকৰ প্ৰত্যেকজনীয়ে ধুনীয়া আৰু সুযোগ্য ছোৱালী। মণ্ডপ সম্পৰ্কে অসমৰ বাহিৰৰ কাগজবিলাকে যি মন্তব্য কৰিছে তাৰ প্ৰতি মই দৃষ্টি আকৰ্ষণ কৰিছো। মই স্বীকাৰ নকৰো যে মহিলা প্ৰদৰ্শনকাৰী সকলে অসমৰ মহিলা সকলৰ মৰ্য্যদা হানি কৰিছে বুলি।

শ্ৰীজালালুদ্দিন আহমেদ ঃ- মেখেলা চাদৰ অসমৰ মহিলাৰ ডাঙৰ বৈশিষ্ট কিন্তু তাত প্ৰদৰ্শন কৰা মহিলা সকলে শাৰী পিন্ধা কথাটো সঁচা নে ?

(উত্তৰ নাই)

বি ঃ ট্ৰেক্টৰ আৰু পানীৰ পাম্প

শ্ৰীজয়চন্দ্ৰ বৰাই সুধিছেঃ

*৫১৬। মাননীয় কৃষি মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোৰহাট কৃষি ইঞ্জিনীয়াৰিং শাখাৰ পৰা কৃষক ৰাইজে মাটি চাহ কৰিবলৈ আৰু পথাৰত পানী যোগান ধৰিবলৈ সময়মতে আৰু আৱশ্যক মতে ট্ৰেক্টৰ আৰু পানীৰ পাম্প নেপাই এই কথাটো সঁচানে ?

(খ) যদি সচাঁ, তেন্তে এই আৱশ্যকীয় বস্তুবিলাক সময়মতে পোৱাৰ

ব্যৱস্থা এটা কৰি কৃষক ৰাইজৰ উপকাৰ সাধন কৰিবনে ?

শ্ৰীউপেন দাস (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

৫১৬। (ক)- আংশিক ভাবে সচাঁ। যিহেতু বহুতো চাহিদা একেলগে আহিলে দিব পৰা হিচাবে ট্ৰেক্টৰ বা পাম্প এই শাখাত যথেষ্ট পৰিমাণে নাই।

(খ)- ইয়াৰ বাবে বিভিন্ন ব্যৱস্থাৰ কথা চিন্তা কৰা হৈছে।

শ্ৰীজয় চন্দ্ৰ বৰা ঃ- কি ব্যৱস্থা গ্ৰহণ কৰিছে মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীউপেন্দ্ৰ নাথ দাস (কৃষি মন্ত্ৰী) ঃ- যোৱা বছৰৰ অভিজ্ঞতাৰ পৰা এই বছৰ আমি কিছু বঢ়াবলৈ চিন্তা কৰি আছো।

শ্ৰীনগেন বৰুৱা ঃ- এই ইঞ্জিনিয়াৰিং শাখাত ট্ৰেক্টৰ কিমান আছে আৰু পানী যোগানৰ কাৰণে পাম্প কিমান আছে মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীউপেন্দ্ৰ নাথ দাস (মন্ত্ৰী) ঃ- ট্ৰেক্টৰ ২০০ খন আৰু হেণ্ড পাম্প ১৪ টা আৰু বিদ্যুত পাম্প ৮ টা।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ- এইটো হিচাব অসমৰ, যোৰহাটৰ ক্ষেত্ৰত কিমান আছে ?

শ্ৰীউপেন্দ্ৰ নাথ দাস (মন্ত্ৰী) ঃ- ট্ৰেক্টৰ ১০ খন আৰু পাম্প ১০ টা।

শ্ৰীনগেন বৰুৱা ঃ- এই আটাইখিনি কাৰ্য্যকৰী অৱস্থাত আছে নে ?

শ্ৰীউপেন্দ্ৰ নাথ দাস (মন্ত্ৰী) ঃ- গোটেইখিনি কাৰ্য্যকৰী অৱস্থাত আছে বুলি জানো। তাৰে ভিতৰত দুই এটা বেয়া হৈ থাকিব পাৰে ?

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড ঃ- ৰবি শস্য আচনি যুগুত কৰা সময়ত খেতিয়ক সকলক পাৱাৰ পাম্প আৰু ট্ৰেক্টৰ দিব বুলি প্ৰতিশ্ৰুতি দিছিল কিন্তু আচনি কৰাৰ পাচত ট্ৰেক্টৰ আৰু পাম্পবিলাক বেয়া বুলি দিবলৈ অস্বীকাৰ কৰা কথাটো সচাঁ নে ?

শ্ৰীউপেন্দ্ৰ নাথ দাস (মন্ত্ৰী) ঃ- ৰবি শস্য আচনি লোৱাৰ পিচত ট্ৰেক্টৰ বেছি পৰিমানৰ নাছিল জিলাই জিলাই যিখিনি দিয়া হৈছিল সেইখিনিয়ে ৰাইজৰ চাহিদা পূৰণ কৰিব নোৱাৰা কথাটো সচাঁ কিন্তু অস্বীকাৰ কৰাটো সচাঁ নহয়।

শ্ৰীজগদীশ চন্দ্ৰ দাস ঃ- মন্ত্ৰী মহোদয়ে কৈছে যে এইখিনি পাৱাৰ

পাম্পেৰে যোৰহাট অঞ্চলত পানী যোগান ধৰিবলৈ যথেষ্ট নহয়। যদি তেখেতে যথেষ্ট নহয় বুলি ভাবিছে তেনেহলে সেই চাহিদা পূৰণ কৰিবলৈ কি ব্যৱস্থা কৰিছে?

শ্ৰীউপেন্দ্ৰ নাথ দাস (মন্ত্ৰী) :- এইখিনি পাৰাৰ পাম্পেৰে যথেষ্ট নহয় বুলি মই আগতে কৈছো। যোৱা বছৰৰ অভিজ্ঞতালৈ চাই আমি এইবাৰ পাম্প বঢ়োৱাৰ আঁচনি গ্ৰহণ কৰিছো।

ৰিঃ বানপীড়িত লোকক দিয়া মাটি

শ্ৰীতুলাল চন্দ্ৰ খাউণ্ডে সুধিছেঃ

*৫১৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে-

(ক) যোৰহাট মহকুমাৰ লাহিং গ্ৰাণ্টত ১৯৫১-৫২ চনত চৰকাৰে বান-পীড়িত লোকক মাটি দিয়াটো হয়নে?

(খ) যদি হয়, সেই মাটি খেতিয়ক সকলক জুখি চমজাই দিয়া হল নে?

শ্ৰীপৰমানন্দ গগৈ (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৫১৭ (ক)- যোৰহাট মহকুমাত লাহিং গ্ৰাণ্ট নামৰ কোনো গ্ৰাণ্ট নাই। কিন্তু লাহিং অঞ্চলৰ গাখীৰ খোৱা মৌজাৰ ১৬২ নং গ্ৰাণ্ট আৰু হোলোঙা পাৰ মৌজাৰ ১৬১ নং, ১৬৪ নং গ্ৰাণ্টত ১৯৫০-৫১ চনতে কিছু মাটি ৰান বিধস্ত আৰু স্থানীয় মাটিহীন মানুহৰ মাজত বিতৰণ কৰা হৈছিল।

খ)- উক্ত গ্ৰাণ্ট কেইটাত খেতিয়ক সকলক মাটি জুখি চমজাই দিয়া হৈছিল।

শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড :— মন্ত্ৰী মহোদয়ে জোখমাখ হৈ যোৱা বুলি কৈছে কিন্তু মই তেখেতক পুনৰ বিবেচনা কৰিবলৈ অনুৰোধ কৰিলো- সদনৰ পবিত্ৰ মজিয়াত কোৱাৰ আগেয়ে। এইলোক সকলে ইয়াৰ কাৰণে বাৰে বাৰে চৰকাৰৰ ওচৰত ডেপুটেচন ও বিক্ষোভ প্ৰদৰ্শন কৰা কথাটো মন্ত্ৰী মহোদয়ে জানে নে?

শ্ৰীপৰমানন্দ গগৈ (ৰাজহ মন্ত্ৰী) :- এই পবিত্ৰ সদনত সঠিক খবৰেই দিছো। নথিপত্ৰ বিলাকত যি ধৰণে দিয়া হৈছে সেই ধৰণে কৈছো। হয়তো জোখ-মাখ কৰোতে যিমান মাটি দিয়া হৈছে তাতকৈ কম নতুবা আনে জোৰ

কৰি দখল কৰি থাকিব পাৰে। সেইটো মই অনুসন্ধান কৰি চাম।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :— মন্ত্ৰী মহোদয়ে কৈছে যে নথিপত্ৰ চাই উত্তৰ দিছো। অকল প্ৰশ্নকৰ্ত্তাই নহয় আমি সকলোৱে জানো মাজুলিত কিছুমান মানুহক স্থায়ীভাবে মাটি দিয়া হ'ল ১৯৫০ চনতে আৰু আজি ১৯৭৩ চন। আজিলৈকে এই মানুহবিলাকৰ মাটিৰ সীমা চমজাই দিব পৰা নাই আৰু পট্টাও দিয়া নাই। যদি সেইটোৱে হয় মন্ত্ৰী মহোদয়ে কি ভিত্তিত কি নথিপত্ৰৰ ভিত্তিত এই পবিত্ৰ সদনৰ মজিয়াত মাটি চমজাই দিয়া বুলি কৈছে।

শ্ৰীপৰমানন্দ গগৈ (ৰাজহ মন্ত্ৰী) :— চাৰ, সাধাৰনতে এটা প্ৰশ্ন আহিলে সেই প্ৰশ্নটোৰ কাৰণে আমি জিলা বিষয়া সকলৰ পৰা এটা ৰিপোৰ্ট বিছাৰো আৰু সেইমতে তেওঁলোকে ৰিপোৰ্ট দিয়ে আৰু সেই ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰিয়ে আমি উত্তৰ দিওঁ। মাননীয় সদস্য শ্ৰীতুলাল খাউণ্ড আৰু শ্ৰীতুলাল বৰুৱা ডাঙৰীয়াই কোৱা কথাৰ দুটা অৰ্থ হব পাৰে এটা হৈছে যে জোখমতে মাটি পোৱা নাই আৰু যি সকল দুৰ্ব্বল মানুহ তেওঁলোকৰ মাটিখিনি শক্তিশালী মানুহে জোৰ কৰি দখল কৰি আছে। মই আগতে কৈছো যে এই বিষয়ত যদি কিবা আগোৱাহ থকা বুলি ভাবে অনুসন্ধান কৰি উচিত ব্যৱস্থা লম।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :- যি ভিত্তিত এই উত্তৰ দিয়া হৈছে সেই নথি-পত্ৰবিলাক সদনৰ মজিয়াত ৰখাৰ ব্যৱস্থা কৰিব নে?

শ্ৰীপৰমানন্দ গগৈ (ৰাজহ মন্ত্ৰী) :- যদি এনেকুৱা কিবা নিয়ম আছে আৰু অধ্যক্ষ মহোদয়ে যদি থবলৈ কয় নিশ্চয় থম।

Mr. Speaker, The Question Hour is over.

## Complaint to non-receipt of replies to Questions

শ্ৰীজালালুদ্দিন আহমেদ :- অধ্যক্ষ মহোদয়, আমি মাৰ্চ মাহতে দিয়া তৰা চিহ্নিত প্ৰশ্ন আজিলৈকে অহা নাই অথচ দৈনিক একোজন সদস্যৰ নামত ৩—৪ টা পৰ্য্যন্ত প্ৰশ্ন আহিছে আমাৰ ভাগত এটাও নাই। তিনি ঘন্টাৰ ভিতৰত আহিব পৰা প্ৰশ্নও আছে অথচ আমাৰ প্ৰশ্ন অহা নাই।

শ্ৰীকেহোৰাম হাজৰিকা ঃ- অধ্যক্ষ মহোদয়, মইও এই সম্পৰ্কত কব খুজিছো আৰু আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে মাৰ্চ মাহৰ আগতে দিয়া আমাৰ তাৰাংকিত প্ৰশ্ন অহা নাই গতিকে এই কথাটো আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিছো।

অধ্যক্ষ ঃ- এই সম্পৰ্কত প্ৰিপাৰ কৰি থকা বুলি বিবৃতি দিয়া-

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী ঃ- আমিও প্ৰশ্ন দিছো কিন্তু মই ভাবো এইটো ডিচ্ক্ৰিমিনেটলি বিহেভ কৰা হৈছে যেন পাওঁ।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ- ডিচ্ক্ৰিমিনেটলি বিহেভ কৰা ঠিক নহয় যদিও আমি জানিব বিচাৰিছো আমাৰ প্ৰশ্নবিলাক আমাৰ সচিবালয়তে আছে নে চৰকাৰী সচিবালয়লৈ গৈছে ?

অধ্যক্ষ ঃ- এইবিলাক কথা গম লম।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ আমি জনাত প্ৰায় বিলাক প্ৰশ্নই বিভাগলৈ গৈছে কিন্তু এতিয়াও উত্তৰ আৰু প্ৰশ্নবিলাক সদনত প্লেচ নকৰাৰ কাৰণ বুজা নাই।

## SHORT NOTICE QUESTION

Date: 12th July, 1973

Re : Political Conference

Shrimati Renuka Devi Barkataki asked :

7. Will the Chief Minister, be pleased to state-

(a) Whether it is a fact that on the 3rd June, 1973, Chief Minister attended a Political Conference in the south bank of Kamrup ?

(b) Whether the attention of the Chief Minister has been drawn to the news item on his reported speech on the 4th June in local dailies ?

(c) If so, Whether it is a fact that the Chief Minister said that widows, blinds or physically handicapped and low paid employees cannot hold land as owner?

(d) If so, will the Chief Minister kindly explain how a widow, a blind, an infirm or physically handicapped head of a family or a low paid 3rd or 4th grade employee will support his family?

(e) How many such people have already been given records of rights till to-date?

Shri Sarat Chandra Sinha (Chief Minister) to reply.

7. (a)— Yes.

(b)— Yes.

(c)- Chief Minister said that the land will be given to the actual tillers.

(d) No person shall be deprived of the land which is being held under the existing law. When the actual tillers who want to use the land as a means of livlihood as without land, it is the duty of the Government to provide them with land. The widow, the blind, the infirm and the phisycally handicapped persons will continue to have the land if they are holding the same under the existing law.

(e) Such information is not readily available. Information has been called for.

Shrimati Renuka Devi Barkataki :— Sir, the Chief Minister said that if the widows, the physically handicapped or the blinds are holding any lands, under the existing laws, they will also hold the land. But the Chief Minister, Shri Sinha said that lands were not property but means of livelihood and as such widows, physically handicaps and the low-paid employees should not be land owners as they could not till the lands for themselves. Sir, here it is a policy matter involved. If the widows, the

physically handicapped or the blinds do not till the lands themselves, according to the existing laws, these people will not be the owners of the land. May I know from the Chief Minister when these widows, the blind, the physically handicapped or such persons who cannot till their lands because of some reason, whether they will lose their land or the goverr ment will make any other alternative arrange must for their livelihood ?

Shri Sarat Chandra Sinha (Chief Minister) : The answer is categorical, they will not be deprived of the land they are holding.

## Undisposed Starred Question of 12th July, 1973.

### বিঃ গ্ৰাম্য বৈদ্যুতিকৰণৰ আচঁনি

শ্ৰীঅযোধ্যা ৰাম দাসে সুধিছে:

*৫১৮। মাননীয় বিদ্যুৎ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ২০ শে এপ্ৰিল তাৰিখৰ সাদিনীয়া বাতৰি কাকত 'অসম বাণীত' অসমৰ গ্ৰাম্য বৈদ্যুতিকৰণৰ কাম সন্তোষজনক নহয় শিৰোনামাৰে প্ৰকাশিত বাতৰিত কেন্দ্ৰীয় মন্ত্ৰী ডা: কে, এল, ৰাৱে অসমৰ গ্ৰাম্য বৈদ্যুতিকৰণ আচঁনিৰ কামত অসন্তোষ প্ৰকাশ কৰাৰ কাৰণ কি জানিবলৈ দিবনে ?

(খ) অসম ৰাজ্যত গাওঁৰ সংখ্যা কিমান ?

(গ) গ্ৰাম্য বৈদ্যুতিকৰণ আচঁনিত এতিয়ালৈকে কিমানখন গাওঁ অন্তভূৰ্ক্ত কৰা হৈছে আৰু আজিলৈকে কিমানখন গাওঁ বৈদ্যুতিকৰণ কৰা হল ?

(ঘ) গ্ৰাম্য বৈদ্যুতিকৰণ আচঁনিত অভয়াপুৰি সমষ্টিৰ কিমানখন গাওঁ অন্তভূৰ্ক্ত কৰা হৈছে ?

(ঙ) উক্ত সমষ্টিত আজিলৈকে কিমানখন গাওঁ বৈদ্যুতিকৰণ কৰা হল আৰু গাওঁসমূহৰ নাম জানিবলৈ দিবনে ?

শ্ৰীমহম্মদ ইদ্ৰিছ (বিদ্যুৎ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

৫১৮। (ক)— ডা: কে, এল, ৰাৱে গোটেই পূৰ্ব্বাঞ্চলৰেই চাৰিখন ৰাজ্য অসম, বঙ্গ, বিহাৰ আৰু উৰিষ্যাৰ গ্ৰাম্য বৈদ্যুতিকৰণ আচঁনিৰ কাম সন্তোষজনক নহয় বুলি অৱশ্যে কৈছে। আমাৰ অসমত বিশেষকৈ প্ৰথম

৩ টা পঞ্চ বাৰ্ষিক পৰিকল্পনাত গ্ৰাম্য বৈদ্যুতিকৰণৰ খৰচৰ বাবে বৰ কম পৰিমাণে ধন দিয়া হৈছিল। খৰচৰ পৰিমাণ যথাক্ৰমে ১ম পৰিকল্পনাত ২ লাখ, ২য় পৰিকল্পনাত ২১ লাখ আৰু ৩য় পৰিকল্পনাত মাথোন ৪৩ লাখ টকা। গোটেই ভাৰতবৰ্ষৰ কাৰণে কৰা খৰচৰ তুলনাত এইবোৰ সামান্য। ইয়াৰ উপৰি চিমেণ্ট, লোহা আদি দুৰ্লভ বস্তুৰ অভাৱত আৰু পৰিবহন ব্যৱস্থাৰ আহুকালৰ কাৰণে কামত আগবঢ়াত সেই সময়ত বহু ব্যাঘাত জন্মে।

(খ — প্ৰায় ২১ হাজাৰখন।

(গ)- ৪ৰ্থ পৰিকল্পনাৰ শেষলৈকে মুঠ ১৩০০ খন গাওঁত বৈদ্যুতিকৰণ কৰাৰ লক্ষ্য আছিল আৰু ১৯৭৩ চনৰ ফেব্ৰুৱাৰী পৰ্য্যন্ত ৯৯২ খন গাওঁত বৈদ্যুতিকৰণ কৰা হৈছে।

(ঘ)- চলিত বছৰত এতিয়ালৈকে লেংটিচিগা আৰু শ্ৰীজনগ্ৰাম অন্তৰ্ভূক্ত হৈছে। ১৯৭৩-৭৪ চনৰ চূড়ান্ত আচঁনি এতিয়ালৈকে সম্পূৰ্ণ হোৱা নাই।

(ঙ)- মাত্ৰ শ্ৰীজনগ্ৰামত বৈদ্যুতিকৰণ সম্পূৰ্ণ হৈছে।

## Re: Petition of Ex. M. L. A.

Shri Promode Chandra Gogoi asked :

*519. Will the Minister, Co-operation be pleased to state—

(a) Whether it Is a fact that a petetion dated 2-11-72 from Shri N. Pegu, Ex- M. L. A. addressed to the Registrar of Co-operative Societies was received and forwarded by the Assistant Registrar, Co-operative Societies, North Lakhimpur Vide IR. No. 5953 dated 4-11-72 for necessary orders for registration of a Co-operative Society under the name and style of Socialist Labour Corporation ?

(b)— If so, what is the reason for not responding to the petition so far ?

Shri Gajen Tanti (Minister, Co-operation) replied :

589. (a) & (b)— It has been ascertained from the Assistant Registrar of Co-operative Societies, North Lakhimpur

that such a petition was received by him and forwarded to the Registrar of Co-operative Societies on 4-11-72. The petition was not however, received in the office of the Registrar of Co-operative Societies. The Assistant Registrar has been advised to obtain a dublicate copy of the petition and forward the same to the Registrar of Co-operative Societies immediately.

বিঃ জনজাতি জিৰণি ঘৰ

শ্ৰীঅম্বৰীস চন্দ্ৰ লাহৰীয়ে সুধিছেঃ

*৫২০। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) তামুলপুৰত গড়কাপ্তানি বিভাগৰ অধীনত জনজাতি জিৰণি ঘৰ নিৰ্ম্মাণ হোৱা কথা চৰকাৰে জানেনে ?

(খ) যদি জানে কেতিয়া নিৰ্ম্মাণ কাৰ্য্য আৰম্ভ হৈছিল আৰু কেতিয়া সম্পূৰ্ণ হব ?

ডাঃ লুটফুৰ ৰহমান (গড়কাপ্তানি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৫২০। (ক)— হয়।

(খ)- এই কামটোৰ নিৰ্ম্মাণৰ কাৰণে ঠিকাদাৰক ১৯৭০ চনৰ জানুৱাৰী মাহত দিয়া হৈছিল আৰু ইতিমধ্যে ঘৰৰ কাম সম্পূৰ্ণ হৈছে।

বিঃ ৰাজনৈতিক নিৰ্য্যাতিত সকলৰ চাকৰিত সোমোৱাৰ বয়স

শ্ৰীঅতুল চন্দ্ৰ শইকীয়াই সুধিছে:

*৫২১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে-

(ক) চৰকাৰে ৰাজনৈতিক নিৰ্য্যাতিত সকলক চৰকাৰী কামৰ বাবে আবেদনৰ উৰ্দ্ধতম ৩০ বছৰৰ ঠাইত ৫ বছৰ ৰেহাই দিয়াতো জানো বৰ্ত্তমানে কোনোবা ৰাজনৈতিক নিৰ্য্যাতিতে এই সুবিধা গ্ৰহণ কৰিব পাৰিছে ?

(খ) ৰাজনৈতিক নিৰ্য্যাতিত সূত্ৰৰ পৰা আটাইতকৈ কনিষ্ঠতম ৰাজনৈতিক নিৰ্য্যাতিত জনেও যে চুকুৰিৰ দেওনা পাৰ হৈছে সেই কথা চৰকাৰে জানেনে ?

(গ) যদি জানে, তেন্তে চৰকাৰী কামৰ বাবে থকা আহিঁ আবেদন

পত্ৰৰ পৰা ৰাজনৈতিক নিৰ্য্যাতিতক ৫ বছৰ ৰেহাই দিয়াৰ কথাখিনি এতিয়াৰ পৰা বাদ দিবনে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫২১। (ক)— চৰকাৰৰ শেষতীয়া নীতি অনুসৰি চৰকাৰী চাকৰিত সোমোৱাৰ বয়স ৩০ বছৰ নিৰ্দ্ধাৰণ কৰা হৈছে, অৱশ্যে ৰাজনৈতিক নিৰ্য্যাতিত সকলৰ বাবে ৩২ বছৰলৈকে ৰেহাই দিয়া হৈছে।

বৰ্ত্তমানে এনে সুবিধা কোনো ৰাজনৈতিক নিৰ্য্যাতিতে গ্ৰহণ কৰিব পাৰিছে নে নাই, সেই খবৰ বৰ্ত্তমান চৰকাৰৰ হাতত নাই।

(খ)- এনে সম্ভাৱনা নুই কৰিব নোৱাৰি।

(গ)- চৰকাৰে এই বিষয়ে বিবেচনা কৰি যথোচিত ব্যৱস্থা লব।

## Re : T. A. drawn by Agriculture Minister

Shri Santosh Kumar Roy asked :

*522. Will the Chief Minister be pleased to state—

হৈছে। কিন্তু আজি অসম তেলত চহকী হৈয়ো একো কৰিব পৰা নাই মাত্ৰ ইয়াৰ কাৰণে অসমীয়া মানুহ উচ্ছেদ হবলগীয়া হৈছে। আমাৰ অসমৰ যি চাহে বিদেশী মুদ্ৰা অৰ্জন কৰি আহিছে তাৰ অংশ অসমে কিবা পাইছেনে? আজি ভাৰতবৰ্ষত খাৰুৱা তেল উৎপন্ন হৈছে ৭১৯০ টন। তাৰ ভিতৰত অসমত উৎপন্ন হয় ৩৭৪২ টন এই খাৰুৱা তেল উৎপাদন পৰিশোধন কৰিবৰ কাৰণে অন্যান্য ৰাজ্যবোৰত যিবোৰ শোধনাগাৰ আছে সেইবোৰত শোধন শক্তি বেছি কৰিছে। কিন্তু অসমৰ নুনমাটিত শোধনাগাৰৰ শক্তি বেছি কৰা হৈছেনে? মই কওঁ নাই হোৱা। অথচ অসমত উৎপাদন হোৱা তেলৰ দাম অসমতেই বেছি। আজি অসমক সামগ্ৰিক ভাবে অৰ্থনৈতিক উন্নয়নত আৰু অৰ্থনৈতিক বিকাশত আগুৱাই নিবৰ হল। অসমৰ উৎপাদিত সম্পদৰাজি কেনেকৈ ব্যৱহৃত হৈছে তাক আজি অনুধাৱন কৰি চাবৰ হল।

আজি আমাৰ প্ৰতিবেদনত কোৱা হৈছে যে আমাৰ নিত্য ব্যৱহাৰ্য্য বস্তুৰ দাম বজাৰত যি ধৰণৰ হৈছে........................ ....(কোৰাম নাই)........................

উপাধ্যক্ষ মহোদয়, আপুনি জানে যোৱা বছৰত বস্তুৰ দাম শতকৰা ৩০ ভাগতকৈ বেছি বাঢ়িছে। যোৱা বছৰ যিটো বস্তুৰ দাম এশ টকা আছিল সেইবস্তুৰ দাম '৭২-৭৩ চনত ১৩০ টকা হৈছেগৈ। এইটোৱে প্ৰমাণ কৰিছে যে আমাৰ মূল্যমান ঠিকমতে হৈছে নে নাই? ৰিপৰ্টত এটা কথা উল্লেখ কৰিছে যে আমাৰ এক কোটি ৪৬ লাখ ৪৫ হেজাৰ জন সংখ্যাৰ সৰ্বভাৰতীয় প্ৰতি পাঁচ বৰ্গ কিলোমিটাৰত ১৮৪ জন পৰিছে। ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যত প্ৰত্যেক বৰ্গ কিলোমিটাৰত ইয়াত কৈ জন সংখ্যা বেছি নহয়। এইটোৱেই প্ৰমাণ কৰিছে যে আমাৰ সম্পদ ৰাজি শুদ্ধ ভাবে বিতৰণ হোৱা নাই। অসমত অবাধ গতিৰে বহিৰাগতৰ ৰাজত্ব চলিছে। ভাৰতবৰ্ষৰ কোনো ৰাজ্যত জন সংখ্যা শতকৰা ৩২.৯ ভাগতকৈ বেছি হোৱা নাই।

উপাধ্যক্ষ মহোদয়, অকল এইটোৱেই নহয় অসমত বহুতো সুবিধা

পোৱা হেতুকে বহিৰাগতৰ এই ৰাজ্যলৈ অবাধ প্ৰচলন হৈছে। অসমৰ যিবিলাক উদ্যোগ সেই উদ্যোগত বহিৰাগত কিমান আৰু অসমৰ লোক কিমান আমাৰ মূল ধন খটোৱা উদ্যোগ যিবিলাক অসমত আছে সেই-বিলাকৰ পৰা কিমান মূলধন বাহিৰলৈ ওলাই গৈছে। যিবিলাক বহিৰা-গত আহি আজি আমাৰ অসমৰ শতকৰা ৩৪·৯ ভাগ জনসংখ্যা বৃদ্ধি কৰিছেহি, যিবিলাকে আজি অসমৰ পেট্ৰল পাম্প, উদ্যোগ আদিত থিতাপি লৈছেহি, অসমৰ আৰ্থিক অৱস্থা টনকিয়াল কৰিবৰ হলে এইবোৰৰ প্ৰতি-ৰোধ কৰিব লাগিব।

উপাধ্যক্ষ ডাঙৰীয়া, যোৱা বছৰতকৈ এই বছৰ যে বস্তুৰ দাম শত-কৰা ৩০ ভাগ বাঢ়িছে, ইয়াৰ পৰিপ্ৰেক্ষিতত দৰমহা কেইটামান বঢ়াই দিলেই সকলো নহয়। আচলতে যদি আমি মূল্যমান নিয়ন্ত্ৰণ কৰিব নোৱাৰো, তেন্তে সৰ্বসাধাৰণ কৰ্মচাৰীৰ দৰমহা কেইটামান বঢ়াই দিলেই সকলো হল বুলি আমি ভাবিব নালাগিব। অৰ্হতা পূৰ্ণ কৰ্মচাৰীৰ পৰা ভাল কাম আদায় কৰিব লাগিলে কৰ্মচাৰী সকলৰ যিবিলাক নিম্নতম সা-সুবিধা সেইবিলাক সম্পূৰ্ণকৈ দিব লাগিব। কিন্তু আজি আমি যদি চাও "তেন্তে আমি দেখিম সেইখিনিৰ আধাও তেওঁলোকক আমি দিব পৰা নাই। আমাৰ যিসকল পুলিচ কৰ্মচাৰী আছে যাক আমি শান্তি ৰক্ষক বুলি কওঁ—তেওঁলোকৰ ক্ষেত্ৰত সৰ্বনিম্ন সুবিধা খিনিও আমি দিব পৰা নাই। সিদিনা গুৱাহাটীত মই নিজ চকুৰে দেখিছো একেটা টেপতে প্ৰায় ১৫ জনমান পুলিচে আন্দাৰ উৱেৰ একোটা পিন্ধি লৈ গা ধুইছে। তাততো আৰ বেৰৰ কথাই নাই বৰং প্ৰত্যেকেই ২-৩ মিনিটকৈ বৈ গা-ধুব লগাত পৰিছে। যাক আমি শান্তি ৰক্ষক বুলি কওঁ, যাক মাতিলেই উপস্থিত হব লাগে সেই সকল কৰ্মচাৰীক আমি সাধাৰণ সা-সুবিধাখিনিও দিব পৰা নাই। উপাধ্যক্ষ মহোদয়, কবলৈ দুখ লাগে, বৰ বেছি দূৰলৈ মই নাযাওঁ এয়া আমাৰ মাজতে যি সকল ৰিপৰ্টাৰে হাতত পেঞ্চিল লৈ আমাৰ কথাকে লিখি আছে এইখিনি কৰ্ম-চাৰীয়ে হাতত পেঞ্চিল লৈ এবাৰ যি চাকৰিত সোমাল সেই পেঞ্চিল লৈয়েই আকৌ ওলাই যাব লাগিব। এই সকলৰ মাজত থকা বয়োবৃদ্ধ লোক কেইজন যি কেইজন আমাৰ শ্ৰদ্ধাভাজন তেখেত সকলৰ চাকৰিটোৰ কোনো উন্নত পৰ্য্যায়ৰ কথা চৰকাৰে চিন্তা নকৰিলে। আমাৰ তলতীয়া

কৰ্মচাৰী সকলৰ স্থায়ীকৰণৰ ব্যৱস্থা আজিলৈকে নহল। গতিকে এইখন কেনেকৈ সমাজবাদী সমাজ হব পাৰে মই বুজি নাপাওঁ। যদি আমি তলতীয়া কৰ্মচাৰী সকলৰ পৰা ভাল কাম আদায় কৰিব বিচাৰো তেন্তে তেওঁলোকৰ সৰ্বনিম্ন সকলোখিনি সা-সুবিধা যেনে তেওঁলোকৰ লৰা-ছোৱালীক পঢ়ুৱাবৰ কাৰণে শিক্ষাৰ ব্যৱস্থা কৰা, চিকিৎসাৰ ব্যৱস্থা কৰা ইত্যাদি আৱশ্যকীয় সা-সুবিধাখিনি আমি কৰি দিব লাগিব তেতিয়াহে তেওঁলোকৰ পৰা ভাল কাম আমি আদায় কৰিব পাৰিম। কিন্তু আমি তেওঁলোকক সেইখিনি যোগাৰ দিব পাৰিছো নে?

এতিয়া মই প্ৰতিবেদনত উল্লেখ থকা কথা কেইটামান বিত্ত মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। সেইটো হৈছে আমাৰ অসমৰ জনমুৰি আয় হল ২৮·১৯ টকা। উপাধ্যক্ষ ডাঙৰীয়া, আপুনি যদি চাই তেন্তে দেখিব আমাৰ কৰেল এৰিয়াত শতকৰা ৫৬ ভাগ লোকৰ জনমুৰি আয় ১১ টকাতকৈ কম।

মিঃ ডেপুটি স্পীকাৰ:—আপুনি আৰু কিমান সময় লব?

শ্ৰীপ্ৰেমধৰ বৰা:—মই আৰু অলপমান কৈয়েই শেষ কৰিম।

উপাধ্যক্ষ মহোদয়, মই মুখ্য মন্ত্ৰী মহোদয়ক সুধিব খোজো যে আমাৰ যি শতকৰা ৭৭ ভাগ লোক আজি দাৰিদ্ৰৰ সীমা ৰেখাৰ তলত সেই মানুহ খিনিৰ উন্নতিৰ কাৰণে চৰকাৰে কিবা কমিটি গঠন কৰাৰ কথাটো ভাবিছে নে? এই লোকসকলৰ উন্নয়নৰ কাৰণে এই পবিত্ৰ সদনতে এখন কমিটি গঠণ কৰাৰ কথা চৰকাৰে চিন্তা কৰিবনে?

মিঃ ডেপুটি স্পীকাৰ:—আপোনাৰ আৰু কিমান সময় লাগিব?

শ্ৰীপ্ৰেমধৰ বৰা:—মই আৰু কুৰি মিনিটমান কম চাৰ।

মিঃ ডেপুটি স্পীকাৰ:- মধ্যাহ্ন ভোজনৰ বাবে দুটা বজালৈকে সভা স্থগিত।

(মধ্যাহ্ন বিৰতিৰ পাছত)

শ্ৰীপ্ৰেমধৰ বৰা:—মাননীয় উপাধ্যক্ষ মহোদয়, মই ইয়াৰ আগতেই কৈছো যে, আমাৰ ৰাজ্যখনৰ শতকৰা ৭০ ভাগ জনসংখ্যাই দৰিদ্ৰতাৰ

সীমাৰেখাৰ তলত আছে। গতিকে যদি সেই মানুহবিলাকক উন্নত কৰাৰ চিন্তা কৰিছে তেতিয়া হলে তেওঁলোকৰ উন্নয়ণৰ কাৰণে আমি আৰ্থিক ক্ষেত্ৰত আগবঢ়াই নিবৰ কাৰণে চৰকাৰে কিবা কমিটি পতাৰ কথা চিন্তা কৰিছে নেকি সেইটো মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিবলৈ বিচাৰিছো। দৰমহা কমিটিৰ সংক্ৰান্তত মই এইখিনিতে কব বিচাৰো যে আমাৰ চৰকাৰে যেতিয়াই দৰমহা কমিটি পাতি দিয়ে, সেই সময়তে বস্তুবিলাকৰ দাম বাঢ়ি যায়। ইয়াত এইটো কথা কৈছে যে, In the meanwhile the cost of living is mounting and there is naturally pressure from the Govt. employees for sanctioning further in tarm relief in case the submission of Pay Commissions Report is delayed further.

উপাধ্যক্ষ ডাঙৰীয়া, আপুনি জানে যে, কেন্দ্ৰীয় চৰকাৰে পেট্ৰলৰ দাম বঢ়াব বুলি এটা জনৰব ওলোৱা মাত্ৰকে আমাৰ ব্যৱসায়ী শ্ৰেণীৰ লোকসকলে পেট্ৰলৰ দাম বঢ়াই দিলে। অসম ৰাজ্যত ১৯৭১ চনত পে কমিটি গঠন কৰা হল আৰু ইয়াৰ লগে লগেই বজাৰত বস্তুৰ দাম বাঢ়ি গল। ইয়াত ব্যৱসায়ী বিলাকৰ এটা ষড়যন্ত্ৰ আছে। চৰকাৰে যদি এইবিলাক কথা ভাল কৈ পৰীক্ষা কৰি চাই আৰু তাৰ উপযুক্ত ব্যৱস্থা লব নোৱাৰে তেতিয়াহলে পে কমিটি পাতি দৰমহা বঢ়ালে এই সমস্যা সমাধান নহব। এই অসাধু বেপাৰী সকলৰ ওপৰত কঠোৰ ব্যৱস্থা লব নোৱাৰিলে এই গৰীব কৃষকসকলৰ দৈনন্দিন যাবতীয় বস্তুৰ দাম নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে এনেকৈ পে কমিটি পাতি ২৫ বা ৩০ টকাকৈ বেছি কৰি কোনো কৰ্মচাৰীৰো আৰ্থিক উন্নতি কৰিব নোৱাৰে আৰু আনহাতে খেতিয়ক শ্ৰেণীৰো আৰ্থিক মানদণ্ডৰ কোনো উন্নতি নহয়। এইখিনিতে এটা উল্লেখযোগ্য কথা যে, আৰু পে কমিটিৰ ৰিপৰ্টত কোৱা হৈছে যে, আমাৰ দেশৰ প্ৰায় শতকৰা ৭০ ভাগ মানুহেই কৃষিৰ ওপৰত নিৰ্ভৰ কৰি জীৱন নিৰ্বাহ কৰে। আৰু কোৱা হৈছে যে. শতকৰা ৫০ ভাগ মানুহে ৰাজ্যৰ উৎপাদনৰ বজাৰখন কণ্ট্ৰল কৰে। এইটো এটা বৰ দুখৰ কথা যে, আমাৰ চৰকাৰে যেতিয়া এই খেতিয়ক সকলৰ কৃষিজাত দ্ৰব্যখিনি সংগ্ৰহ কৰিবলগীয়া হয় তেতিয়া ভাব দাম নিয়ন্ত্ৰণ কৰে কিন্তু সেই গৰীব খেতিয়ক সকলক যিখিনি দৈনন্দিন ব্যৱহাৰ্য্য

দ্ৰব্য যোগান ধৰিব লাগে সেইখিনিৰ কোনো নিয়ন্ত্ৰণ নাই। ফলত আমাৰ ৰাজ্যত শতকৰা ৭০ ভাগ লোকৰ আৰ্থিক অৱস্থাটো চৰকাৰৰ নিয়ন্ত্ৰণৰ বাহিৰ হৈ যায়। ফলত আমাৰ চৰকাৰে ইকনমিক ক্ৰাইচিচ কণ্ট্ৰল কৰিব নোৱাৰে। তাৰ ফলত আমাৰ শতকৰা ৭০ ভাগ লোকৰ অৰ্থনৈতিক অৱস্থা কেতিয়াও স্বচ্ছল হব নোৱাৰে। সেইকাৰণে এই গাৱলীয়া মানুহ বিলাকৰ অৱস্থা ভাল কৰিবলৈ তেওঁলোকৰ উৎপন্ন বস্তুৰ দাম নিয়ন্ত্ৰণ কৰাৰ লগে লগে চৰকাৰৰ এটা গভীৰ দায়িত্ব আছে যে, তেওঁলোকৰ অন্যান্য ব্যৱহাৰ্য্য সামগ্ৰীৰ দামো নিয়ন্ত্ৰণ কৰিব লাগিব। ইয়াৰোপৰি আমাৰ ৰাজ্যত প্লাই উদ ফেক্টৰী, চিনেমা হল, পেট্ৰলপাম্প, এইবিলাক কাৰ হাতত আছে? পৰ্য্যাবেক্ষন কৰিলে দেখা যাব যে এই সকলোবিলাক বাহিৰৰ পৰা অহা লোকৰ হাতত বৰ্ত্তমান। আজি বাহিৰৰ পৰা অহা এচাম লোকে ইয়াত আধিপত্য বিস্তাৰ কৰি আছে। দেশৰ অৰ্থনৈতিক দিশতো চিন্তা কৰিলে এই বস্তুবিলাকলৈ চকু দিয়াটো এটা অপৰিহাৰ্য্য কথা। চৰকাৰে চোৱা উচিত যে এইবিলাক অনুষ্ঠানৰ জৰিয়তে কি পৰিমাণ অসমৰ টকা বাহিৰলৈ ওলাই যায়। মহোদয়, বৃটেইনৰ ভূতপূৰ্ব্ব প্ৰধান মন্ত্ৰী চাৰ্চিলে কৈছিল, যে সপ্তম হেনৰীৰ ৰাজত্বৰ সময়ত বাজ্যৰ পেনি ফাৰ্দিং সকলোৰে হিচাব তেওঁৰ হাততেই আছিল। অৱশ্যে মই কোৱা নাই যে আমাৰ মুখ্য মন্ত্ৰীয়েও অন্যান্য শাসন কাৰ্য্য কৰাৰ পিচতো নয়া পইচালৈকে নিজে হিচাব ৰাখিব লাগে। কিন্তু দেশৰ অৰ্থনৈতিক অৱস্থালৈ পুংখানুপুংখৰূপে লক্ষ্য ৰাখিব লাগিব।

মহোদয়, আজি আমাৰ উৎপাদন বৃদ্ধি হৈছেনে নাই? মহোদয়, পল্টন বজাৰ, ফাঁচিবজাৰ আদিত গৈ শুনো যে এই বিলাক কাটিহাৰ, বিহাৰ আদিৰ পৰা আহিছে। মাছ আহিছে লক্ষৌৰ পৰা গতিকে শাক পাচলি, মাছ আদিৰ নামতো অসমৰ পৰা বাহিৰলৈহে পইচা যায়। চৰকাৰে এই ব্যৱসায় বিলাক কিছুপৰিমাণে কিয় নিয়ন্ত্ৰণ কৰিব নোৱাৰে? আৰু বিশেষকৈ কৃষিজাত দ্ৰব্যৰ উৎপাদন যদি ৰাজ্যত নবঢ়ায়, তেন্তে শতকৰা ৩০ টকাকৈ দৰমহা বঢ়াই দিলে কৰ্ম্মচাৰী নাইবা জনসাধাৰণ কাৰো অৱস্থাৰ উন্নতি নহয়। এই কথাবিলাক মুখ্যমন্ত্ৰী ডাঙৰীয়াই ভালকৈ চিন্তা কৰিব লাগে। এইখিনিতে আমাৰ বিপৰ্তত এটা কথা বৰ দুখজনক হিচাবে লিখিছে যে, আমাৰ ৰাজ্যত উদ্যোগিকৰণ যি হিচাবে হব

লাগিছিল সেই হিচাবে হোৱা নাই। এই পে-কমিটিৰ সদস্য সকল অসমৰ মানুহে অসমৰ বাহিৰৰ পৰা অনা মানুহ মই বুজিবলৈ টান পাইছো। আমাৰ ৰাজ্যখন প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ। তেনেস্থলত আমাৰ ৰাজ্যখনে উদ্যোগিকৰণৰ ক্ষেত্ৰত আগবাঢ়িব নোৱাৰাতো বৰ দুখৰ কথা। চৰকাৰে আশাসুধীয়া চেষ্টা কৰিব লাগিব যে আমাৰ ৰাজ্যখন বেনেকৈ উদ্যোগিকৰণৰ ক্ষেত্ৰত আগবঢ়াব পাৰি তেতিয়াহলে কৰ্মচাৰী আৰু গাৱলীয়া জনসাধাৰণৰ সকলোৰে উন্নতি হব। দৰমহা কমিটিৰ কথা আলোচনা কৰোতে আমি এইটো কথা পাহৰিলে নহব যে—

আমাৰ গাৱলীয়া কৃষক সকলৰ কোনো সংগঠন নাই। আমি আশা ৰাখিছো আৰু ভৱিষ্যতে ৰাইজৰ মাজৰ পৰা প্ৰতিনিধি আহিব আৰু আন্দোলন গঢ়ি উঠিব। সেইদিনা যি মুষ্টিমেয় একশ্ৰেণী মানুহে সমাজবাদৰ নামত গনতন্ত্ৰৰ নামত সৰহ সংখ্যক মানুহক অপকাৰ কৰি আহিছে লুট কৰি আহিছে সৰহ সংখ্যক মানুহক সুখ সুবিধাৰ পৰা বঞ্চিত কৰি আহিছে তেওঁলোকৰ ওৰ পৰিব আৰু প্ৰকৃত সমাজবাদ ৰচনা হব। সেই দিনটো লৈ আমি অপেক্ষা কৰি আছো। তেতিয়াহলে মানুহৰ জীৱনৰ মানদণ্ড উন্নত হব আৰু কম পইচাত বেচি বস্তু পাব। এই খিনিকে কৈ মই সামৰণি মাৰিলো।

শ্ৰীদেবেন বৰা: মাননীয় উপাধ্যক্ষ মহোদয় অসম দৰমহা কমিটিৰ ওপৰত মাননীয় সদস্য শ্ৰীদুলাল বৰুৱা, শ্ৰীঅতুল শইকীয়া প্ৰমুখ্যে কৰি অসম বিধান সভাৰ কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ১৩০ (ক) ধাৰা মতে যি বিশেষ প্ৰস্তাব আগবঢ়াইছে সেই সন্দৰ্ভত মাননীয় সদস্য সকলে ভাল কথা উল্লেখ কৰিছে। দৰমহাৰ বিসঙ্গতি হৈছে বুলি মাননীয় সদস্য সকলে কৈছে। এইটোত মই একমত। নিম্নতম আৰু উচ্চতম দৰমহাৰ নিৰিখৰ যিটো অনুপাত দেখুওৱা হৈছে তাৰ পৰা বিসঙ্গতি ওলাই পৰিছে। দৰাচলতে কব লাগিলে সমাজতান্ত্ৰিক দেশ এখনত সমাজবাদী সমাজ এখন ৰচনা কৰিবলৈ যি ধৰণে ভাৰসাম্য ৰক্ষা কৰিবলৈ চেষ্টা কৰিব লাগে সেই ধৰণে কৰা নাই। আমাৰ উচ্চতম দৰমহাৰ যিটো নিৰি খতাৰ এটা সৰ্ব্বোচ্চ সীমা নিৰ্দ্ধাৰণ কৰিব লাগিছিল। ঠিক সেই ধৰণে নিম্ন-

তম বেতন ভোগী কৰ্ম্মচাৰী সকলৰ ক্ষেত্ৰতো তেওঁলোকৰ মান উন্নত কৰাৰ এটা লক্ষ্য থকা উচিত আছিল। তেওঁলোকে যাতে জীৱন যাপন কৰিব পাৰে সেই কথাটো বিবেচনা কৰি এটা নিৰ্দ্দিষ্ট সীমা ৰেখা বান্ধি দিব লাগিছিল। প্ৰকৃততে দৰমহা কমিটিয়ে এই কথাটো বিবেচনা নকৰিলে। সেই কাৰণে এটা বিৰাট পাৰ্থক্য সোমাই পৰিছে। মাননীয় সদস্য শ্ৰীপ্ৰেমধৰ বৰা ডাঙৰীয়াই কৈছে যে দৰমহা কমিটিৰ ৰিপোৰ্ট দিলে আমাৰ প্ৰায় ৬ কোটি টকাৰ প্ৰয়োজন হব। এই টকাটো কৰ পৰা আহিব ? আমাৰ দৰিদ্ৰ কৃষক সকল অসংগঠিত হৈ আছে আৰু শতকৰা ৭৫ ভাগ লোক দাৰিদ্ৰতাৰ সীমা ৰেখাৰ তলত আছে। এই লোক সকলৰ ওপৰত নিৰ্ভৰ কৰি কৰ্ম্মচাৰী সকলৰ দৰমহা বৃদ্ধি কৰা হব। এই কথাটো ভালদৰে বিবেচনা কৰি চোৱা উচিত। কমিটিৰ টাৰমচ্ অব ৰেফাৰেন্সত কি আছিল, এই কথাটো লক্ষ্য ৰাখিব লাগিছিল। অসমৰ অৰ্থনৈতিক অৱস্থা ভালকৈ পৰ্য্যালোচনা কৰি এনে এটা বাট দেখুৱাই দিব লাগিছিল যি বাটেৰে গলে আমাৰ জনসাধাৰণৰ উন্নতি হলহেতেন। সেইটো লক্ষ্য নকৰি কেৱল দৰমহাৰ নিৰিখ বান্ধি দিছে। সেই কাৰণে আমাৰ নিম্নতম বেতন ভোগী কৰ্ম্মচাৰী সকল সন্তুষ্ট হব পৰা নাই। অধিকাংশ লোকেই এই কমিটিৰ ৰিপোৰ্টৰ ওপৰত অসন্তোষ প্ৰকাশ কৰিছে। নিম্নতম বেতন ভোগীৰ দৰ্ম্মহা কৰা হৈছে ১৮০ টকাৰ পৰা ২৫০ টকা। এইটো পাবলৈ ২২ বছৰ লাগিব। আনহাতে উচ্চ কৰ্ম্মচাৰী সকলৰ ৮ বছৰত দৰ্ম্মহা হব ১৮-১৯ শ টকা। এইটো এটা বিৰাট ব্যৱধান হৈছে। উচ্চ পদস্থ কৰ্ম্মচাৰী সকলৰ জীৱনৰ মানদণ্ড উন্নত কৰিবৰ কাৰণে আকৌ চেষ্টা কৰা হৈছে। আমাৰ উচ্চ পদস্থ কৰ্ম্মচাৰীসকলৰ দৰমহাৰ উচ্চ সীমা নিৰ্দ্ধাৰণ কৰিব লাগে আৰু তলতীয়া কৰ্ম্মচাৰীসকলৰ দৰমহা বাঢ়ি যাব লাগে। সেই নীতি ললে তেওঁলোকৰ জীবনৰ মানদণ্ড উন্নত হব। দিনে দিনে বস্তুৰ দাম বাঢ়ি গৈ আছে। নিত্য প্ৰয়োজনীয় বস্তুৰ দাম ১৪ ভাগৰ পৰা ৫০ ভাগ বৃদ্ধি হৈছে। এই ক্ষেত্ৰত তলতীয়া কৰ্ম্মচাৰী সকলৰ জীৱনৰ মানদণ্ড উন্নত কৰাৰ কথা ভাবিব লাগিছিল। গতিকে এজন মানুহে মাহত এসাজ মাছখোৱাৰ চিন্তা কৰিব লাগে আৰু আনহাতে অন্যজনে ভোগ বিলাসৰ কাৰণে ভাল ভাল ঘৰ আৰু ভাল ভাল ফাৰ্নিচাৰৰ ব্যৱস্থা কৰিছে। এইটো হব নালাগে। গতিকে এই কথাটো চৰকাৰে ভালকৈ বিবেচনা কৰি চাব লাগিব আৰু নিম্নতম

বেতনভোগী কৰ্ম্মচাৰীয়ে এই অৱস্থাৰ পৰিপ্ৰেক্ষিতত যাতে জীৱন নিৰ্ব্বাহ কৰিব পাৰে এই কথাটো বিবেচনা কৰি লব লাগে লগতে এই কথাটোও বিবেচনা কৰি লব লাগে যে আমাৰ কৰ্ম্মচাৰী সকলৰ বেতন বৃদ্ধি কৰি থাকিলেই নহব। আজি তেওঁলোকৰ সংগঠন আছে দাবী কৰিছে পাইছে ফেক্টৰী বিলাকৰ সংগঠন আছে দাবী আদায় কৰি লৈছে কিন্তু যি সকল সমাজত পিচপৰি আছে সেই সকলৰ কথা চিন্তা কৰি চাব লাগে। যি সকলৰ সংগঠন নাই সিচৰিত হৈ আছে, সেই সকলৰে তেজ চুহি আজি আমি কৰ্ম্মচাৰী সকলক দৰমহা দিয়াৰ ব্যৱস্থা কৰিছো। আচলতে সেই সিচৰিত হৈ থকা মানুহবিলাকৰ মান উন্নত কৰাৰ কথা চিন্তা কৰিব লাগে। অৰ্থাৎ অসম দেশৰ সৰ্ব্বসাধাৰণ মানুহৰ উন্নয়নৰ চিন্তা কৰিলেহে এই সকলৰ কথা চিন্তা কৰিব পৰা হব। প্ৰথমতে, আমাৰ আৰ্জিত কৃষক বনুৱা সকলৰ উন্নয়নৰ কথা চিন্তা কৰিহে চৰকাৰী চাকৰীয়ালৰ কথা চিন্তা কৰিব লাগে। আজি আমাৰ ৰাজ্যত দৰ্ম্মহা কমিটি চৰকাৰী চাকৰিয়াল সকলৰ কাৰণে কিন্তু আচলতে সমাজতান্ত্ৰিক দেশ এখনত ভাৰসাম্য ৰক্ষা কৰিবলৈ যি নীতি গ্ৰহণ কৰিব লাগিছিল সেইটো কৰা হোৱা নাই বুলি ভাবো। গতিকে নিম্নবেতনভোগী কৰ্ম্মচাৰী সকলৰ উপযুক্ত চিন্তা কৰাৰ লগে লগে দৰিদ্ৰ জনসাধাৰণৰ কথাও চিন্তা কৰিবলৈ মই আহ্বান জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীনগেন বৰুৱা :—উপাধ্যক্ষ মহোদয়, অসমত মূল্য সূচী বাঢ়ি যোৱা কথাটো সকলোৱে কৈছে। ভাৰতবৰ্ষৰ ভিতৰত অসমতে বস্তুৰ মূল্য বাঢ়ি গৈছে। ১৯৬৪ চনৰ পে কমিটিৰ ৰিপোৰ্টত যি আসোঁৱাহ আছিল আৰু নিম্ন পৰ্যায়ৰ কৰ্ম্মচাৰী সকলৰ জীৱন নিৰ্ব্বাহৰ সমস্যা আহি পৰাৰ লগে লগে ১৯৭১ চনত নতুন দৰ্ম্মহা আয়োগ গঠন কৰা হয়। কিন্তু যি উদ্দেশ্যৰে এই দৰ্ম্মহা আয়োগ গঠন কৰা হৈছিল সেই উদ্দেশ্যৰে দৰ্ম্মহা আয়োগে প্ৰতিবেদন দাখিল কৰিব পৰা নাই। যিহেতু দিনক দিনে বস্তুৰ মূল্য বাঢ়ি গ'ল সেইকাৰণে চৰকাৰী চাকৰিয়াল সকলে আশা কৰিছিল তেওঁলোকে এই আয়োগৰ দ্বাৰা কিছু সকাহ পাব কিন্তু অযথা কাৰণত সেই আয়োগে প্ৰতিবেদন দাখিল কৰোতে দুবছৰ সময় ল'লে। যোৱা মাৰ্চ মাহৰ অধিবেশনত সদস্য সকলে এই সদনতে জোৰ কৰা কাৰণে মুখ্য মন্ত্ৰীয়ে সদনত

কৈছিল যে আয়োগে ৩১ মার্চৰ ভিতৰত ৰিপোৰ্ট দাখিল কৰিব। কিন্তু সেই তাৰিখত প্ৰতিবেদন দাখিল কৰিব নোৱাৰিলে। পিচত তেওঁলোকে দায় সাৰিবৰ কাৰণত এই ৰিপোৰ্ট দাখিল কৰিলে কিন্তু চৰকাৰক বা ৰাইজক কোনো পৰামৰ্শ দাঙি ধৰিব নোৱাৰিলে। ফলত ইয়াৰ ওপৰত চৰকাৰে কোনো কাৰ্য্যকৰী ব্যৱস্থা লব পৰা নাই আৰু বিধানসভাইও কোনো পৰামৰ্শ আগবঢ়াব পৰা নাই। তেখেত সকলে জুলাই মাহৰ ৩১ তাৰিখে পুৰা প্ৰতিবেদন দাখিল কৰিম বুলি কৈছে। ইতিমধ্যে মধ্যবিত্ত কৰ্ম্মচাৰী সকলৰ অৱস্থা দিনক দিনে বেয়া হৈ গৈছে। যি সময়ত আজি কৰ্ম্মচাৰী সকলৰ এই অৱস্থা মূল্য সূচী দিনক দিনে বাঢ়ি গৈছে সেই সময়ত তেওঁলোকৰ বাবে বিবেচনা কৰিবলৈ প্ৰতিবেদন দাখিল কৰিব নোৱাৰিলে। আংশিকভাৱে যি প্ৰতিবেদন দাখিল কৰিলে তাৰ দ্বাৰা কৰ্ম্মচাৰী সকলৰ সমস্যা সমাধানৰ কোনো পৰামৰ্শ আগবঢ়োৱা নাই। তেওঁলোকৰ প্ৰতিবেদনৰ প্ৰথম কেইপৃষ্ঠামান দেশ বিদেশৰ অৰ্থনৈতিক থিয়োৰীৰ অৱতাৰণা কৰোতে গ'ল। কিন্তু প্ৰতিবেদনত অসমৰ বাস্তৱ জীৱনত এই থিয়োৰী বিলাক প্ৰয়োগ নহয় বা কৰিব নোৱাৰে। অসমত আজি এফালে যেনেকৈ উৎপাদন কমি গৈছে আনফালে বয় বস্তুৰ দাম বাঢ়ি গৈছে। ফলত এই দুই দিশৰ পৰা কৰ্ম্মচাৰী আৰু সৰ্ব্বসাধাৰণ ৰাইজৰ বাঢ়ি অহা সমস্যাবলীৰ বিষয়ে আয়োগে কোনো পৰামৰ্শ চৰকাৰক দিব পৰা নাই এই ক্ষেত্ৰত তেওঁলোক ব্যৰ্থ হৈছে। ১৯৬৪ চনৰ দৰ্ম্মহা আয়োগে দিয়া টকাৰে নজোৰাত মৰগীয়া বানচ দিবলৈ দাস আয়োগ গঠন কৰিলে। সেই দাস আয়োগে মধ্যবিত্ত কৰ্ম্মচাৰী সকলৰ কাৰণে যি বানচ নিৰ্দ্ধাৰণ কৰিছিল সেই বানচৰ লগত দৰ্ম্মহাখিনি যোগ কৰি এতিয়া স্কেল অৱ পে ঠিক কৰিছে। আচলতে তাৰ পৰা কোনো লাভ কৰ্ম্মচাৰীৰ হোৱা নাই।

সেই দিশৰ পৰা লক্ষ্য কৰিলে দেখা যায় দৰমহা আয়োগে নিম্নতম বেতন নিৰ্দ্ধাৰণ কৰাৰ ক্ষেত্ৰত এটা বিশেষ দৃষ্টিভঙ্গী লব লাগিছিল কিন্তু সেইটো লোৱাৰ কাৰণে অপাৰগ হৈছে। দাস কমিচনৰ মৰগীয়া বানচ আৰু আগৰ পে স্কেল মাৰ্জ কৰি স্কেল দিয়াৰ কথাৰ পৰা একো হোৱা নাই। আচল কথা হল নিম্নতম শ্ৰেণীৰ দৈনিক কিমান টকা হয়

মাহিলী কিমান টকা পায় আৰু নিম্নতম আৰু উচ্চতম শ্ৰেণীৰ মাজত কিমানখিনি প্ৰভেদ হব সেইটো চালিজাবি চাব লাগিছিল কিন্তু এইটো এই প্ৰতিবেদনত নাই। আন এটা কথা হল, নিম্নতম শ্ৰেণীৰ কাৰণে যিখিনি আহাৰৰ আৱশ্যক দিনটোৰ ভিতৰত অথবা মাহটোৰ ভিতৰত সেইখিনি পৰিয়ালৰ আটাইখিনি মানুহৰ সৈতে অৰ্থাৎ ৩-৪ টা লৰা-ছোৱালীৰ সৈতে দিনটোত বা মাহটোত কিমানখিনি আহাৰ লাগিব তাৰ কাৰণে কিমানখিনি টকা পইচাৰ দৰকাৰ হব সেইটো এই দৰমহা আয়োগে উপলব্ধি কৰিছে যদিও সেই মতে কাম কৰা নাই। বাস্তৱত সেই অভিজ্ঞতা গ্ৰহণ কৰা নাই আৰু কাৰ্য্যত অৰ্থাৎ এই প্ৰতিবেদনত তাৰ কোনো উল্লেখ নাই। এই বিষয়ত কোনো পৰামৰ্শই এই কমিচনে তেওঁলোকৰ প্ৰতিবেদনত দাঙি ধৰা নাই। ইয়াৰ অজুহাত দেখুৱাইছে যে যিহেতু অসমৰ বিত্তীয় পৰিস্থিতি বেয়া, অৰ্থনৈতিক সংকটে দেখা দিছে সেইকাৰণে এই দৰমহা আয়োগে যিমানখিনি কথা চাকৰিয়ালৰ কাৰণে চিন্তা কৰা দৰকাৰ অনুভৱ কৰিছিল সিমানখিনি কৰিবলৈ অপাৰগ হৈছে। ইণ্ডিয়ান লেবাৰ কমিচনৰ পঞ্চম আয়োগে কৈছিল যে সৰ্ব্বনিম্ন দুশ পঞ্চাশ টকা হলে চতুৰ্থ শ্ৰেণীৰ পৰিয়াল এটা চলিব পৰা হব কিন্তু সেইটো আছিল সৰ্ব্ব ভাৰতীয় ক্ষেত্ৰত দিয়া মন্তব্য কিন্তু সৰ্ব্ব ভাৰতীয় ক্ষেত্ৰত চালে দেখা যায় যে ভাৰতৰ ভিতৰত অসমতেই কষ্ট অব লিভিং আটাইতকৈ বেছি। সেই ফালৰ পৰা চালে অসমত দুশ পঞ্চাশ টকাটো হব লাগিছিলেই তাতকৈও বৰঞ্চ বেছিহে হব লাগিছিল। তাৰ সলনি দৰমহা আয়োগে কোনো গভীৰ চিন্তা নকৰাকৈয়ে ১৮০ টকা সৰ্ব্বনিম্ন হিচাবে চৰকাৰৰ হাতত পৰামৰ্শ দাখিল কৰিছে।

উপাধ্যক্ষ মহোদয়, আন এটা কথা হৈছে যে এই দৰমহা আয়োগে চৰকাৰক প্ৰতিনিধিত্ব কৰিছে যদিও এই দৰমহা আয়োগৰ গঠন প্ৰণালীতেই গণ্ডগোল হৈছে। এই দৰমহা আয়োগত আছে যি জন সভাপতি সেইজন হৈছে অৱসৰপ্ৰাপ্ত এজন লোক, তাতে আকৌ চৰকাৰী কৰ্ম্মচাৰী হিচাবে নহয়, জাজ হিচাবে বহুত বয়স হোৱাত ৰিটায়াৰ কৰা এইলোকজন ইয়াত ভিজিলেন্স কমিচনাৰ হৈ আছিল তেখেতেই দৰমহা আয়োগৰ সভাপতি হল গতিকে দৰমহা আয়োগে নিশ্চয় সমস্যাৱলীৰ সুবিচাৰ কৰিব নোৱাৰে। সেই ফালৰ পৰা কব পাৰি যে দৰমহা আয়োগ গঠন কৰাৰ ক্ষেত্ৰত বিশেষ

মনোযোগ দিয়া হোৱা নাছিল । এই কথাটো প্ৰমাণিত হব । দ্বিতীয়তে আমাৰ মুখ্যসচিব ইয়াতে সদস্য হিচাবে দিয়া হৈছে, আৰু ফাইনেন্স কমিচনক সদস্য সচিব হিচাবে দিয়া হৈছে । এই ফালৰ পৰা দেখা যায় যে যদিও চৰকাৰৰ বাহিৰত বেচৰকাৰী সদস্যও আছে তথাপিও এই কেইজনৰ অন্তৰ্ভূক্তিয়ে ইয়াকে প্ৰমাণ কৰে যে চৰকাৰী ভাৱে বিত্তীয় পৰিস্থিতি আৰু অৰ্থনৈতিক সংকট প্ৰতিনিধিত্ব কৰিছে । অথচ উচ্চ পদস্থ কৰ্ম্মচাৰী সকলৰ কাৰণেহে অধিক মনোযোগ দিছে যেন অনুমান হয় । নিম্ন বা মধ্যবিত্ত শ্ৰেণীৰ যি সকল কৰ্ম্মচাৰী আছে সেই সকলৰ কথা বিশেষ ভাৱে লক্ষ্য কৰা নাই তাৰ পৰিবৰ্ত্তে ওপৰৰ যি সকল কৰ্ম্মচাৰী, যিসকল উচ্চ পদস্থ বিষয়া সেই সকলৰ কথাহে বিশেষ ভাৱে লক্ষ্য কৰা হৈছে কাৰণ তেখেত সকলৰ কাৰণে এটা নতুন থিয়'ৰি বাহিৰ কৰিছে বিয়নো যদি উচ্চ পদস্থ সকলক অসমৰ ভিতৰত ভাল নিৰিখ দিয়া নহয় তেনেহলে তেওঁলোক অসমৰ বাহিৰলৈ গুছি যাব আৰু বিকল্প চাকৰি লব য'ত ভাল চাকৰিত ভাল দৰমহা আৰু সাসুবিধা পাব । এনে থিয়'ৰি প্ৰয়োগ কৰা হৈছে সেই ক্ষেত্ৰত ১৪০০ ৰ পৰা ১৬০০ আৰু ১৬০০ ৰ পৰা ১৮০০ আৰু ১৮০০ ৰ পৰা ২১০০ লৈ বঢ়াই দিয়া হৈছে । অসমৰ শতকৰা ৭৭ জন মানুহেই দাৰিদ্ৰতাত ভোগী আছে । দাৰিদ্ৰতাৰ সীমাৰ ৰেখাৰ তলত আছে । তেওঁলোকৰ ত্যাগ কৰিবলৈ অৱস্থাই নাই । কিন্তু যিসকলৰ ত্যাগ কৰিবলৈ অৱস্থা আছে সেই সকলৰ কাৰণে ভাল নিৰিখৰ হে ব্যৱস্থা কৰা হৈছে । অথচ চতুৰ্থ শ্ৰেণীৰ বা কেৰাণীসকলৰ ইয়াৰ দ্বাৰা অকণো লাভবান হব পৰা নাই । কিন্তু উচ্চ পদস্থ কৰ্ম্মচাৰী সকলৰ কাৰণ নতুন থিয়'ৰ তৈয়াৰ কৰিছে নতুন দিশৰ পৰা মুকলি কৰি লৈছে । এইটোহে মন কৰিবলগীয়া কথা । আমাৰ সৰু সৰু কৰ্ম্মচাৰী সকলৰ কাৰণে যিটো সমস্যা সেইটো বিচাৰ্যৰ বিষয় । ওপৰৰ কৰ্ম্মচাৰী সকলে আয়কৰ দিব লাগে দৰমহাৰ ওপৰত আৰু প্ৰফেচনাল টেক্স আদিও দিব লাগে কিন্তু তলৰ শ্ৰেণীয়ে দিব নালাগে । তেওঁবিলাকে দৈনিক বা মাহেকীয়া মজুৰীৰ পৰা চলিব পৰা অৱস্থা নহয় । সেই বিলাক লোকৰ প্ৰতি বিশেষ ভাৱে চিন্তা কৰিব লাগিব । আৰু কৰিব লাগিছিল । কিন্তু ইয়াত তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ লোকৰ কাৰণে কোনো বিশেষ চিন্তা কৰা দেখা পোৱা নাই । ইয়াৰ কাৰণে কিমান দিন

লাগিব সেইটো বিচাৰ্য্যৰ বিষয়। এই কথা বিলাক চালিজাৰি চাই আমাৰ ফালৰ পৰা পৰামৰ্শ দিব খুজিছো যে যদি সঁচাকৈ চৰকাৰে চাকৰিয়াল সকলক বেছি দ্ৰৰমহা দিব খুজিছে কিবা সা-সুবিধা দিব খুজিছে তেন্তে তলৰ শ্ৰেণীৰ চাকৰিয়ালৰ কথা বিশেষ চিন্তা কৰি চাব লাগিব। ইয়াৰ কাৰণে বিত্তীয় পৰিস্থিতি যিয়েই নহওক লাগিলে বা অৰ্থনৈতিক সংকট যেনেকুৱাই নহওক লাগিলে চতুৰ্থ আৰু তৃতীয় শ্ৰেণীৰ লোক সকলক বিশেষ চিন্তাৰ দ্বাৰা উপকৃত কৰিব লাগে। যি প্ৰয়োজন অনুভৱ কৰি এই দৰমহা আয়োগ গঠন কৰিছিল সেই প্ৰয়োজন এই দৰমহা আয়োগে সাধিব পৰা নাই।

—মই আৰু বেচি সময় লব নোখোজো এটা কথা কৈয়েই মই মোৰ বক্তব্যৰ সামৰণি মাৰিম। আমাৰ আয়োগৰ যি বিলাক আচলতে নিদ বেচট হব লাগে। অৰ্থাৎ সৰ্বনিম্ন প্ৰয়োজনীয় ভিত্তিত দৰ্মহা দিব লাগে। এতিয়া এই দৰ্মহা আয়োগে যদি নিদ বেচট ভিত্তিত পৰামৰ্শ দিব পাৰে তেন্তে সেইটো বৰ ভাল কথা হব। আৰু তাকে কৰিবলৈ এই প্ৰতিবেদনখন তেওঁলোকে পুনৰ বিবেচনা কৰিবৰ কাৰণে পঠাই দিবলৈ মই চৰকাৰৰ ওচৰত দাবী জনালো। আমাৰ যি সকল নিম্নতম বেতন-ভোগী কৰ্মচাৰী আছে তেওঁলোকৰ কাৰণে চৰকাৰে যিমানখিনি কৰিব পাৰে সিমানখিনি কৰিবলৈ মই চৰকাৰৰ ওচৰত দাবী জনালো। দ্বিতীয় দৰ্মহা আয়োগৰ ক্ষেত্ৰত আমাৰ স্কুলত চাকৰি কৰা যি বিলাক শিক্ষক আছে বা যিবিলাক কৰ্মচাৰী আছে সেই সকলৰ ক্ষেত্ৰত দৰ্মহা নিদ্ধাৰণ কৰোতে বহুত সমস্যাৰ সন্মুখীন হবলগীয়া হৈছিল। ১৯৬৪ চনত যি আয়োগ গঠন কৰা হৈছিল সেই আয়োগ মাত্ৰ ৰাজ্য চৰকাৰৰ কৰ্মচাৰী সকলৰ কাৰণেহে কৰা হৈছিল। যি বিলাক সাহাৰ্য্য প্ৰাপ্ত হাইস্কুলৰ শিক্ষক আছে যি সকল কলেজৰ শিক্ষক আছে সেই সকলৰ দৰ্মহা নিদ্ধাৰণৰ ক্ষেত্ৰত সময় লবলগীয়া হৈছিল। এই বাৰৰ আয়োগে শিক্ষক সকলৰ প্ৰতিবেদনো লৈছে। এই দৰ্মহা আয়োগে শিক্ষক সকলৰ দৰ্মহাৰ নিদ্ধাৰণৰ ক্ষেত্ৰত চৰকাৰী পৰ্য্যায়ত যি বিলাক সা-সুবিধা পাইছিল সেই বিলাক পাবনে নাপায় সেই কথা স্পষ্ট ভাবে কব পৰা নাই। গতিকে আমাৰ দৰ্মহা আয়োগে এটা পোনপটীয়া বাস্তৱ বাদী নীতিৰ ওপৰত অন্ততঃ দৰ্মহা দিয়াৰ ব্যৱস্থা কৰিব লাগে। আৰু কোনো ক্ষেত্ৰতে যাতে ২৫০ টকাৰ কম নাপায় সেই কথালৈ লক্ষ্য

কৰিব লাগে। কাৰণ আজি ভাৰতবৰ্ষই স্বীকাৰ কৰিছে, আৰু ভাৰত বৰ্ষত যি বিলাক লেবাৰ আন্দোলন আছে সেই সকলেও স্বীকাৰ কৰিছে যে কোনো লোকেই ২৫০ টকাৰ কম দৰ্মহা পাব নালাগে। গতিকে মই এই প্ৰতিবেদনখন আয়োগে পুনৰ বিবেচনা কৰিবৰ কাৰণে পঠাই দিবলৈ মই চৰকাৰৰ ওচৰত দাবী জনাইছো। ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

ডাঃ সুৰেন দাস :—মাননীয় উপাধ্যক্ষ মহোদয়, দৰ্মহা আয়োগৰ প্ৰতিবেদনৰ ওপৰত যি আলোচনা হৈছে সেই আলোচনাত অংশ গ্ৰহণ কৰি মই দুষাৰমান কথা কবলৈ ওলাইছো। উপাধ্যক্ষ মহোদয়, বৰ্ত্তমান বাঢ়ি অহা বয় বস্তুৰ দামৰ পৰিপেক্ষিতত আমাৰ ৰাজ্যখনৰ যি সকল চাকৰিয়াল আছে সেই সকলৰ দৰ্মহা বঢ়াব লাগে বুলি আমি সকলোৱে একে মুখে স্বীকাৰ কৰো। লগতে আমি এইটোও চিন্তা কৰিব লাগিব যে দৰ্মহা ক'ৰ পৰা দিয়া হয়। আৰু ক'ৰ পৰা দৰ্মহাৰ ধন সংগ্ৰহ কৰা হয়। এক কথাত কবলৈ গলে প্ৰভু বা মাষ্টাৰ কোন? যি সকল গৰীব জনসাধাৰণ, যি সকল বাইজে অতি কষ্ট কৰি জীৱন ধাৰণ কৰি আমাক কৰ যোগাই আছে, আৰু সেই কৰৰ ওপৰত নিৰ্ভৰ কৰি আমি আমাৰ চাকৰিয়াল সকলক দৰ্মহা দি আছো সেই সকলৰ কাৰণেও আমি কিছু কৰা কৰ্ত্তব্য। আমাৰ মাননীয় সদস্য বহুকেইজনে কৈছে এই দৰ্মহা আয়োগৰ প্ৰতিবেদনৰ ওপৰত নিৰ্ভৰ কৰি দৰ্মহা বঢ়াই দিবলৈ হলে আমাৰ আৰু বহুকোটি টকা লাগিব। আমি জানো আমাৰ যিটো ৰাজহুৱা আয় সেই আয় চাকৰিয়াল সকলক দৰ্মহা দিওতেই শেষ হৈ যায়। কিন্তু আমি যদিও বহুকোটি টকা দৰ্মহা বঢ়াই দিয়াৰ কাৰণে দিবলগীয়া হৈছো তেতিয়াহলে আমি নতুনকৈ কৰা ব্যৱস্থা কৰিব লাগিব। তথাপি আমি দৰ্মহা বঢ়াই দিয়াৰ বিৰোদ্ধাচৰণ নকৰো। লগতে মই মুখ্যমন্ত্ৰীক অনুৰোধ কৰিব বিচাৰিছো যি সকল গৰীব জনসাধাৰণৰ পৰা আমি কৰৰ ব্যৱস্থা কৰো ৬ষ্ঠ বিত্তীয় আয়োগৰ আগত সেই সকল লোকেৰ যিটো পৰিস্থিতি, সেই পৰিস্থিতি ডাঙি ধৰিবৰ কাৰণে আমাৰ যি খিনি কৰণীয় কৰ্ত্তব্য সেইখিনি কৰিবলৈ আহ্বান জনাও। উদাহৰণ স্বৰূপে মই কব বিচাৰিছো যে আমাৰ ৰাজ্যত বিদেশী মুদ্ৰা অৰ্জ্জন কৰা এটা বস্তু হৈছে মৰাপাট। আৰু

এই মৰাপাট আমাৰ দেশৰ লাখ লাখ খেতিয়কে তেওঁলোকৰ শৰীৰৰ শেষ টোপা ৰক্ত পেলাই এই মৰাপাটৰ খেতি কৰে। কিন্তু বাস্তৱ ক্ষেত্ৰত এই খেতিয়ক সকলে মৰাপাট পচাবৰ কাৰণে, পানীৰ অভাৱ হোৱাৰ কাৰণে বহু দূৰলৈ লৈ যাবলগীয়া হয় তাৰ ফলত খৰচ বেচি হয়। উপাধ্যক্ষ মহোদয়, আপুনি শুনি আচৰিত হব আজি মৰাপাটৰ এক মোনৰ দাম ২৫ টকা হৈছে। কিন্তু এক মোন মৰাপাট উৎপান কৰিবলৈ হলে ৪৫ টকা খৰচ পৰে। অথচ মৰাপাটৰ খেতিয়ক সকলে মৰাপাট বেচে মোনে ২৫ টকা দৰত খুব বেচি ৩০ টকা দৰত। যদিও তেখেত সকলৰ কথা আমি কৈ আছো তেখেত সকলে সু সংগঠিত ভাবে তেওঁলোকৰ কথা বিলাক চৰকাৰৰ ওচৰত প্লেচ কৰিব পৰা নাই সেই কাৰণেই চৰকাৰেও তেখেত সকলৰ সমস্যাৰ প্ৰতি মনোযোগ দিব পৰা নাই। মই মুখ্য মন্ত্ৰীক অনুৰোধ কৰো যাতে মৰাপাটৰ মূল্যৰ নিৰিখ ঠিক কৰি দিয়ে। নহলে খেতিয়ক সকলে বছৰি বছৰি এই দৰে লোকচান ভৰি থাকিলে খেতিয়ক সকলে অৱশেষত হয়তো মৰাপাটৰ খেতি কৰিবলৈ কমাই দিব আৰু তেতিয়া আমি বৈদেশীক মুদ্ৰা অৰ্জণ কৰিব নোৱাৰিম।

উপাধ্যক্ষ মহোদয়, আমাৰ দৰ্মহা আয়োগৰ যিটো ৰিপৰ্ট সেই ৰিপৰ্ট এক কথাত কবলৈ হলে চোগাৰ কোটেদ কুইনাইন হৈছে। ইয়াত সকলো বিলাক কথাই ষ্টাদি কৰি আলোচনা কৰা হৈছে। স্বাস্থ্যৰ ফালৰ পৰাও মানুহৰ জীৱন চলাই থাকিবলৈ কিমান কেল'ৰিক খাদ্য প্ৰান লাগে সেই বিলাকো আলোচনা কৰিছে। কিন্তু যি সকলক আচলতে লাগে সেই সকলক দৰ্মহা বঢ়াই দিয়া হোৱা নাই। এই প্ৰতিবেদনত কোৱা হৈছে যে এজন সাধাৰণ ভাবে কাম কৰা মানুহক দিনে ২৪০০ কেল'ৰি খাদ্য লাগে।

এই প্ৰতিবেদনত কোৱা হৈছে যে এজন সাধাৰণ কৰ্ম্মচাৰীৰ কাৰণে যিমানখিনি পৰিমান কেল'ৰিক ভেলুৰ খাদ্য লাগে সেই পৰিমাণৰ খাদ্য যোগান ধৰিবলৈ হলে এজন মানুহক কমেও ১১০ টকা কৈ প্ৰয়োজন হব কিন্তু সেই টকাৰে সেই পৰিমাণৰ মূল্য খাদ্য দ্ৰব্যৰ কেতিয়াও পাব নোৱাৰে। ঠিক তেনেকৈয়ে ৩/৪ টা পৰিয়াল থকা এক পৰিয়াল পৰিকল্পিত পৰিয়ালৰ বাবে অতি কমেও ৩৩০ বা ৩৪০ টকা কিন্তু সেই ক্ষেত্ৰত কিমান টকা

দিয়া হৈছে, মাত্র ১৮০ টকা আৰু আনহাতেদি ওপৰৰ বা উচ্চ পদস্থ কৰ্মচাৰীৰ কাৰণে ২১ শ টকালৈ বঢ়োৱা হৈছে, অৱশ্যে এইটোও যে খুব বেচি হৈছে সেইটো নহয় কিয়নো আয়কৰ হিচাবে ধাৰ্য্য কৰি তেওঁলোকৰ পৰা বহুখিনি টকা আদায় কৰা হয়। গতিকে ৰাজ্যখনৰ আৰ্থিক অৱস্থাৰ লগত চাৰিওফালৰে পূৰা কিয় মিল খুৱাই হে এই বিষয়টো চাব লাগিব। বৰ্ত্তমান ক্ষেত্ৰত ওপৰৰ ফালে যি হিচাবে দৰ্ম্মহাৰ নিৰীখ বঢ়োৱা হৈছে সেই মতে এতিয়া যিমান কৰা হৈছে তাতকৈ বেচি কৰাতো আমি কোনো মতেই বেচি বা নকৰো।

আনহাতেদি আমাৰ ভূমিনীতিৰ, টিনেক্ষি এক্টৰ ফলত ২/৪ বিঘা মাটি থাকিলেও সেই মাটিত খেতি কৰাৰ সম্ভাৱনা নোহোৱাৰ কাৰণে তেওঁলোকৰ হাতৰ পৰা সেই মাটিখিনিও গুচি যাব। সেই দিশৰ পৰা চিন্তা কৰিলে তেওঁলোকৰ দৰ্ম্মহা বঢ়াব লগীয়া আছে। সদৌ শেষত বিত্তমন্ত্ৰী মহোদয়ে এই দৰ্ম্মহা আয়োগে যি প্ৰতিবেদন দাখিল কৰিলে এই প্ৰতিবেদন খনত,

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :—বিত্তীয় আয়োগ নহয়।

ডাক্তৰ সুৰেণ দাস :—বিত্তীয় আয়োগ নহয়,দৰ্ম্মহা আয়োগৰ ওপৰত যদি ভিত্তি কৰি কৰ্ম্মচাৰী সকলৰ দৰ্ম্মহা নিদ্ধাৰণ কৰা হয় তেনে ক্ষেত্ৰত তলৰ থাপৰ কৰ্ম্মচাৰী সকল লাভবান নহব। ওপৰৰ ফালে যিদৰে বঢ়াই দিয়া হৈছে সেইটো সীমিত কৰি তলৰ থাপৰ চাকৰিয়াল সকলৰ বঢ়াই দিবৰ কাৰণে অনুৰোধ জনাই মই সামৰিলো।

Shrimati Renuka Devi Barkataki :—Mr. Deputy Speaker, Sir, in participating in the discussion of the first report of the Assam Pay Commission which has been submitted to the Chief Minister and which the Chief Minister has placed in the House, I would like to make a few observations. Sis, it is pity for us,—the members of the Opposition who have got no connection, in any way, with the Govt. employees, we are the biggest advocates of the Government employees to whom justice

has been denied by the Government. It is really pity that Government which talks of socialism, has denied justice to their own people with whom they are having their administrative machinery and with whome they talk of giving justice to the people and bring socialism. It is mere a talk. Because, Sir, I happen to be the President of the largest Government employees Union viz: All Assam Miniterial Officer's Association it is pairful for me to see un-sympathetic attitude shown to these employees by the Government. Sir, it is reatly a pity and if the Government is run with a group of people who have no means to arrange two square meal a day, with a group of people who have no means to arrange a shelter over their heads, with a group of people who have no means to arrange some cloth for their family to live a decent living is the socity, in how this Government will be able to give justice to the people. This Government can be called a utopian one. If the Government feels that they cnnnot do anything to the Government as a part of the machine they cannot touch the administration then I will say that last 3-day strike by the All Assam Ministerial Officers Association should be an eye opener to the Chief Minister, when due to that strike the whole administration came to a stand still. All districts administration collapsed with the Ministerial Officer's strike which was only for 3 days. Even then promise was given by the Chief Minister that they will try their level best to medress their grievances, but up till now Government has not done anything. It is of course a fact that Government have instituted commissions one after Pay Committee, one man committee and like this. It is also a fact that Government felt that the salary given to Government employees is not sufficient. It is nothing but Government's lip sympathy that Government will consider their level best for the employees when

the report of thc Pay Commission appointed by the Government is received. Sir, the Commission was appointed with a retired person and my friend Shri Nagen Barua said that the Commission was appointed with a person who has no love for the Government employees. Why a retired person should be there ? He was a judge and the Vigilance Commissioner in Assam. His only interest was to prolong the life of the Commission in order to prolong his active life with emoluments. Of course, in the Pay Commission there were educationits including the leader of our Group in the House as member. But it does not debar me from saying that they have failed to give justice to the employees. Sir, the Chief Minister could not submit the budget before 31st March. Why ? Because, he was waiting for the Commission to report as it would have financial implication and the Government thought it to be included in the budget. The budget did not come in time and an adthoc arrangement had to be made up to 30th June. Sir, in this gruelling heat we are working because of that reason. We could not get the budget because the Pay Commission did not submit their report in time, Why ? Because the Chief Secretary and the Finance Secretary who are members of the Commission did not have time to attend the Commission's sittings. They did not have time to submit relevant information to the Commission. That is why the Pay Commission could not submit their report in time. It is really a pity that after submission of the report all sections of the Government employees from top to bottom, all grades of Government employees expressed their dissatisfaction. Not only dissatisfaction, they have threatened why the Government has accepted this report ? Sir, many reports of many commissions are said to be put in the cold storage ; many of them could not see the light of the day, but the Government was active to accept the report of the Pay

Commission immediately after it was received. I am really proud of the Congress man, my colleague Shri Deben Bora who had the courage to say that it is a farcical report.

I am really proud of this type of Congressman who has the courage to say a spade a spade, that they have denied justice to the low-paid Government employees. The State Govenment accepted the Pay Commission's report in such a hurry that we were taken by surprise. We know that this Government is the prisoner of indecision and it has not been able to take any firm decision on any matter. But so far as this Pay Commission's report is concerned, within one night, in one sitting the Cabinet accepted it—I do not know whether all the Members of the Cabinet want through this report or not.

Sir, I am sorry, it is very difficult for me to say a good word even about the Government's handling of the problems and demands of its own employees. Everyone knows that the Government employees who draw fixed salaries are particularly vulnerable to the problems created by spiralling price rises and the erosion of the value of the rupee but even then this Government did not think about them. Sir, the minimum salary given to a Government wervant was Rs. 80/- and the Commission has recommended, Rs,180/- I would like to ask the Chief Minister whether he has calculated what is the existing remuneration of a Grade IV employee ; it is about Rs. 180/- with all allowances. Therefore, the Pay Commission has given nothing to them, The Commission has told us about some theories which are out-dated. Sir, I am not at all surprised, because there is nothing to be surprised when the Pay Commission mentioned about the Market

all surprised because the Commission has been constituted with an out dated Chairman who has long retired and therefore he took report to these out-dated theories. i.e. an out-dated Chairman of an out dated Commission took report to out dated theory. But it is a pity that the Government is depending on that Commission that it will redress the grievances of the Government employees, Sir, before going to the actual report I would like to say that not only with regard to pay of the Government employees this Government has failed to take a decision in the matter of fixation of grades, confirmation, seniority, pension, retirement benefit etc., which are hanging fire for a long time but the Govt. has not taken any decision. Sir, the Chief Minister, after taking the responsibility of the office said, when a group of old pensioners met him, to the pensioners as also to the Press that if a gentleman retires at the age of 55 or 58 then within six months of his retirement he will arrange for his pension. Not to speak of the older cases, even the person who retired $1\frac{1}{2}$ years ago, when the Chief Minister took charge of the Office his pension papers have not yet moved from one table to the other uptill now.

Sir, the Commission expresses its inability to go into all the details mainly because the Government Departments have not yet furnished the required information and data and also due to frequent changes in the incumbency of the Secretary of the Commission. I have already said that the Chief Secretary and the Financial Commissioner, most of the time they remained absent which became a chronic disease with this Commission.

While enunciating the principle of pay determination, the Commission have referred to three broad principles, e. g., (1) equal pay for equal work, (2) principle of mar-

ket value, and (3) the principle of model employer. It is strange and agonising to note that the State Pay Commission which recommended salary structure in the 26th year of our republic have forgotten the norms and principles of minimum salary as per forms laid down by the Fifteenth Indian Labour Commission.

The Commission while discussing the above three principles in their recommendations have come up with some irrelevant arguments. Dealing with the principle of market value the Commission have quoted from the recommendations of Rovland Committee on Public Service in India (1912-15) Presided over by Lord Blington. The recommendations are out-dated as they were devised to serve the cause of the colonial rule. But this Pay Commission have stuck to those recommendations. The principle is such that unless it is devised in a country of full employment, it cannot but be said that the weakness of the Indian masses and for that matter Govt. servants was not known to Lord Blington.

Sir, in discussing the chapter of economic background and financial resources, the Commission has shown some figures and analysed data which obviously means that the Commission instead of going deep into the cause have argued the Government case in their report. Sir, after going through the report I feel that this Pay Commission has looked after the interest of the State Government and they have not looked after the interest of the Govt. employees. The commission has betrayed the interest of the emplayees. The present day position of the Government is mainly due to the defective policy maintained by the Government since a long back.

While fixing the minimum salary the Commission

appears to have rejected the principles and norms of the Fifteenth Indian Labour Commission, 1957, but have preferred to some other theories including dietary charts. It is not known why the Commission did not favour the recommendation of XVth ILC. The Commission rejecting Dr. Akroyds theory preferred to latest expert view of Dr. C. Gopalan, and S. S. Norsing Rao. According to their theory, the cost of balance diet at 1972 price comes to Rs. 183.47 P. But the Commission while fixing the minimnm salary have preferred to depend upon the survey report of National Sample Survey on the basis of which the cost of actual diet comes to Rs. 111.11 paise. This deviation is not understood at all. Although the Commission have agreed to improve the dietary chart a little more nutritional items like fruits etc. still the cost of locally adjusted improved died as shown by the Commission has no basis at all. The requirement and the price as shown in the chart is unbelievable.

The Commission have recommended the minimum salary of Rs. 180l- with the following components :—

Food— Rs. 117.26 P.

Sir, even a layman can tell us whether it is possible for five persons to live one month with Rs. 117.26 P.

For clothing they have given Rs. 11.82 Paise. On the other hand, the Commission has recommended 72 yards of cloth that will be required for a family and I do not believe that even 72 yards of cloth will be available at Rs. 11.82 P X 12 and I do not think that this Government will be able to provide the low paid Government employees the cheap variety of cloth with this amount of money.

Regarding Housing, it is very ridiculous. Rs. 14.50

Paise has been fixed as housing expenses or house rent for the Government employees. Sir, here in Gauhati even a room 10´× 10´ i.e. 100 sq ft. costs 150 rupees and the minmum requirement of a Government employee with his family will be a room plus a small kitchen and a bath room. If Mr. Sinha, our Chief Minister says that this is the real example of socialism that a low paid Government employee should remain in one room with a small kitchen and a community bathroom and latrine, I have nothing to say, and if even that he can provide them with Rs. 14-50 P, I have nothing to say; I am going to accept this report in to as the Assam Cabinet has accepted.

For miscellaneous expenditure also they have fixed Rs. 35.89 P. and this miscellaneous expenditure include, as the Hon'ble member Mr. Khouud has said yesterday, medicine, education, transport and what not. Sir, is it really possible for a government servant to run his family with this amount? What is the result? A man cannot live with empty stomach. He is a government employee. People come to him for various things and there is the allurement there is the temptation and ultimately these people will be forced to take to corruption. When a man has to live in hunger, finds his family member starving then he takes to corruption. Therefore, it is the government whose responsibility it is to look to their welfare are responsible to make them indulged in corruption by not giving the due share i. e., the need based wage and other facilities to the government servants.

Mr. Speaker, Sir, I won't take much time but the only thing I want to say is this that unless this Pay Commission raise the salary of these employees on the basis of national per capita income, it is no use giving

them some salary today, then raising it the next day and again raising it. If we want a national, simplified pay structure it should be based on the national per capita income also. It is a very relevant thing. Even the Central Pay Commissions both 2nd and 3rd have accepted this theory. The Pay Commission has mentioned, "That the per capita income is a relevant factor in the determining of salaries of Government Employees has been accepted by the Second Central Pay Commission as well as the Supreme Court in the Reserve Bank employees case. The National Labour Commission observed that per capita income should be a check against unsound pay increase. The Third Central Pay Commission in its interim report opined that the minimum remuneration of Government servants could not be treated in isolation and that changes in per capita national income were relevant".

Sir, on the one hand we are depriving the Government employees from the minimum salaries or minimum requirements of the life and on the other hand the Government have failed to check the spiralling of price of essential commodities. Even then if this Government feeles that with these disgruntled Government servants will be able to manage the administrative machinery, I am giving a word of caution that this Goverment will totally fail. It will face with complete failure and Mr. Slnha's cabinet will find itself in quandary. Mr. Sinha should be able to see the writings in the wall and proceed accordingly. Sir, the other part of the Report is coming out very soon, by the month of July and I recommend that the Government should not accept the first part of the recommendations. It should be kept in abeyance and the second part, when it is submitted, both together should be reviewed; not only reviewed, some experts should be appointed to find out on which

basis the need-based wage should be fixed. I would also request you and urge upon you to use your good office for the good of the State and for the good of the employees, to see, that this report may not be accepted rather the Government should reject it. If review is not possible then another Pay Commission with experts and with persons of active and progrisave brain should be appointed as early as possible.

Thank you, Sir.

শ্ৰীসোণেশ্বৰ বৰা :—মাননীয় অধ্যক্ষ মহোদয়, দৰ্মহা আয়োগৰ প্ৰতিবেদন সম্পৰ্কত মই এইখন প্ৰতিবেদন পুণৰ বিবেচনাৰ কাৰণে আহ্বান জনাইছো। বৰ্তমান সময়ত আমাৰ ৰাজ্যখনত প্ৰায় ১ লাখ মানুহ চৰকাৰী কৰ্ম্মচাৰী আৰু বাকী প্ৰায় ১ কোটি ৪৯ হেজাৰ মানুহ চাকৰিয়াল নহয়। তেওঁলোক হয় খেতিয়ক নহয় বনুৱা নহয় ব্যৱসায় বাণিজ্যত থকা মানুহ কিছুমান কৰ্মহীন মানুহ। এই দৰ্ম্মহা আয়োগৰ প্ৰতিবেদনত বস্তু বাহানিৰ পৰা আৰম্ভ কৰি খাদ্য বস্তু যোগান বিতৰণ আদিলৈকে, কৰ্ম্মচাৰী সকলৰ ঘৰ দুৱাৰ আজিলৈকে কিছু কথা বিবেচনা কৰিলে সমাজবাদৰ অৰ্থনীতিত দৰ্ম্মহাৰ ভেটি ওপৰৰ পৰা কাটি আনি ১:১০ অনুপাতত আৰম্ভ কৰিব লাগে বুলি মই মাজে মাজে কৈছো। মই এজন সমাজবাদী হিচাবে ১:১০ অনুপাতত দৰ্ম্মহা ভেটি আৰম্ভ কৰি তাৰ বেচিখিনি কমাই আনি এটা নিৰ্দ্দিষ্ট সময়ত সমতা ভিত্তিত দৰ্ম্মহাৰ নিৰিখ বঢ়াব লাগে বুলি কৈছো। লগতে আৰু পৰিস্কাৰ কথা কৈছো যে খৰচৰ সমতাৰ দিশ বান্ধি দিব লাগে যাতে অতিৰিক্ত খৰচ মানুহে কৰিব নোৱাৰে। যাৰ কাৰণে মানুহৰ দুৰ্নীতি ৰোধ কৰিব পৰা যাব। এই আয়োগৰ প্ৰতিবেদনত বৰ্তমান অৱস্থাত যি অনুপাতেৰে যি ব্যৱস্থাৰে দৰ্ম্মহা দি আছে সেই দৰ্ম্মহা হিচাবে পোৱা ধনৰ ওপৰিও আমি কিছুমান কৰ্ম্মচাৰীৰ কাৰণে ৰাষ্ট্ৰীয় দায়িত্বত চৰকাৰী দায়িত্বত খৰচ কৰো। আমাৰ দেশৰ ৰাষ্ট্ৰপতিৰ পৰা আৰম্ভ কৰি প্ৰধান মন্ত্ৰীৰ পৰা আৰম্ভ কৰি ৰাজ্যপাল, মুখ্যমন্ত্ৰীলৈ পিয়াচা প্ৰাচিলৈ আমি টকা খৰচ কৰাৰ হিচাব চাও, আমাৰ দেশত

বৰ্তমান বা ৰাষ্ট্ৰপতিৰ কাৰণে আমি ৰোধ হয় দিনে ৩০ হেজাৰ টকা খৰচ কৰো। ডাক্তৰ ৰাম মনোহৰ লুহিয়াই এম, পি হৈ থাকোতে ভাৰতৰ পাৰ্লিয়ামেণ্টত মজিয়াত পণ্ডিত জৱাহৰলাল নেহৰু প্ৰধানমন্ত্ৰী হৈ থকা কালত তেখেতৰ দিনে কিমান খৰচ হৈছিল তাক দেখুৱাইছিল। সেই সময়ত প্ৰধান মন্ত্ৰীয়ে দিনে ২৫ হেজাৰ টকা খৰচ কৰিছিল। অসমৰ ৰাজ্যপালৰ কাৰণেও দিনে প্ৰায় ১০-১২ হেজাৰ টকা আমাৰ চৰকাৰে কেইটাই খৰচ কৰো। সেই হিচাবে আমাৰ মুখ্য মন্ত্ৰীৰ কাৰণেও দিনে ডেৰ হাজাৰ টকা খৰচ কৰো। এই খিনি কথা প্ৰতিবেদনত আহিলে তেতিয়া আমি আয়োগে সমাজবাদৰ কথা চিন্তা কৰিছে বুলি ভাবিলো হেতেন।

সচা কথা, দুৰ্য্যোধনৰ ৰাজসভাত ভীষ্ম পিতামহেও কৈছিল, দ্ৰৌপদীক বিবস্ত্ৰ কৰোতে দুঃশাসনে কৃপাচাৰ্য্য, দ্ৰোনাচাৰ্য্য আৰু ভীষ্মই নিৰবে চাই আছিল তেতিয়া পিতামহে এটা কথা কৈছিল যে যিহেতুকে মই দুৰ্য্যেধন ৰজাৰ অন্ন গ্ৰহণ কৰি আছো দ্ৰোপদীক বিবস্ত্ৰ কৰিলেও মোৰ মাত মাতিবৰ কোনো অধিকাৰ নাই। এই ধৰণে যদি আজি দৰ্ম্মহা আয়োগে ভাবিছে তেতিয়া অৱশ্যে বেলেগ কথা বা চৰকাৰে যদি তেনে নিৰ্দ্দেশ, পৰামৰ্শ আৰু ব্যৱস্থা দিছে যে এই ধৰণৰ প্ৰতিবেদন এখন দাখিল কৰিব লাগে যিখন প্ৰতিবেদন যি সকল কৰ্ম্মচাৰীৰ দৰ্ম্মহাৰ দাবী কৰিছে বা যিসকল কৰ্ম্মচাৰীৰ কাৰণে ৰাজনৈতিক পুৰুষ সকলে দাবী কৰিছে সেই সকলক সন্তোষ নিয়াবৰ কাৰণে বা সেই সকলৰ আন্দোলন বন্ধ কৰিবৰ কাৰণে যদি প্ৰতিবেদন দাখিল কৰিছে তেনেহলে প্ৰতিবেদনখন ঠিকেই দাখিল কৰিছে। কিন্তু আচলতে কোনো কথাটো সেইটো ? আমাক এনেকুৱা এখন প্ৰতিবেদন লাগে আমাৰ দেশত যিখিনি সম্পদ আছে আৰু যিখিনি মানুহ আছে সেইখিনি মানুহে খাই বৈ জীয়াই ৰাখিবলে সমতাৰ ভিত্তিত যাতে দৰ্ম্মহা দিব পৰা যায় আৰু উৎপাদনৰ ৰক্ষণা আৰু বিতৰণ আদিৰ স্থিৰ দিহা পৰামৰ্শ এই প্ৰতিবেদনত দিয়াৰ দৰকাৰ আছিল। এই ক্ষেত্ৰত এই আয়োগ বিফল হৈছে আৰু ব্যৰ্থ হৈছে। আজি আমাৰ অসমত প্ৰায় ৯৪ হাজাৰ কৰ্ম্মচাৰী আছে। এই সকলৰ ভিতৰত আটাইতকৈ তলৰ খাপৰ কৰ্ম্মচাৰী সকলৰ ১৮০ টকাৰ পৰা ২৫০ টকালৈ দৰ্ম্মহা বন্ধা

হৈছে আৰু ওপৰৰ কৰ্ম্মচাৰীৰ কাৰণে ১৮০০ ৰ পৰা ২১০০ লৈকে ৰাখিছে। ২১০০ পোৱা কৰ্ম্মচাৰী যদি ১০ জন হয় তেনেহলে ১০ জনে মাহত পাব ২১ হাজাৰ আৰু বাকী ১৮০ টকাকে পোৱা কৰ্ম্মচাৰীৰ সংখ্যা যদি ৯০ জন ধৰো তেনেহলে তেওঁলোকে পাব ১৬ হাজাৰ ২০০ টকা। বাকী ৯০ জনৰ যদি সৰ্ব্বোচ্চ দৰ্ম্মহা ধৰো তেনেহলে ২৫০ টকাকে ২২ হাজাৰ ৫০০ টকা পাব। অৰ্থাৎ ৯০ জনে যিটো টকা পাব বাকী ১০ জনেও সিমানেই পাব। গতিকে এই ৯০ জনে আমাৰ বৈজ্ঞানিক ভিত্তিত যি পৰিয়াল পৰিকল্পনাৰ কথা কৈছে সেইমতে ৯০ জনৰ ৫ জনকৈ পৰিয়াল হলে ৪৫০ জন মানুহ হব আৰু বাকী ১০ জনৰ ৫০ হব। গতিকে ৫০ জনেও ২১ হাজাৰ ভোগ কৰিব আৰু ৪৫০ জনেও ২২ হাজাৰ ৫০০ টকা ভোগ কৰিব। যদি সেইটোৱেই হয় তেনেহলে এই প্ৰতিবেদনে অৰ্থনৈতিক বা সমাজবাদৰ কাষ চাপিবনোৱাৰে বা দুৰাৰদলিত ভৰি দিব পাৰিছেনে কোনো-বাই চিন্তা কৰি চাইছে নে সমাজবাদৰ গোন্ধ ইয়াত আছে নে? যদি বক্তৃতাই সমাজবাদৰ দিশ হৈছে কাৰ্য্যতঃ তাক পালন কৰাৰ চেষ্টা কৰিছেনে? আচলতে নাই কৰা। গতিকে অধ্যক্ষ মহোদয়, যদিও দেখাত ১৮০ পৰা ১৮০০ টো ১০ অনুপাতত পৰে বুলি হিচাব কৰিছে কিন্তু গোটেই মানুহ-খিনিৰ ১০ অনুপাতে ৯০ হয়। আনহাতে শতকৰা ১০ অনুপাতত দৰ্ম্মহা পোৱা উচ্চ কৰ্ম্মচাৰী সকলে তেওঁলোকৰ দৰ্ম্মহাৰ ওপৰিও ভাল ঘৰদুৱাৰ পায়, মটৰ গাড়ী পায় চিপাহী চন্তৰী, মালী, মেটৰ, জমাদাৰ এই সকলো পায়। কিন্তু নিম্নতম কৰ্ম্মচাৰী সকলে কি পায়— এটা কুকুৰা বা টোকোৰা চৰাইৰ দৰে ৪ ফুটৰ পৰা ৬ ফুটৰ এটা ঘৰো নাপায়। গতিকে আজি বৈষম্য বিহীন হওক চাৰি ব্যৱধান আৰু বেছি পৰিলক্ষিত হৈছে। অৱশ্যে দৰ্ম্মহাৰ প্ৰতিবেদন সদনত আলোচনা কৰিবলৈ আহোতে আমাক কিছু-মানে কৈছে—

“খেদিলে শিয়ালৰ পাৰ কি ?
পালে বা শিয়ালৰ খাব কি ?
খালে বা শিয়ালৰ স্বাদ কি ?
আজি আমাৰ একো নাই, আমি কৈ একো কৰিব নোৱাৰো ॥

যি সকলে কৰিব পাৰিলেহেতেন তেওঁলোকে এই পদ্ধতি বা কথাযাৰ ভৱা

নাই। গতিকে আজি আমাৰ সৰ্ব্বসাধাৰণ ৰাইজে বা নিম্নবেতনভোগী ৰাইজ জুৰুলা হৈ যাব তেওঁলোকক উদ্ধাৰ কৰাব কোনো উপায় নাই। এই দৰ্মহা দিবলৈ যাওতে কৰকাটল লগাব আৰু সেই কৰকাটল সৰ্ব্ব-সাধাৰণ সকলো ৰাইজে ভৰিব লাগিব। আজি যি ৯৪ জন অনা কৰ্ম্মচাৰী বা খেতিয়ক বন্ধুৱা তেওঁলোকেও এই কৰৰ বোজা বহন কৰিব লাগিব। আনহাতে এই দৰ্ম্মহা আদায় দিবলৈ যাওঁতে বস্তুবিলাকৰ ওপৰত কৰ লগোৱা হৈছে আৰু এই কৰ দেখাত তাকৰ হলেও সেই কৰৰ বোজা উঠোৱাৰ সময়ত বস্তুৰ দাম বাঢ়ি যাব। ৰেলৰ বুকিঙত যদি খৰছ হয় ১০ অনা ইফালে বজাৰত সেই বস্তুৰ দাম ২·৫০ পইছালৈ বাঢ়িব মাইলত ৬·৭ পইছাকৈ কৰ বঢ়োৱাৰ উপক্ৰম কৰিছে। গতিকে এইবিলাকৰ পৰা কোনো ফৈদা নাই। মই বিধান সভাত অনেকবাৰ কৈছো যে দৰমহা বঢ়োৱা বা আন্দোলন কৰাটো সমৰ্থন নকৰো। কিন্তু কৰ্মচাৰী সকলে উপলব্ধি কৰিব লাগে সমাজবাদৰ আদৰ্শনীতি গ্ৰহণ কৰিবলৈ চেষ্টা কৰিব লাগে। যি সকল কৰ্মচাৰী যি যি পদত আছে সেই পদৰ দায়িত্ব বুজি যদি কাম কৰে কাৰো ক্ষেত্ৰতে দুনীৰ্তি নহয় তাৰ কথা চিন্তা কৰিব লাগে। অৱশ্যে চৰকাৰে এটা কথা কব যে উচ্চ পৰ্য্যায়ৰ কৰ্মচাৰী সক-লক দৰমহা বঢ়াই দিয়াৰ কাৰণে চৰকাৰৰ লাভ হব কাৰণ বেছি কৈ কৰ পাব। কিন্তু সৰু সৰু কৰ্মচাৰীৰ পৰা কৰ নাপায়। আনহাতে ডাঙৰ ডাঙৰ চাকৰিয়াল সকলক দৰমহা বঢ়াই দিয়াৰ কাৰণে বাকী নিম্নথাপৰ কৰ্মচাৰী সকলৰ বিপদ হব। গতিকে মই আশা কৰো নিম্নথাপৰ কৰ্ম-চাৰী সকলৰ দৰমহাৰ কথাটো চৰকাৰে আয়োগৰ যোগেদি হওক বা নিজেই হওক বিবেচনা কৰিব লাগে আৰু ৫০০ টকাৰ বেছি দৰমহা পোৱা লোক সকল আমাৰ থলুৱা লোক সকলৰ কাৰণে ৰিজাৰ্ভ ৰাখিব লাগে।

আমাৰ ৰাজ্যখনৰ যি কেইজন কৰ্মচাৰীয়ে সৰ্ব্বোচ্চ দৰমহা পায়, এলাৱেঞ্চ পায়, মটৰ গাড়ী পায় সেইসকলৰ বেচি ভাগেই অসমৰ বাহিৰৰ মানুহ। আমাৰ পৰিকল্পনাৰ ধন অসমৰ বাহিৰত ভোগ বিলাসত খৰচ হৈছে। এইটো হোৱাৰ পৰা আমাৰ পৰিকল্পনা ফেইল হৈ যাব, ইয়াক ৰোধ কৰিব নোৱাৰে। অসমৰ আজি সৰহ ভাগ পৰিকল্পনাৰ ধন দৰমহাৰ কাৰণত বা অন্যান্য কাৰণত বস্তু বাহানি আনিব লগা কাৰণতেই হওক,

অসমলৈ অহা বয়বস্তুৰ পৰিবহন খৰচৰ বেচিৰ কাৰণেই হওক যদি অসমৰ বাহিৰলৈ ওলাই যাব লগা হয় তেনেহলে আমাৰ স্বাৱলম্বী হোৱা কোনো ভবিষ্যত দিঠক পন্থা আমাৰ আগত নাই। এই খিনি কথা আমাৰ চৰকাৰে ভাবিব লাগিব। আমাৰ আজি কৰ্মচাৰী সকলক যি সকলে সংগঠন কৰে, যি সকল ৰাজনৈতিক নেতাই সংগঠন কৰে সেই সকলেও একেটা প্লেটফৰ্মত থিয় হবলৈ চেষ্টা কৰিব লাগে। বস্তুৰ দাম যদি কমাব পাৰি তেন্তে দৰমহা বঢ়োৱাৰ কোনো কাৰণ নাই। মই নিজে খেতি কৰি গাৱত হাল বাই উৎপন্ন কৰা খেতিৰ ধান চোতালত বাৰ অনাত বিক্ৰি কৰিছো। ১৯৪৬-৪৭ চনত সেই সময়ত এজন ডেকা লৰা হিচাবে এখন ধুতী ১০ পইচা গজত কিনিছিলো। আমি যদি সমগ্ৰ জনসাধাৰণ বস্তুৰ দাম কমাবৰ কাৰণে এখন প্লেটফৰ্মত থিয় হব পাৰো, একেটা দাবীত সমবেত হব পাৰো তেন্তে দৰমহা পদ্ধতিটো সমাজবাদী নীতিৰ বিৰোদ্ধে যাব তাৰ কোনো কাৰণ নাই। মানুহৰ দৰমহা বঢ়াবলৈ যোৱাটো আটাইৰে হাহিয়াতৰ, পুতৌৰ কথা হৈছে। চৰকাৰী ৰাজনৈতিক দলে কংগ্ৰেছ দলে আজি সভা সমিতি পাতিছে, দিবস পালন কৰিছে বস্তুৰ দাম কমাবৰ কাৰণে, দুৰ্নীতি কমাবৰ কাৰণে আন্দোলন কৰে। যাৰ হাতত ক্ষমতা আছে ৰাজদণ্ড আছে তেওঁলোকে বস্তুৰ দাম কমাবৰ কাৰণে আন্দোলন কৰে। এই আন্দোলন কাৰ ওপৰত কৰিব? এই আন্দোলন কৰিছে কেইজনমান ব্যৱসায়ীৰ ওপৰত। কেইজনমান ব্যৱসায়ীৰ দ্বাৰা চৰকাৰ চলিছে নেকি? ৰাজদণ্ড ব্যৱসায়ীৰ হাতত আছে নেকি? যি সকল মানুহে আজি প্ৰকৃত নেতৃত্ব লব লাগিছিল আচল ৰাজনীতি শিকাব লাগিছিল সেইসকল লোক অৰ্থাৎ শাসক দলে অকৰা ৰাইজে যাতে অৰ্থনীতি, সমাজবাদৰ দৰ্শন শিকিব নোৱাৰে তাৰ বাবে আন্দোলন পৰিচালনা কৰিছে। এই আন্দোলন পৰিচালনা কৰি এটা ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। এই শাসক দলে আজি দেশক জলা কলা ভোগাইছে। কোনোবাই যদি দূনীতিৰ বিৰোদ্ধে, ব্যৱসায়ীৰ বিৰোদ্ধে সভা সমিতি, শোভাযাত্ৰা কৰিব খুজিছে কৰক তেওক বাধা নিদিও। কিন্তু শাসক দলে ক্ষমতাৰ ৰাযজৰী নিজৰ হাতত লৈ আইন কানুন কৰি ৰাজদণ্ড হাতত লৈ তেওঁলোকে ব্যৱসায়ীৰ বিৰোদ্ধে আন্দোলন কৰাটো একেবাৰে শোভা নাপায়। আমাৰ জনসাধাৰণক এই বিলাক শিক্ষা দিবলৈ প্ৰচেষ্টা

কৰিছে। আজি শাসক দলে ভৰিৰ ভুল ডিঙিত পিন্ধিছে, হাতৰ কুঠাৰ ভৰিত মাৰিছে, এই বিলাক কথালৈ লক্ষ্য ৰখা উচিত। পৰৰ কান্ধত বন্দুক বাখি যেন গুলীয়াবলৈ নোখোজে। এই বিলাক কথা উপলব্ধি কৰিবলৈ চেষ্টা কৰক। মোৰ আৰু বিশেষ কব লগা নাই এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীৰামচন্দ্ৰ শৰ্ম্মা :—অধ্যক্ষ মহোদয়, দৰ্মহা আয়োগে যিটো প্ৰতিবেদন যোৱা চেপ্তেম্বৰ মাহতেই দাখিল কৰিব লাগিছিল সেইটো তেতিয়া নকৰি যোৱা জুন মাহত দাখিল কৰিছে। ইয়াতো কোনোমতে কৰ্ম্মচাৰী সকলৰ মাত্ৰ এটা তালিকাহে প্ৰস্তুত কৰা হৈছে। এই তালিকাত খাদ্যৰ কথাও উল্লেখ আছে। তাৰোপৰি এই তালিকাত ১৯৭১-৭২ চনৰ বজাৰ হিচাবত তালিকা প্ৰস্তুত কৰি এজন মানুহক ১ মাহত কি দিছে তাৰেহে হিচাব ডাঙি ধৰিছে। তেওঁলোকক মাহে ৰহৰ খাবলৈ দিছে ৫৪ পয়ছাৰ মগু খাবলৈ দিছে ০০৮ পয়ছাৰ, মচুৰ খাবলৈ দিছে ·৩৭ পয়ছাৰ, মিঠাতেল দিছে ১.৯৬ পয়ছা, মাছ-মাংসত দিছে ·৬৯ পয়ছা আৰু কল খাবলৈ দিছে মাত্ৰ ·২৪ পইছা। আলু আৰু পিয়াজ খাবলৈ দিছে ২·৩৫ পয়ছা আৰু কণী খাবলৈ দিছে ·৩২ পয়ছা। এজন মানুহে ১ মাহত এই খিনিকে খাই জীয়াই থাকিব পাৰিবনে ?

এই প্ৰতিবেদনটো দাখিল কৰাৰ আগতে তেখেতসকলে নিজৰ নিজৰ ঘৰত ৰখা চাকৰজনৰ দৈনিক হিচাব দিয়া হলে ভাল হলহেতেন। হয়তো চাকৰ জনক খুৱাই-বোৱাই ৩০/৪০ টকা মান দিছে নাইবা খোৱা-লোৱা বাবদ ১০০ টকামান কাটিছে, তেতিয়া হয়তো হিচাবটো ভালদৰে উলিয়াব পৰা গলহেতেন। এতিয়া এজনক মাত্ৰ ৩৬ টকা দিয়াব কথা উল্লেখ কৰিছে আৰু তাতেই কাপোৰ-কানি আদিৰ খৰছ সোমাই আছে। তাৰ পাছত এটা পৰিয়ালৰ ৪ জন মানুহৰ খৰছ ধৰোতে শাৰীৰ কথাও উল্লেখ আছে। এটা পৰিয়ালৰ চাৰিজন মানুহক ছোলা-ব্লাউজৰ বাবে ধৰি দিছে ৫ গজ কাপোৰ আৰু লৰা-ছোৱালীসহ পৰিয়ালৰ বাবে দিছে ২২ গজ। এইদৰে হিচাব কৰি বছেৰেকৰ গড় উলিয়াই দিছে। তাৰ ভিতৰত চাৰ্টিঙত ধৰিছে ৩.৬৪ পয়ছা আৰু শাৰীত ধৰিছে ১·৩৯ পয়ছা। তাৰ পাছত লংক্লথ কাপোৰ দিছে ৩০ গজ আৰু ২২ গজ। এইদৰে চাৰি জনৰ গড় হিচাব

কৰি মাত্র ৬ গজ কাপোৰ দিছে আৰু তাক ১২ ৰে হৰণ কৰিছে। কিন্তু এগৰাকী মহিলাকেই আজি কিমান কাপোৰ লাগে আৰু লৰা-ছোৱালীক কিমান কাপোৰ লাগে তাৰ হিচাব ভালদৰে দিয়া নাই। এতিয়া ইয়াত মাত্র এটা পৰিয়ালত মাক-বাপেক আৰু দুটা লৰা-ছোৱালীকহে ধৰিছে। যদি পৰিয়ালত ৫ জন মানুহ ধৰা হয় তেনেহলে ১০ গজ লাগিব। এতিয়া এগৰাকী মহিলাকে ধৰি মাক বাপেক আৰু ৪ টা লৰা-ছোৱালীৰ কাৰণে দিছে ধুতী ৫ গজ। আৰু ৪টা লৰা-ছোৱালীৰ কাৰণে দিছে ৬ গজ কাপোৰ। এই ৬ গজ কাপোৰেৰে তেওঁলোকে কি কৰিব ? পিন্ধিবতো নোৱাৰেই লেংটি মাৰিব লাগিব। ইয়াৰ দাম ধৰা হৈছে ৭ পইচাকৈ এই দৰে ধৰি ১১.৬৮ পইচাকৈ দিছে। তেওঁলোকে ইয়াকে লৈ থাকিব লাগিব। ইয়াৰ বাহিৰে তেওঁলোকৰ অন্য গত্যান্তৰ নাই। দৰ্মহা আয়োগে যেনে তেনে টানি টুনি এখন প্ৰতিবেদন দাখিল কৰিছে তাৰ দ্বাৰা বাপ মৰিলেও মৰক বা সাপ মৰিলেও মৰক। এতিয়া সৰ্বনিম্ন দৰ্মহা দিয়া হৈছে ১৮০ টকা। কিন্তু আমাৰ কেন্দ্ৰীয় চৰকাৰেও স্বীকাৰ কৰি লৈছে আৰু ভাৰতীয় বনুৱা আন্দোলনেও পৰামৰ্শ দিছে যে সৰ্বনিম্ন দৰ্মহা ২৫০ টকা হব লাগে। এফালে কৰিছে সৰ্বনিম্ন ১৮০ টকা আৰু আনফালে সৰ্বোচ্চ দিছে ২১ শ টকা। এই পাৰ্থক্যটো অনুপাত হিচাবে হল ৯.২। সিফালে যিটো দৰ্মহাৰ বৰ্দ্ধিত হাৰ দিছে সেইটো নিম্নবেতন ভোগী সকলকৈ উচ্চ পদস্থ কৰ্মচাৰী সকলৰ ৩০ গুণ বেচি। এই দৰ্মহা আয়োগে যি বিলাক বস্তুৰ দাম যি ধৰণেৰে ধৰি দৰ্মহাৰ নিৰিখ ধাৰ্য্য কৰিছিল সেই মতে কোনো বস্তুৰেই দাম স্থিৰ হৈ থকা নাই। মাছৰ কিলো ৫ টকাকৈ ধৰিছিল, মাংস ৫ টকাকৈ ধৰিছিল আক মিঠাতেল ৫ টকাকৈ ধৰিছিল। কিন্তু এতিয়া মাছৰ দাম হৈছে ১৫ টকা প্ৰতি কিলোত, মাংস ৭ টকা প্ৰতি কিলো আৰু মিঠাতেল প্ৰতি লিটাৰত ৬½ টকা। দৰ্মহা আয়োগ গঠন কৰি দিয়া এবছৰ হল। আৰু এক বছৰৰ ভিতৰতে ইমান বেচি ভাবে দাম বাঢ়ি গল। গতিকে চাওক যোৱা বছৰৰ দামৰ লগত এই বছৰৰ দাম নিমিলিল আৰু কালিলৈযে আৰু দাম বাঢ়ি নাযাব তাৰ কোনো মানে নাই। গতিকে শ্ৰীবৰা ডাঙৰীয়াই কোৱাৰ দৰে মযো কওঁ যে আমি চাকৰিয়ালসকলৰ দৰ্মহা বঢ়াই দি থাকিলেই নহব তাৰ লগে লগে বস্তুৰ দামো

নিয়ন্ত্ৰণ কৰিব পাৰিব লাগিব। ইবছৰৰ বস্তুৰ দাম সিবছৰৰ লগত নিমিলে, প্ৰতি বছৰে বস্তুৰ দাম বাঢ়ি গৈছে। গতিকে প্ৰতি বছৰে দৰ্মহা বঢ়াই যোৱাটো সম্ভৱপৰ নহয়। সেই কাৰণে চৰকাৰে বস্তুৰ দাম নিয়ন্ত্ৰণ কৰিবলৈ যত্ন কৰিব লাগে। গতিকে এই প্ৰতিবেদনখন পুনৰ বিবেচনা কৰিবৰ কাৰণে দৰ্মহা আয়োগৰ ওচৰলৈ পঠাই দিবলৈ মই চৰকাৰৰ ওচৰত দাবী জনাইছো। যাতে সৰ্বনিম্ন দৰ্মহা ২৫০ টকা হয় আৰু সৰ্বোচ্চ দৰ্মহা ১২।১৪ শ টকাৰ ভিতৰত হয়। তেতিয়াহলেহে প্ৰতিবেদন আমাৰ কাৰণে সমৰ্থন যোগ্য হব। ইয়াকে কৈ মই শেষ কৰিলো।

শ্ৰীকবিৰ চন্দ্ৰ ৰয় প্ৰধানী ঃ—মাননীয় অধ্যক্ষ মহোদয়, এই দৰ্মহা কমিটিৰ ৰিপৰ্ট সম্পৰ্কে মই দুষাৰ মান কথা কবলৈ আগবাঢ়িছো। জীৱন আৰু জীবিকা এই দুটা কথা ইটোৰ লগত সিটোৰ ওতঃপ্ৰাত ভাবে জৰিত আৰু জীৱনৰ মুল্য আৰু জীৱিকা এই দুটাৰ। তাৎপৰ্য্য আছে। মানুহ যদি কেৱল জীৱ হিচাবেই থাকিল হেতেন তেনেহলে কোনো কথা কবলগীয়া নাছিল। কিন্তু আজি মানুহৰ জীৱনলৈ ধাৰাবাহিক ভাবে পৰিৱৰ্ত্তন আহিছে। এই পৰিৱৰ্ত্তনত মানুহৰ জীৱনৰ যি বৈষম্য আজিৰ সমাজ বাদী সমাজত, এই বৈযম্যৰ স্থান নাই। আজিৰ সেই সমাজ বৈষম্যৰে ভৰা। যি বিলাক দুখীয়া মানুহ যাৰ সংখ্যা শতকৰা ৯০ ভাগৰো ওপৰ তেওঁলোকৰ অৰ্থনৈতিক অৱস্থা কোনো প্ৰকাৰে উন্নত হোৱা নাই আৰু আনহাতে এক শ্ৰেণী মানুহে দৰিদ্ৰতা কি এইটো উপলব্ধি কৰিব নোৱাৰা অৱস্থাত জীৱন যাপন কৰিছে। এই পটভুমিত স্বাধীনতাৰ ২৭ বছৰৰ পিচতো কংগ্ৰেছ চৰকাৰে দৰিদ্ৰ মোচনৰ কোনো কাম কৰিব পৰা নাই বৰং মুষ্টিমেয় এক শ্ৰেণী মানুহৰ কাৰণেই ব্যতিব্যস্ত হৈ পৰিছে। আনহাতে সমাজবাদী সমাজৰ নামত সমাজৰ বৈষম্য দুৰীকৰণৰ কাৰণে চৰকাৰে নানা ৰকমৰ আচনিৰ ব্যৱস্থা কৰিছে বুলি কৈছে কিন্তু কাৰ্য্যতঃ সেই বিলাক আমি দেখিবলৈ পোৱা নাই। এগৰাকী মাননীয় সদস্য ডাঃ সুৰেন দাস ডাঙৰীয়াই কৈ গৈছে যে চৰকাৰে বিবাট সংখ্যক মানুহৰ কাৰণে ভবা নাই। কেৱল এটা শ্ৰেণীৰ মানুহৰ যি বিলাক চৰকাৰী কৰ্মচাৰী তেওঁলোকৰ কথাই ভাবিছে যদিও তেওঁলোকৰ সমস্যা এই প্ৰতিবেদনে সমাধান কৰিব পৰা নাই। গতিকে এই দুই ফালৰ পৰাই চৰকাৰ বিফল

হৈছে আৰু তেওঁলোকে গাদীত বহি থকাৰ কোনো হেতু নাই। আজি দেশত গাওঁ ভুইত কি হৈছে? মৰাপাটৰ খেতিয়ক সকলে বহু কষ্টে খেতি কৰিছে আৰু সেই মৰাপাট খেতিৰ আধা বানপানীয়ে নষ্ট কৰিছে আৰু অৱশিষ্ট যি আছে সেই বিলাক কম দামত বিক্রী কৰিব লগীয়া হৈছে আৰু উৎপাদন খৰচতকৈ বহুত কম দামত মোনে ২৫ টকা দামত বিক্রী কৰিব লগীয়া হৈছে। আৰু ইয়াৰ ফলত এই দুখীয়া খেতিয়ক বিলাক বিশেষ ভাবে ক্ষতিগ্রস্ত হৈছে। আৰু যিখিনি বাকী আছে তাৰো বজাৰ পৰিছে ২৫ টকা। আজি কোন জন ৰাজনৈতিক নেতাই বা চৰকাৰে তেওঁ-লোকৰ কিমান ক্ষতি হল এই কথা ভাবি চাইছেনে? মই কওঁ নাই চোৱা। হঠাতে বানপানী অহাৰ লগে লগে আজি লাখ লাখ খেতিয়কৰ কিমান দুৰ্গতি হল সেই কথা বহল আকাৰে খবৰ কাগজত ওলোৱা নাই। গাওঁ ভূঁইত ব্যৱসায়ীয়ে কুৰি টকা পঁচিশ টকাত মৰাপাট কিনা মই নিজে দেখিছো। যিসকল খেতিয়কে নানান দুৰ্দশাৰ মাজেদি খেতিকৰি জাতীয় ধন উপাৰ্জন কৰি আছে, যাৰ দ্বাৰা আজি ফৰেইন একচেইঞ্জ আহি আছে সেই লাখ লাখ কোটি কোটি খেতিয়কৰ ফালে চৰকাৰে কোনো দৃষ্টি দিয়া নাই। কি পৰিবেশ আৰু পাৰিপাৰ্শ্বিকতাৰ মাজত চৰকাৰে কৰ্মচাৰী সকলক কি হাৰত বেতন দিব সেই কথা মই নাজানো আৰু তাত আচৰিত হব লগাও একো নাই। মানুহৰ জীয়াই থকা কথাটো নিৰ্ভৰ কৰে বস্তুৰ মূল্যৰ ওপৰত। যি বস্তু উপাৰ্জিত হয় সেই বস্তুৰ মুল্যৰ নিৰ্দিষ্টতা যদি একো নাথাকে বা মূল্যৰ যদি কমা বঢ়া হয় তেন্তে কোনো কৰ্মচাৰীয়েই সন্তুষ্ট থকাটো সম্ভৱ নহয়। আজি ২৭ বছৰে যিটো অৱস্থা আমি দেখি আহিছো কৰ্মচাৰী সকলে গণতান্ত্রিক সুযোগ লৈ কেনেকৈ চৰকাৰী অফিচবোৰ বন্ধ কৰি আহিছে। সিদিনা তিনিদিন ধৰি চৰকাৰী অফিচবোৰ বন্ধ থকাত ৰাইজৰ কিমান ক্ষতি হৈছিল তাৰ হিচাব পত্র কোনেও লোৱা নাই।

আজি পে-কমিশ্যনে এখন ৰিপৰ্ট দাখিল কৰিছে। সেই ৰিপৰ্ট কৰিবৰ কাৰণে এখন কমিশ্যন বা অমিচন কৰি তাৰ সদস্যসকলৰ বহুত টকা ব্যয় হৈছে। এই সকল মানুহে একোটা ফৰমূলা উলিয়াই যি হাৰত দৰ্মহা দিয়াৰ ব্যৱস্থা কৰিছে সেইটো আজিৰ যুগত নাই বুলি কব পাৰি। যি

সকলে এই ফৰমুলা বাহিৰ কৰিছে তেওঁলোকৰ প্ৰতি আমাৰ শ্ৰদ্ধা থাকিব পাৰে কিন্তু তেওঁলোকে যি ৰিপৰ্ট দাঙি ধৰিছে তাত ৰাইজ সন্তুষ্ট হব নোৱাৰে। গতিকে এই খিনি কথা আজি ভাবি চোৱাৰ আৱশ্যক হৈ পৰিছে। কিন্তু মানুহ কেনেকৈ জীয়াই থাকিব তাৰ প্ৰতি কোনো লক্ষ্য ৰখা নাই। কথাৰন্তে লঘূক্ৰিয়া হোৱাৰ নিচিনা কাৰ্য্য হৈ পৰিছে। গতিকে অধ্যক্ষ মহোদয়, দৰমহাৰ ক্ষেত্ৰত আজি অমুক আয়োগ কৰা হল, কালিলৈ অমুক আয়োগ কৰা হল, এইদৰে অমুক তমুক আয়োগবোৰ কৰি অযথা ধনৰ অপচয় কৰিছে, সেইবিলাকৰ পৰা কোনো কাম হোৱা নাই। গতিকে এনে ক্ষেত্ৰত চৰকাৰে গহীন ভাবে আৰু দকৈ ভাবি চাবলৈ মই দাবী কৰিছো।

আজি এই ৰিপৰ্টখনৰ সম্পৰ্কত বহুতে বহুতো আলোচনা কৰিছে, মই মাত্ৰ কব খুজিছো যে আজি যি দৰমহাৰ নিৰিখ নিৰ্ণয় কৰিছে তাত মানুহৰ মূল্য নিৰ্ণয় কৰা নাই। কৰ্মৰ যোগ্যতাৰ ক্ষেত্ৰত দুটা ভাগ আছে, এটা হৈছে দৈহিক আৰু আনটো হৈছে মানসিক। এই দৰ্মহাৰ প্ৰতিবেদনত মানসিক মৰ্য্যদা দিয়া হৈছে কিন্তু দৈহিক মৰ্য্যদা দিয়া হোৱা নাই। কৰলৈ গলে মানুহ জীয়াই থকাৰ প্ৰাপ্য অধিকাৰখিনি আজি বন্ধ কৰি দিয়া হৈছে। চাকৰিয়াল সকলৰ যি দৰ্মহা দিয়া হৈছে তাৰ পৰা এইটো প্ৰমাণ হয় যে দূৰ্নীতিৰ দ্বাৰা যাতে তেওঁলোক প্ৰবোচিত নহয় তাৰ ব্যৱস্থা কৰা উচিত কিন্তু মই কওঁ যিসকলক লাম-চাম দৰ্মহা দিয়া হৈছে সেই সকললোক দূৰ্নীতিৰ লগত জড়িত নহয়। কিন্তু অধ্যক্ষ মহোদয়, আপুনি জানে যে আজি যে দেশখন লুট হৈছে, সৰ্বনাশ হৈছে, সেয়া হৈছে কেৱল উচ্চ বেতন ভোগী বিষয়া সকলৰ পৰাহে। গতিকে এই প্ৰতিবেদনখনৰ কিবা মূল্য আছে বুলি মই নাভাবো। মানুহৰ মন সদায় ধনৰ পিনে আকৰ্ষিত হয়। গতিকে জীৱন ধাৰণৰ বাবে যি সকলে সদায় সংগ্ৰাম কৰি আহিছে সেই সকলে দূৰ্নীতিত লিপ্ত হব নোৱাৰে। যি সকলে আজি দূৰ্নীতি কৰি আছে সেইসকলে আজি মন্ত্ৰী মহোদয়ৰ মন জয় কৰি আছে আৰু সমাজৰ আগ শাৰীত ঠাই পাই আহিছে। যোৱা ২৭ বছৰে আমি এই কথাকে দেখি আহিছো।

অধ্যক্ষ মহোদয়, আজি দৰমহা ৰিপৰ্টৰ ওপৰত ভিত্তি কৰিয়েই যদি

মুখ্যমন্ত্ৰীয়ে এই চৰকাৰী কৰ্মচাৰীৰ দৰ্মহা দিয়ে তেন্তে তাৰ পৰিণতি হিচাবে জনসাধাৰণৰ মাজত যি অসন্তুষ্টিৰ সৃষ্টি হৈছে সেইটো আৰু বৃদ্ধি পাব। আজি আমাৰ লোক সকলে কি অৱস্থাত জীয়াই আছে, তেওঁলোকৰ আৰ্থিক অৱস্থা কেনে হৈছে, জীৱন নিৰ্ব্বাহৰ ক্ষমতা তেওঁলোকৰ আছেনে নাই, এই সকলো কথা যদি চৰকাৰৰ পক্ষৰ পৰা তদন্ত কৰি এই সমস্যা বিলাকত এটা আশু সমাধান কৰিব নোৱাৰে তেন্তে জনসাধাৰণৰ মাজত যিটো অসন্তুষ্টিয়ে দেখা দিছে তাৰ জুইয়ে গোটেই ৰাজ্যতে জ্বলি উঠিব। মই এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

ডাঃ কোযেশ্বৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই দৰমহা আয়োগৰ প্ৰতিবেদনৰ কাৰণে আমি নবেম্বৰ মাহৰে পৰা আশা পোষণ কৰি আছিলো যে ইয়াৰ দ্বাৰা অসমৰ জনসাধাৰণ তথা চাকৰিয়াল সকলৰ শোচনীয় অৱস্থা কিছু উন্নতি হব। আৰু তাৰ লগতে পৰোক্ষ ভাবে হলেও অসমৰ জনসাধাৰণ উপকৃত হব। কিন্তু প্ৰতিবেদনখন দেখি আমি বুজিলো যে ইয়াৰ দ্বাৰা কোনোৱেই উপকৃত নহল। তিনিটা বিষয় বস্তুৰ ওপৰত ভিত্তি কৰি এই দৰমহা আয়োগ গঠিত হৈছিল প্ৰথমতে হল কাম অনুপাতে দৰমহাৰ ব্যৱস্থা, দ্বিতীয়তে প্ৰয়োজনীয় বস্তুৰ দাম অনুপাতে দৰমহাৰ ব্যৱস্থা আৰু তৃতীয়তে মডেল এম্পলয়াৰ এই তিনিটাই হল বিষয় বস্তু। কিন্তু বৰ্ত্তমানে দেখা গৈছে যে, বৰ্ত্তমান দৰমহা আয়োগৰ অনুমোদনবিলাক এই বিষয় বস্তুৰ এটাৰো লগত সামঞ্জস্য নৰখাকৈ তৈয়াৰ কৰিছে। সমাজ বাদ গঠন কৰিবলৈ হলে অকল এক শ্ৰেণীৰ চাকৰিয়ালক সুবিধা দিলেই নহব। সকলো শ্ৰেণীৰ চাকৰিয়ালৰ উন্নতিসাধন কৰিব পাৰিলেহে সমাজবাদ গঠন হব। উদাহৰণ স্বৰূপে এখন ফুটবল খেলাত এজনে ভাল খেলিলে খেলা ভাল হব নোৱাৰে। সকলোখিনি খেলুৱৈ সমভাবে ভাল খেলিব লাগিব। ঠিক তেনেকৈয়ে ১ম আৰু ২য় শ্ৰেণীৰ চাকৰিয়ালে যে চৰকাৰ চলাব তেনে নহয়। চৰকাৰ চলাবলৈ হলে ৩য় আৰু ৪ৰ্থ শ্ৰেণীৰ চাকৰিয়ালৰো সহযোগ লাগিব।

মহোদয়, এই প্ৰতিবেদনত ৩য় আৰু ৪ৰ্থ শ্ৰেণীৰ চাকৰিয়ালৰ যি খাদ্যৰ নিৰিখ বান্ধি দিছে আৰু লগে লগে তেওঁলোকক যিখিনি দৰমহা দিছে তাৰ

দ্বাৰা ইয়াৰ বজাৰৰ বস্তুকিনি জীৱন নিৰ্ব্বাহ কৰিব নোৱাৰে। বেলেন্স ডায়েট অকল যে ১ম আৰু ২য় শ্ৰেণীৰ চাকৰিয়ালেহে খাব লাগে তেনে নহয়, এওঁলোকেইহে কেৱল আপেল খাব লাগে আৰু ৩য় আৰু ৪ৰ্থ শ্ৰেণীৰ চাকৰিয়ালে খাব নালাগে সেইটো নহয়। বৰ্ত্তমানৰ বজাৰ যেনেকৈ তুলনা মূলক ভাবে লৈ দৰমহাৰ নিৰিখ বান্ধিছে, ইয়াৰ কোনো সামঞ্জস্য নাই আৰু সমন্বয়ও ঘটাব পৰা নাই। মহোদয়, আমাৰ চাকৰিয়াল সকলৰ পৰা ভাল কাম পাবলৈ হলে আৰু তেওঁলোকক ৰাইজৰ কামত উদগনি দিবলৈ হলে তেওঁলাকক সন্তুষ্ট কৰিব পাৰিব লাগিব। কিন্তু যদি তেওঁলোকক দৰকাৰ অনুপাতে দৰমহা দিব নোৱাৰে, প্ৰাপ্য দিব নোৱাৰে আৰু দৈনন্দিন জীৱন যাপনৰ কাৰণে যদি চাকৰিৰ বাহিৰে আন কাম কৰিবলগীয়া হয় তেনেহলে এইটো স্বতঃসিদ্ধ কথা যে তেওঁলোকে তেওঁলোকৰ কৰ্ত্তব্যত তথা ৰাইজৰ কামত মনোনিবেশ কৰিবলৈ অসমৰ্থ হব। উদাহৰণত মই কও যে, ঘৰৰ এজন কাম কৰা মানুহ ৰাখিবলৈ হলেও সি প্ৰথমতে কয়. যে বজাৰ কৰিব লাগিলে ২০ টকা দিলেও হব আৰু বজাৰ কৰিব নালাগিলে ৩০ টকা দিব লাগিব। গতিকে মোৰ বোধেৰে চৰকাৰে আমাৰ চাকৰিয়াল সকলক দুৰ্নীতি কৰিবলৈ ইয়াৰ দ্বাৰা পৰোক্ষ ভাবে উদগনি দিছে। এই সকলোবিলাক কথা বিবেচনা কৰি যাতে ১ম আৰু ২য় শ্ৰেণীৰ চাকৰিয়ালৰ লগতে ৩য় আৰু ৪ৰ্থ শ্ৰেণীৰ চাকৰিয়াল সকলেও কোনোমতে খাই বৈ জীয়াই থাকিব পাৰে তেনে ব্যৱস্থা কৰা দৰকাৰ। এই পৰামৰ্শ আগবঢ়াই সামৰণি মাৰিলো।

শ্ৰীমতী তৰুলতা বৰা :—মাননীয় অধ্যক্ষ মহোদয়, মই দৰমহা আয়োগৰ প্ৰতিবেদনৰ সন্দৰ্ভত মাত্ৰ এটা কথা কব বিচাৰিছো। সেইটো হৈছে নিম্নতম বেতন ভোগী যিবিলাক কৰ্ম্মচাৰী সকলৰ কাৰণে যি দৰমহা বৃদ্ধি কৰিছে সেইটো যথোপযুক্ত হোৱা নাই। মোৰ বোধেৰে আজি উচ্চতম বিষয়া সকলৰ যি বস্তুৰ প্ৰয়োজন নিম্নতম চাকৰিয়ালৰো একে বস্তুৰেই প্ৰয়োজন। গতিকে নিম্নতম কৰ্ম্মচাৰীৰ ক্ষেত্ৰত যিটো দৃষ্টিভংগী প্ৰয়োগ কৰা হৈছে তাত মই সন্তুষ্ট হব পৰা নাই। কিয়নো আজি যি দৰমহা নিম্নতম কৰ্ম্মচাৰীক দিয়া হৈছে তাৰ দ্বাৰা তেওঁলোকৰ নিজৰ পৰিয়ালৰ ভৰণ পোষণ

কৰি লৰা-ছোৱালী শিক্ষা দীক্ষা দিবলৈ সমৰ্থ নহব বুলি মই ভাবো।

মহোদয়, তেওঁলোকেও লৰা-ছোৱালীক জন্ম দি এৰি দিলেই নহব তেওঁলোকক ভৰণ পোষণ দি শিক্ষা দীক্ষাও দিব লাগিব। সেই মৰ্ম্মে চৰকাৰে যি দৰমহা দিছে সেইটো নিচেই তাকৰ। এই তাকৰীয়া টকাৰে পৰিয়ালৰ ভৰণ পোষণ কৰা দুৰৰ কথা নিজৰেই ভৰণ পোষণ নচলে। সেই কাৰণে তেওঁলোকে দুৰ্নীতি কৰিবলগা হয়। কাৰণ হাতত টকা নাই।

ফলত যদি কৰ্ম্মচাৰীজনৰ ঘৰত ঘৈণীয়েকৰ বা লৰা-ছোৱালী কেইটাৰ অসুখীয়া অৱস্থা হয় তেনেহলে সেই কৰ্ম্মচাৰীজনে অফিচত দূৰ্নীতিৰ আশ্ৰয় লব লগাত পৰে অৰ্থাৎ আন উপায় অৱলম্বন কৰি টকা পইচা আনিবলৈ চেষ্টা কৰে। এইটোৱেই হৈছে অৱস্থা। আৰু এনেকুৱাকৈয়ে মানুহ দূৰ্নীতিত লিপ্ত হয়। উচ্চ পদস্থ কৰ্ম্মচাৰী সকলৰ যি দৰমহা বৃদ্ধি হল তেওঁলোকে তাৰ পৰা ইনকম টেক্স আদি দিব লাগিব, প্ৰফেচনেল টেক্স দিব লাগিব আৰু তেনেকৈয়ে তেওঁলোকৰ দৰমহাৰ অংকৰ আধাহে তেওঁলোকৰ হাতত পৰিবগৈ। আনহাতে তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ লোকৰ কাৰণে দৰমহাৰ যি নিৰিখ কৰিছে তাৰ দ্বাৰাও তেওঁবিলাকে নিত্য ব্যৱহাৰ্য্য বস্তুৰ যি জুই ছাই দাম তাক কিনিব নোৱাৰে। দৰমহা আয়োগ গঠিত হোৱা শুনিলেই বজাৰত বস্তু পাবলৈ নাইকীয়া হয়। সকলোবিলাক বস্তুৰ দাম বাঢ়ি যায়। ভৰণ-পোষণৰ কাৰণে যিখিনি নিম্নতম চাহিদাৰ দৰকাৰ সেইখিনিও তেওঁলোকে নাপায়। এই বিলাক কথালৈ চৰকাৰে দৃষ্টি দিব বুলি মই আশা ৰাখিছো। কিন্তু বৰ্ত্তমান দৰমহা আয়োগৰ প্ৰতিবেদনত তেওঁবিলাকৰ প্ৰতি কিবা সুবিচাৰ কৰিছে বুলি মই নাভাবো। মই আশা ৰাখিছো যে চৰকাৰে এই বিলাক কথা বিবেচনা কৰি চাব।

অধ্যক্ষ মহোদয়, দৰ্ম্মহা আয়োগৰ প্ৰতিবেদন দাখিল কৰাৰে পৰা বজাৰত বস্তুৰ দাম ইমানকৈ বাঢ়িছে যে তাক সৰ্ব্বসাধাৰণ ৰাইজৰ কাৰণে কিনিব নোৱাৰা অৱস্থা হৈছে। দৰ্ম্মহা নাবাঢ়ি যদি বজাৰৰ বস্তুৰ দাম স্থিৰিকত মূল্যত পালেহেতেন তেনেহলে তেওঁ বিলাকে বেছি ভাল পালেহেতেন। গতিকে অতি সোনকালে এই বজাৰৰ বস্তুৰ দাম কমাব পৰাকৈ ব্যৱস্থা লব বুলি মই আশা ৰাখিছো। চৰকাৰে যদিও ঘেহু আৰু ঘেহু-

জাতীয় বস্তু আৰু খাদ্য-দ্ৰব্য আদি নিজৰ হাতলৈ আনিছে তথাপি মই কওঁ যে অকল সেইটোৱে নহয় নিত্য ব্যৱহাৰ্য্য সকলো বিলাক বস্তু যাতে উচিত মূল্যত বজাৰত পোৱা হয় তাৰ ব্যৱস্থা অতি সোনকালে চৰকাৰে কৰিব লাগে। তেতিয়াহলেহে দুৰ্নীতি আঁতৰাবলৈ আমাৰ চৰকাৰ সক্ষম হব বুলি মই ভাবো। অধ্যক্ষ মহোদয় মই আৰু বৰ বেছি নকওঁ এই কেইটা কথা কৈয়েই মই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীপিট সিং কোঁৱৰ :—মাননীয় অধ্যক্ষ মহোদয়, আজি দুদিন ধৰি আমাৰ দৰ্মহা কমিটিৰ প্ৰতিবেদনৰ ওপৰত, বিধান সভাত আলোচনাৰ কাৰণে দাঙি ধৰাৰ পিচত এই প্ৰতিবেদনৰ ওপৰত বিভিন্ন জনে মত প্ৰকাশ কৰি আছে। এটা কথা আমি সঁচাকৈয়ে স্বীকাৰ কৰিব লাগিব যে এই প্ৰতিবেদন দিয়াৰ আগতে যি দাস কমিচন বহিছিল সেই দাস কমিচনৰ দিনতো সেই দাস কমিচনৰ মতে দৰমহা পোৱাৰ পিচতো কোনো এজনেও কোৱা নাছিল যে আমি ঠিক মতে দৰমহা পাইছো। মানুহৰ ধৰ্ম্মই এইটো। যিমানেই পায় আৰু পাবলৈ চায়। তলৰ মানুহ খিনিয়ে পাচ টকা দহ টকা কিবা এটা পাইছে আৰু সেইটোৱেই যথেষ্ট বুলি মানি লৈছে। কিন্তু ডাঙৰ বিলাকে যাৰ আঢ়ৈ হাজাৰ তিনি হাজাৰ আছিল তেওঁবিলাকে দহ হাজাৰ হল যদিও হা-হুমুনিয়াহ কাঢ়ি আছে। অথচ তেওঁ-বিলাকে কোম্পানী বিলাকৰ লগত যোগাযোগ কৰি একোবাৰতে বিশ লাখ পঞ্চাশ লাখ টকা পায় তথাপিতো হা-হুমুনিয়াহ বাঢ়ি থাকে। কিন্তু তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ লোক সকলে পাচ দহ টকা পায়েই সন্তুষ্ট হৈ থাকে। এই প্ৰতিবেদনত কি আছে দেখা যাওক, ইয়াত পাব একে পোষ্ট অৰ্থাৎ এজন হেড এচিচ্‌টেণ্ট হল চিভিল চাৰ্জন অফিচৰ আৰু আন জন ডি-এফ-অ অফি-চৰ কিন্তু দুয়োজনৰ দৰ্মহাৰ নিৰিখৰ কোনো সামঞ্জস্য নাই। ই কেনে কথা হব পাৰে? অৰ্থাৎ এজনে হয়তো আন বাহিৰা টকা পায় আৰু আন জনে নাপায় নেকি? কিন্তু এই ক্ষেত্ৰত দুয়োজন লোকেই বাহিৰা পইচা নাপায়। এই বিলাক কি স্কেল কৰিছে বুজি নাপাওঁ। কোনোবা এজন নিজৰ মানুহ পাইছে আৰু লগাই দিছে দুই টকামান আৰু আন জনক হয়তো এৰি দিছে এনেয়ে। বিশেষকৈ তলৰ শ্ৰেণীৰ মানুহখিনিৰ ইয়ালৈ দিচপুৰলৈ ৰাজধানী আহিল যদিও ঘৰ ভাড়া আদি পোৱাত সাংঘাতিক মস্কিল হৈ পৰিছে। অতি-

পাত দাম ঘৰৰ। তেওঁলোকৰ কাৰণে সজাঘৰবোৰত ফেন আছে, লাইট আছে অথচ আমি সদস্য সকলে সেইবিলাক ঘৰত আছোহি। আৰু চতুৰ্থ শ্ৰেণীৰ মানুহখিনিয়ে গামোচা পাৰি শুই আছে। সেইবিলাক মানুহৰ কথা দৰমহা আয়োগে ভাবিব পৰা নাই। তেওঁবিলাক অসন্তুষ্ট হলেনো কাৰ আগত কি কব এইটোৱেই হৈছে ভাব। শোভা যাত্ৰা কৰিলে বাধা দিওঁ, চাকৰি শেষ হব বুলি ভয় আছে। পৰোক্ষ ভাৱে অথবা প্ৰত্যক্ষ ভাৱে গৈ চতুৰ্থ শ্ৰেণীৰ লোকৰ ওপৰতহে পৰেগৈ। সেই কাৰণে এইটো কথা স্পষ্ট যে টকাৰ কথা বাদ দিলেও বজাৰত বস্তুৰ দাম কমাব পৰা হৈছেনে নাই সেইটোহে লক্ষ্য কৰিবলগীয়া কথা। আৰু সেইটোহে বিচাৰ্য্য বিষয়। ইয়াৰ কাৰণে দৰমহা বেছি কৰিব লাগে বুলি চিঞৰ বাখৰ কৰিলেই নহয় চাব লাগিব বজাৰত বস্তুৰ দাম কিমান বাঢ়িছে, ঘৰ ভাৰা কিমান বাঢ়িছে, নিত্য ব্যৱহাৰ্য্য বস্তুৰ দাম কিমান বাঢ়িছে সেইটোহে আচল কথা। সেইটোহে লক্ষ্য কৰিব লাগিব। চৰকাৰে কয় টকা নাই। দৰমহা বঢ়াব নোৱাৰি। গতিকে মই বিচাৰো মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা স্পষ্ট উত্তৰ দিব এই সদনত যে বস্তু বিলাক ফিক্সড্ প্ৰাইচত যাতে পোৱা হয়। বেছি কৈ নহলেও আৰু অলপ বেয়া হলেও যাতে বজাৰত বস্তু তেনে ভাৱে পোৱা হয় ৰেচন আদিৰ যোগেদি সেইটোহে ব্যৱস্থা কৰিব লাগে। সামান্য ডিটৰিয়েৰেট কৰিলেও যুদ্ধকালীন সময়ত সকলো বস্তু পোৱা যায় ৰেচনৰ যোগে। সেই অৱস্থা কৰিব লাগে। চতুৰ্থ শ্ৰেণীৰ লোকসকলৰ এশ পচাশি টকা পাব ডি-এ মাৰ্জ কৰি দিছে তাৰ লগতে। দহ পাচ টকা কম বেছি পোৱাৰ কাৰণে চিঞৰ বাখৰ কৰিলে কি হব।

আমাৰ দেশখন অতি দুখীয়া, পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কাৰণেও আমাক অধিক পৰিমানৰ টকা দৰকাৰ হ'ল সচা, কিন্তু আজি কি কাৰণত আমাৰ এই দুখীয়া ২য় আৰু ৩য় শ্ৰেণীৰ চাকৰিয়াল সকলৰ কাৰণে দৰ্ম্মহা দিবলৈ টকা-পইচা নোহোৱা হ'ল, কিন্তু আজি যদি এই শ্ৰেণীৰ চাকৰিয়ালসকলে ধৰ্ম্ম ঘট কৰে তেতিয়া হলে আমাৰ অফিচৰ কামেই চলোৱা টান হৈ পৰিব। ফাইল ইত্যাদি কোনে কঢ়িয়াব? আমি বেচিকৈ বিচৰা নাই যি খিনি অতি কমেও দৰকাৰ সেইখিনি হলেও আমাৰ হৈ যায়। আমাৰ

মুখ্য মন্ত্ৰী মহোদয়ে চিন্তা কৰা দৰকাৰ. আৰু অলপমান হলেও বঢ়াই দিবলৈ চেষ্টা কৰিব লাগে যাতে প্ৰকৃত সমাজবাদৰ সৃষ্টি হয় আৰু আমাৰ কৰ্ম্মচাৰী সকলে যাতে অনুভৱ কৰিব পাৰে তেওঁলোকে অফিচৰ কাম-কাজত অংশ গ্ৰহণ কৰিব পাৰিছে বা অৰিহণা যোগাব পাৰিছে, তেনে ধৰণৰ মনোভাৱ যাতে সৃষ্টি হয় তাৰ কাৰণে আৱশ্যকীয় ব্যৱস্থা হাতত লব বুলি আশা কৰি ডুষাৰমান কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া :—মাননীয় অধ্যক্ষ মহোদয়, দৰ্ম্মহা আয়োগৰ প্ৰতিবেদনৰ ওপৰত মই ডুষাৰ মান কব বিচাৰিছোঁ। দৰ্ম্মহা আয়োগ আজিলৈকে ১৯৫৬ চন, ১৯৬৪ চন আৰু এই বছৰ আমাৰ সন্মুখত ডাঙি ধৰিছে সেইখনে আমাৰ বাস্তৱ ছবি এখন আমাৰ আগত ডাঙি ধৰিবলৈ সক্ষম হৈছে। আমাৰ যি সকল কৰ্ম্মচাৰীয়ে দৰ্ম্মহা আয়োগ লাগে বুলি আৰু দৰ্ম্মহা আয়োগৰ আগত দৰ্ম্মহা বঢ়াব লাগে বুলি নানা আপত্তি দৰ্শাই আহিছিল আৰু আন্দোলন কৰি আহিছিল সেই সকলে হলে এই দৰ্ম্মহা আয়োগৰ পৰা যিমানখিনি লাভবান হব বুলি ভাবিছিল বা আশা কৰিছিল সিমানখিনি লাভবান হব নোৱাৰিলে। যি সকল কৰ্মচাৰীয়ে আজি বহুদিন ধৰি নানা কষ্ট কৰি চৰকাৰৰ কাম বন কৰি আহিছিল সেই সকলে হলে বিশেষ ভাবে লাভবান হবলৈ সুবিধা নাপালে, লাভ হয় কোন বিলাকৰ যিবিলাকে বা যি নতুন চামে চাকৰিত নতুনকৈ ভৰ্ত্তি হৈছে সেই চামেহে কিছু সুবিধা পোৱা দেখা যায়। সেইটো যেতিয়া আয়োগে ৰিপোৰ্ট দাখিল কৰে তেতিয়া ওলাই পৰে। দৰ্ম্মহা আয়োগে তেওঁলোকৰ প্ৰতিবেদনত দৰ্ম্মহা সম্পৰ্কত অসমৰ আৰ্থিক দিশটো যি দৰে বিশ্লেষণ কৰিছে সেই বিশ্লেষণৰ বাবে আয়োগৰ সভ্যসকলক তথা আয়োগক ধন্যবাদ দিব লাগিব।

মই এটা কথা কও, আমি কিছুমান কথা খুউব অনুভূতি প্ৰৱনতাৰে চালে নহব তাক বাস্তৱ দৃষ্টিৰে চাব লাগিব। মই ভাৰতবৰ্ষৰ সমূহীয়া দৃষ্টি দিয়া নাই, আমাৰ মাননীয় সদস্য সকলে উল্লেখ কৰিছে যে আমাৰ ৰাজ্যৰ অধিকাংশ লোক শতকৰা ৭০ জন লোক 'প'ভাৰটি লাইনৰ' তলত আছে, কিন্তু কমিশ্যনে ৰিপোৰ্টত কৈছে যে মাত্ৰ ৫০ জনহে 'প'ভাৰটি'

লাইনৰ তলত আছে। আমাৰ চহৰ অঞ্চলত ১৯৭০/৭১ চনত আয় হ'ল ৪০ টকা আৰু গাওঁ অঞ্চলত ২৮ টকা আৰু জনমূৰি আয় ৫২৩ টকা। জনমূৰি আয়ৰ যিটো নিম্নতম ধাৰ্য্য কৰা হৈছে আৰু সৰ্ব্বোনিম্ন যিটো দৰ্ম্মহা পৰিপূৰণ কৰিছে সেইটো থিয়ৰিৰ দ্বাৰা নহয়। বহু সদস্যই থিয়ৰি প্ৰয়োগকৰণৰ বিষয়ে সমালোচনা কৰিছে। কিন্তু মূলত: কথাটো কৈছে যে কোনো কাৰণতে থিয়ৰিটো 'এপলাই' কৰিব নোৱাৰি। শেষত কৈছে অসমৰ আৰ্থিক অৱস্থা আৰু অৰ্থনৈতিক অৱস্থা আৰু টকা পইচাৰ বাজেটৰী অৱস্থাৰ পৰিপ্ৰেক্ষিতত দাখিল কৰিছে থিক সেইধৰণে কৰা হৈছে।

সৰ্ব্বোনিম্ন ২য় আৰু ৩য় শ্ৰেণীৰ কৰ্মচাৰী সকলৰ বাবে তেওঁলোকৰ যথেষ্ট সহানুভূতি আছে, চৰকাৰ বৰ্ত্তমান অৱস্থাত অনুভূতি প্ৰৱন নহয়, বাস্তৱ দৃষ্টিলৈহে আগবঢ়া কথা, তেনে ক্ষেত্ৰত ১ লাখ মানুহৰ কাৰণে ১ লাখ কৰ্ম্মচাৰীৰ কাৰণে অসমৰ বাজেটত প্ৰায় ৩৫ কোটি টকা দৰ্ম্মহা হিচাবে খৰচ কৰিবলগীয়া হয়। শতকৰা ১০ ভাগৰ এভাগ অংশ অকল চাকৰিয়াল সকলক দৰ্ম্মহা দিওঁতেই যায়, তাৰ বাহিৰেও উন্নয়ন মূলক কাম-কাজ আৰু অনগ্ৰসৰ ঠাই আৰু পিচপৰা আৰ্থিক অৱস্থা সেই অঞ্চলসমূহক অৰ্থনৈতিক দিশত আগবঢ়াই লৈ যাবলৈ চেষ্টা কৰিছে, ঠিক তেনেকৈয়ে এই 'ট্ৰেন্‌জিশ্যান' পেৰিয়ডত দৰ্ম্মহা আয়োগে যিমানখিনি নকৰক লাগে এনে এটা মুহূৰ্ত্তত যি মুহূৰ্ত্তত নেকি যোৱা বছৰৰ লগে লগে উন্নয়ন মূলক আচনি সমূহ গ্ৰহণ কৰাৰ লগে লগে তেখেত সকলে যিবোৰ নিবেদন বা পৰামৰ্শ আগবঢ়াইছে সেইমতে আমাৰ ৰাইজে যি খিনি আশা কৰিছিল সেই মতে সেইখিনি লাভ কৰিব পাৰিছে জানো ?

আজি ৫১ কোটি টকা খৰচ কৰিবলৈ বিচৰা হৈছে, এই টকাৰ ওপৰত মূল্য অধিক উঠাতো স্বাভাৱিক। কিন্তু আজি আমি যিমানেই দিও কৰ্ম্মচাৰী সকলক সেয়ে নাতিব, সেইটো থিক। ৩টা প্ৰধান কথাৰ ওপৰত ভিত্তি কৰিয়েই বঢ়াই দিব লাগে বুলি কৈছে। সৰ্ব্বনিম্ন যিবোৰ এনালাই-চিচ' দিছে তাত কোনো কাৰণত 'এনালাইচিচ' দেখুৱা নাই, আজি আৰ্থিক অৱস্থাৰ লগত সামঞ্জস্য ৰাখি সমাজবাদৰ আৰ্হিত দৰ্ম্মহা নিৰিখ নিৰ্দ্ধাৰণ কৰাতো উচিত, সেই বুলি আমি কোৱা নাই যে ওপৰ খাপৰ কৰ্ম্মচাৰী

সকলৰ দৰ্ম্মহা বেচি হৈছে আৰু সেইটো কমাব লাগে। পুংখানুপুংখৰূপে চালে দেখা যায় অসমৰ আৰ্থিক অৱস্থা অতি দুখ লগা হৈ আছে আৰু চাকৰিয়াল সকলৰ আৰ্থিক অৱস্থা দুখ লগা বুলি প্ৰমাণ কৰিছে আৰু প্ৰতিবেদনৰ জৰিয়তেই সেইটো ছবি ডাঙি ধৰিছে কিন্তু সেই অৱস্থাতো আতৰ কৰাৰ কাৰণে কি অসুবিধা হব পাৰে তাকো দেখুৱাইছে। চাকৰিয়াল সকলক এই বৰ্দ্ধিত হাৰৰ দৰ্ম্মহা দিবলৈ আৰু অতিৰিক্ত ৬ কোটি ২৫ লাখ টকা লাগিব বুলি কৈছে, ইতিমধ্যে ৩ কোটি ১২ লাখ টকা 'ইন্টেৰিয়াম ৰিলিফ' হিচাবে দিয়া হৈছে, আৰু ৩ কোটি ১২ লাখ টকা চৰকাৰে আয়োগৰ প্ৰতিবেদন হিচাবে দিব লাগিব।

অসমে আজি ভাৰতবৰ্ষৰ ভিতৰতে 'টেক্স' দিয়া ৰাজ্য হিচাবে ৪ৰ্থ স্থান অধিকাৰ কৰিছে যদিও আজি কোৱা হৈছে আমাৰ ৰাজ্যৰ শতকৰা ৭০ জন লোক 'প'ভাৰটি লাইনৰ' তলত আছে।

মাননীয় অধ্যক্ষ ডাঙৰীয়া :—আপুনি পিচত কব, এতিয়া পিচৰ 'আইটেম'টো হওক।

( মাননীয় সদস্য শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া দেৱে পুনৰ কৰ )

## HALF-AN-HOUR DISCUSSION ON MATTERS ARISING OUT OF ANSWERS TO QUESTION

শ্ৰীদেবেন্দ্ৰ নাথ বৰা :—মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা বিধিৰ ৪৯ নিয়ম অনুসৰি ১৯৭৩ চনৰ ২০ জুনৰ দিনা শ্ৰীঅতুল চন্দ্ৰ শইকীয়াৰ ২৩২ নং তাৰাংকিত প্ৰশ্নোত্তৰত "মদ নিবাৰণী আচনি" সম্পৰ্কে সংশ্লিষ্ট মন্ত্ৰী গৰাকীয়ে যি বিলাক কথা উৎথাপন কৰিছিল সেই বিলাক বিষয় সম্পৰ্কে বৰ ভালদৰে আমাৰ মনত পৰিষ্কাৰ নোহোৱাৰ কাৰণে মই কিছুকথা আলোচনা কৰিবৰ কাৰণে আশা কৰিছোঁ।

আমাৰ মদ নিবাৰণী কথাটো এটা ৰাষ্ট্ৰীয় নীতিত পৰিণত হৈছে। ই এটা ৰাষ্ট্ৰীয় সমস্যাত পৰিণত হৈছে। সেইকাৰণেই আমাৰ চৰকাৰে এই

মদ নিবাৰণী সম্পৰ্কে এটা স্পষ্ট ৰাষ্ট্ৰীয় নীতি ঘোষণা কৰিলে আমাৰ ৰাজ্যৰ কাৰণে কল্যাণজনক হব বুলি আশা কৰিব পাৰি। চৰকাৰে এই সম্পৰ্কত এটা দৃঢ়নীতিৰে মদ নিবাৰণী কৰিবলৈ আগবাঢ়িছে বুলি কৈছে যদিও বাস্তৱত সেইটো পৰিলক্ষিত হোৱা নাই। আজি তিনিখন জিলাত মদ নিবাৰণ কৰা হৈছে যদিও এই সম্পৰ্কে চৰকাৰী নীতি স্পষ্ট নোহোৱাৰ কাৰণে এটা আউল লগাৰ হে উপক্ৰম হৈছে। গতিকে চৰকাৰে এই বিলাক কথাৰ গুৰুত্ব উপলব্ধি কৰি অতি সোনকালেই এটা স্পষ্ট নীতিঘোষণা কৰিব লাগে। মহাত্মাগান্ধীৰ আদৰ্শত আৰু সেই আদৰ্শৰ দ্বাৰা উদ্বুদ্ধ হোৱা লোকসকলৰ প্ৰচেষ্টাত আমাৰ দেশৰ পৰা কানিৰ নিচিনা এটা ৰৰবিহৰো মূল্যোচ্ছেদ হল আৰু এইদৰেই আমাৰ জাতিটোক শক্তিশালী কৰাৰ কাৰণে চেষ্টা কৰা হৈছে। কানিৰ পৰা আমাৰ সমাজ মুক্ত হ'ল যদিও আমাৰ সমাজৰ ডেকা সকলৰ মাজৰ পৰা হলে এই মদৰ প্ৰচলন উঠি যোৱা নাই। আজি তিনিখন জিলাত মদৰ প্ৰচলন বন্ধ হল যদিও বাকী বিলাক জিলাত মদ নিবাৰণী-নোহোৱাৰ কাৰণে চোৰাংভাৱে মদৰ প্ৰচলন হৈ আমাৰ সমাজখন দিনক দিনে অৱনতিৰ ফালেহে ধাল খাইছে। সেইকাৰণেই আজি আমি সচেষ্ট হবৰ হৈছে কিয়নো সময় মতে যদি আমি সচেষ্ট হব নোৱাৰোঁ তেতিয়া-হলে, অনতিপলমেই আমাৰ সমাজখন পঙ্গু হৈ পৰিব লাগিব। লগে লগেই আমাৰ কলা কৃষ্টি সভ্যতা-সংস্কৃতি সকলো নষ্ট হৈ যাব। কাৰণ আমি যি দেখিছোঁ ইতিমধ্যেই মদৰ প্ৰচলনৰ যোগেদি বিদেশী সভ্যতাৰ প্ৰভাৱ আমাৰ কলা-সভ্যতা সংস্কৃতিত এটা বিৰাট প্ৰভাৱ পৰিছে। আজি ভোগৰ আদৰ্শৰে গঢ়ি উঠা পাশ্চাত্য সভ্যতাৰ প্ৰভাৱত পৰি ত্যাগৰ আদৰ্শৰে গঢ়ি উঠা আমাৰ সমাজখন তথা আমাৰ দেশৰ যুৱকসকল নষ্ট হৈ যাবৰ উপক্ৰম হৈছে। যেনেকুৱা তৎপৰতাৰে আমাৰ সমাজখনক কানি ৰৰবিহৰ পৰা মুক্ত কৰা হল সেইদৰেই আমাৰ সমাজখনক যদি মদৰ কৱলৰ পৰাও মুক্ত কৰিব নোৱাৰি তেতিয়াহলে, আমাৰ সমাজখন পঙ্গু হৈ পৰিব। ১৯৩০ চনতে 'ইয়ং ইন্দিয়া' কাগজত মহাত্মা গান্ধীয়ে এযাৰ কথা কোৱা মোৰ মনত আছে তেখেতে কৈছিল যে, যদি তেখেতে এঘণ্টাৰ কাৰণেও একনায়কত্ব লাভ কৰিলে-হেতেন তেতিয়াহলে, সমগ্ৰ দেশৰ পৰাই মদ নিবাৰণী কৰিলেহেঁতেন আৰু দেশৰ, সমাজৰ শ্ৰমিক শ্ৰেণীক মদৰ কৱলৰ পৰা মুক্ত কৰিলে-

হেঁতেন। এই অনুভূতি মহাত্মাগান্ধীৰ অন্তবত ১৯৩০ চনতেই উদ্ভুত হৈছিল। আজি হয়তো আমাৰ সমাজৰ বহুতে কব পাৰে যে, আমাৰ দেশৰ পৰা মদ উঠাই দিলে আমাৰ জাতীয় আয় কমিব। কিন্তু মদৰ নিছিনা এটা ধ্বংশকাৰী বস্তুৰ পৰা আয় হোৱা টকাৰে কেতিয়াও আমাৰ সমাজৰ সভ্যতা কলা-কৃষ্টি গঢ়িব নোৱাৰে। আয়কৰ বাঢ়িব-এই কথাটোৰ ওপৰতে ভিত্তি কৰি মদৰ প্ৰচলনটো এটা ৰাষ্ট্ৰিয় নীতিত পৰিণত হোৱাটো একেবাৰেই ভুল নীতি বুলি মই ভাবো। মদৰ আয়ৰ দ্বাৰা আমাৰ সমাজখনক গঢ়িবৰ ইচ্ছা আমাৰ একেবাৰেই নাই। আজি তামিল নাডুৰ চৰকাৰে ১১ কোটি টকা খৰছ কৰিও গোটেই ৰাজ্যখনৰপৰা ৭ হেজাৰ মদৰ দোকান বন্ধ কৰি দিলে। ঠিক সেইদৰেই আমাৰ দেশৰ পৰাও এটা বলিষ্ঠ পদক্ষেপ লৈ মদ নিবাৰণ কৰিবৰ কাৰণে মই আমাৰ চৰকাৰক পৰামৰ্শ জনাই মই মোৰ বক্তব্যৰ সামৰণী মাৰিলোঁ।

শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড:—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এই সদনতে মদ নিবাৰণী সম্পৰ্কে ইয়াৰ আগতেও কেইবাবাৰো নানান আলোচনা বিলোচনা আদি হৈ গৈছে। সেই সময়তো বিভিন্ন পৰামৰ্শ আদি দিয়া হৈছিল। কিন্তু চৰকাৰে যদি এই মদ নিবাৰণী আঁচনিখন সফল কৰিবৰ কাৰণে চেষ্টা কৰিলেহেঁতেন তেতিয়াহলে, এই আঁচনিখন নিশ্চয় সফল হলহেঁতেন আৰু আমাৰ সমাজৰ পৰা মদৰ প্ৰচলন একেবাৰেই নাইকীয়া হলহেতেঁন। কিন্তু চৰকাৰে তেনেকুৱা ব্যৱস্থা নোলোৱাৰ কাৰণেই আমাৰ সমাজৰ পৰা মদ নাতৰিল। ফলত আজি আমাৰ সমাজত ক্ৰমান্বয়ে মদ খোৱা মানুহৰ সংখ্যা বৃদ্ধি হে হৈছে। আগতকৈও এতিয়া মদৰ চোৰাং কাৰবাৰ আৰু বে-আইনী ভাৱে মদ বিক্ৰী কৰাৰ অনুপাত বৃদ্ধিহে পাইছে। যোৰাবাৰ বৰুৱা বামুণ গাৱঁত চেনিকলটোত কুহিয়াৰ যিমান পাবলাগিছিল সিমান নেপালে। ইয়াৰ একমাত্ৰ আৰু প্ৰধান কাৰণ হল এইটোৱেই যে, ওচৰৰ যিবিলাক কুহিয়াৰ খেতিয়ক আছিল সেই লোকসকলে ঘৰে ঘৰে ডিষ্টিলাৰী পাতি লৈ তাত মদ তৈয়াৰ কৰি আছে। কিয়নো চনিকলত কুঁহিয়াৰ বিক্ৰী কৰাতকৈ যদি মিঠৈ তৈয়াৰ কৰিব পৰা যায় তেতিয়াহলে, তাৰ শতকৰা ৬০ ভাগেৰেও যদি মদ তৈয়াৰ কৰা যায় তেতিয়াহলেও

গুৱাহাটীকে 'ড্ৰাই এৰিয়া' বুলি ঘোষণা কৰি মদৰ প্ৰচলন বন্ধ কৰাৰ দিহা কৰিছে কিন্তু মদ লাগে বুলি কওঁকচোন আধাঘণ্টাৰ ভিতৰতে যিমান মদ লাগে তুই চাৰিখন দোকানেই তাক যোগাব কৰি দিব পাৰিব। যোৰহাটৰ নিছিনা জেগাতো তামোলপানৰ দোকানত মদ অবাধে বিক্ৰী হৈ আছে। গতিকে মদ নিবাৰণী আইন কৰিছে যদিও তাৰদ্বাৰা মদ নোখোৱা মানুহ এজনো তৈয়াৰ কৰিব পৰা নাই বা কমাব পৰা নাই। মাননীয় সদস্য জনে ৰাজহৰ কথাটো কৈছে। কিন্তু ৰাজহৰ কথাটো কোনো ডাঙৰ কথা নহয় যদিহে এই মদৰ প্ৰচলনটো সমাজৰ ভালৰ কাৰণেই হলহেতেন। কিন্তু সমাজখনৰ উপকাৰ হোৱাৰ দূৰৰ কথা তাৰ দ্বাৰা অপকাৰহে বেছি হৈছে। আমাৰ চৰকাৰে এফালে মদ নিবাৰণৰ কথা কৈছে আৰু আন হাতেদি মদ খাবলৈ উৎসাহো যোগাইছে। মই তাৰ এটা উদাহৰণ দিব খুজিছোঁ। সেইটো হৈছে যে, মোৰাম সিঙক ৰাজ্যসভালৈ নমিনেস্বন দি লৈ যোৱা হল। অৱশ্যে এই মানুহ জন ইতিমধ্যে ঢুকাল গতিকে মই তেখেতৰ বিৰোদ্ধে কব বিছৰা নাই। মাথোন কি কাৰণে এই মানুহজনক ৰাজ্য সভালৈ নিয়া হল সেই গুণটোৰ বিষয়েহে কবলৈ গৈছোঁ। তেখেতৰ যোগ্যতাটো হৈছে যে, তেওঁ এটা বিৰাট মদ কোম্পানীৰ মালিক। যদি সেই যোগ্যতাতে তেখেতক এই চৰকাৰে ৰাজ্যসভা পৰ্য্যন্ত সদস্য কৰি নিব পাৰে তেতিয়াহ'লে সেই চৰকাৰেই আকৌ মদ নিবাৰণ কৰিবলৈ ওলালে সি কিমান দূৰ সফল হব সেইটো আমি বুজি নেপাওঁ।

অন্যহাতেদি কোঅপাৰেটিভ যিবিলাক চেনিকল আছে সেই কলবিলাকত ডিষ্টিলাৰী খুলি তাত মদ তৈয়াৰ কৰি আছে। কিয়নো চোৰাং মদৰ কাৰবাৰ কৰিব পাৰিলেঁ সেই চোৰাং কাৰবাৰ আকৌ বন্ধ কৰিবলগীয়াহলে, তাৰ কাৰণেও আকৌ 'এক্সাইজ ডিপাৰ্টমেণ্ট' খোলাৰ ব্যৱস্থা কৰি পইছা খোৱাৰ ব্যৱস্থা কৰিব পাৰিব।

গতিকে মদ নিবাৰণৰ ক্ষেত্ৰত এটা শব্দ কব খুজিছো পাৰ্লিয়ামেণ্টেৰী হয় নে নহয় কব নোৱাৰো মদ নিবাৰণ এটা ভোৱাত পৰিণত হৈছে। অধ্যক্ষ মহোদয়, এই বিলাক কথাত মহাত্মা গান্ধীৰ নামত মহাত্মা গান্ধীক টানি

মান কৰিছে, মহাত্মা গান্ধীৰ পৰামৰ্শ উলংঘা কৰিছে— সেইসকল হল মহাত্মা গান্ধীৰ নামত শপত খোৱা সকলে। মই ব্যক্তিগত ভাৱে মহাত্মা গান্ধীৰ দৰ্শনৰ পক্ষপাতি নহওঁ মহাত্মা গান্ধীৰ দৰ্শন নামানো, কিন্তু মই মহাত্মা গান্ধীক শ্ৰদ্ধা কৰো। মহাত্মা গান্ধীৰ ভাৰতৰ কাৰণে যি অৱদান সেই অৱদানক শ্ৰদ্ধা কৰো। এই শ্ৰদ্ধা চিৰকালৰ কাৰণে থাকিব। মহাত্মা গান্ধীয়ে পৰামৰ্শ দিছিল ৰাষ্ট্ৰপতিয়ে কেনেকৈ চলিব লাগে আৰু মন্ত্ৰীসকল কেনেকৈ চলিব লাগে। মহাত্মা গান্ধীয়ে এটা ডাঙৰ পৰামৰ্শ দিছিল যে সততা নোহোৱা ৰাজনৈতিক লোক সমাজৰ প্ৰধান শত্ৰু। কিন্তু মহাত্মা গান্ধীৰ পৰামৰ্শমতে কোনে চলিছে আৰু কোনে পালন কৰিছে। মহাত্মা গান্ধীৰ অৰ্থনৈতিক কথা উলংঘা কৰিছে, সামাজিক দাৰ্শনিক উলংঘা কৰিছে। কেৱল মদ নিবাৰণৰ ক্ষেত্ৰত মহাত্মা গান্ধীক টানি অনা হৈছে। মহাত্মা গান্ধীৰ নামত এইধৰণৰ যুক্তিবিলাক টানি অনাটো নিবিচাৰো। ভাৰতবৰ্ষৰ যিটো প্ৰকৃত অৱস্থা সেইটো বিশ্লেষণ কৰি আমি এইটো সিদ্ধান্ত কৰিব লাগিব, বিশ্বাস কৰিব লাগিব যে সমাজত মদ যিমানেই কম ব্যৱহাৰ হয় সিমানেই সমাজখন উপকৃত হব। ইয়াত মোৰ দ্বিমত নাই। মদ নিবাৰণ কৰাত যিমান টকা খৰছ হয়— সেইখিনি টকা খৰছ কৰিবলৈ আমি ৰাজী আছো, কিন্তু বৰ্ত্তমানৰ কাৰ্য্যকলাপৰ দ্বাৰা মদ নিবাৰণ নহয়। আমাৰ কেইজন চাকৰিয়ালে মদ নোখোৱাকৈ আছে? ৰাজনৈতিক নেতাসকলৰ মাজত কিমানে মদ নোখোৱাকৈ আছে তাৰ হিচাব লৈছেনে? যি সকলে দামী দামী বিলাতী মদ আমোদৰ বাবে খাইছে— সেইসকলৰ কথা কব যোৱা নাই। বহুত অফিচাৰে ক্লাবত গৈ বিলাতী মদ খাই বিলাসীতা কৰে। কিন্তু আমাৰ চাহ বাগানৰ বনুৱা সকলে মদ খোৱাৰ কাৰণটো বিলাসীতাৰ কাৰণে নহয়। তেওঁলোকে মদ এই অৰ্থনৈতিক দুৰাৱস্থা থকাৰ ফলত অমানবীয় কাম-কাজ কৰি জীয়াই থাকিবলৈ বিচাৰে। এইটো এটা পৰম্পৰা হিচাবে চলি আহিছে। বহুক্ষেত্ৰত মদ খাই অমানবীয় অৱস্থাৰে জীয়াই থাকিব লাগে। চৰকাৰে মদ নিবাৰণীৰ ব্যৱস্থা ললে হব কি? সেই মানুহ সকলৰ জীয়াই থকাৰ মানবীয় ব্যৱস্থা নাই। মদ নিবাৰণৰ বাবে প্ৰচাৰ কৰা ভাল প্ৰচেষ্টা চলোৱা ভাল; কিন্তু ইয়াৰ বাবে বে-চৰকাৰী ভাবে স্বেচ্ছাকৃত ব্যৱস্থা হব লাগিব। চৰকাৰী আইন কানুনৰ

দ্বাৰা মদ নিবাৰণ কৰিব নোৱাৰে। বৰ্ত্তমানৰ চৰকাৰৰ ব্যৱস্থাৰ দ্বাৰা এই কাম কৰাতো সম্ভৱপৰ নহব। আবকাৰী বিষয়া সকলৰ দ্বাৰা এই কাম কৰিবলৈ যোৱাটো এটা ভুৱা মাথোন। ইয়াৰ দ্বাৰা কেৱল আবকাৰী বিষয়া সকল লাভৱান হব আৰু সমাজৰ কোনো উন্নতি নহয়।

শ্ৰীসোণেশ্বৰ বৰা :—অধ্যক্ষ মহোদয়, মই বিষয়টোৰ ওপৰত বক্তৃতা দিব খোজা নাই। ইয়াৰ আগো নাই আৰু শেষও নাই—গতিকে এই বিষয়ে কৈ সময় লোকচান কৰিব খোজা নাই। কেৱল বন্ধু খাউণ্ড ডাঙৰীয়াই কোৱা কথা এটাৰ প্ৰতিবাদ কৰিব বিচাৰিছো। বৰুৱা বামুণ গাওঁ চেনি কলত কুঁহিয়াৰ নাপায়, সেই ঠাইৰ কুঁহিয়াৰ খেতিয়ক সকলৰ ঘৰে ঘৰে মদৰ ডিষ্টিলেৰী আছে বুলি তেখেতে কৈছে। এই কথাটো মই দৃঢ়ভাৱে প্ৰতিবাদ কৰিছো। মোৰ ঘৰ গোলাঘাটত, মই নিজে কুহিয়াৰ খেতি কৰো। কোনো কুঁহিয়াৰ খেতিয়কৰ ঘৰত মদৰ কাৰখানা নাই। যি কুঁহিয়াৰ খেতি নকৰে, সেই লোকসকলেহে মদৰ কাৰখানা কৰিছে আৰু গুৰ কিনি আনি মদ তৈয়াৰ কৰিছে আৰু খাইছে। মোৰ ১৪ পুৰুষে মদ খাইছিল। আপোনালোকৰ মানুহে মদ খালে জাত যায়, মোৰ উপৰি পুৰুষে তৃপ্তি পায়। কেচুৱা জন্ম গ্ৰহণ কৰিছে তিনি দিনৰ দিনা জাল দিওঁতে কেচুৱাৰ মুখত তিনি টোপা মদ দিয়ে। ঠিক সেইদৰে ন-কইনা চাবলৈ যাওতে বা ন-জোৱায়েক অষ্ঠ-মঙলা খাবলৈ যাওঁতে মদ খোৱাই সম্ভাষণ জনায়, গতিকে আপোনালোকে মদ খালে জাত যায়, আমি মদ খালে সাত পুৰুষ উদ্ধাৰ হয়। আমাৰ কথা এটা আছে— কৰিব বা যুটীয়ে জাততে পায় নাপায় মদ খালে তাৰ কথা উলাটা হয়।

মই বেছি দূৰলৈ নাযাও, ইয়াৰ চৰতে থকা কেলতলালৈ যাওক— তাৰ মিকিৰ, কছাৰী, আহোম যিসকল আদিবাসী আছে– তেওঁলোকৰ ঘৰলৈ চিপাহী পঠিয়াই মদ বন্ধ কৰিব নোৱাৰে। এই বিষয়টো ভালকৈ উপলব্ধি কৰক। চেনি কলত কুঁহিয়াৰ নোপোৱাৰ কাৰণ মই জানো। চেনিৰ কণ্ট্ৰোল বজাৰ আৰু মুকলি বজাৰৰ কোনো সামঞ্জস্য নাই। বজাৰত গুৰৰ দাম বেছি। কুহিয়াৰ খেতি কৰা লোকে গুৰ তৈয়াৰ কৰিছে—সেইটো মই স্বীকাৰ কৰো। এই গুৰ কিনি নি কিছুমান লোকে গোলাঘাটত মদ তৈয়াৰ

কৰিছে এই কথা স্বীকাৰ কৰিব লাগিব। কিন্তু গুৱাটীৰ মাজ মজিয়াত চোলাই মদ কৰাৰ কাৰখানা আছে। সেইক্ষেত্ৰত কেৱল কুহিয়াৰ খেতিয়কৰ ঘৰত মদৰ কাৰখানা থকা বুলি কোৱাৰ অভিযোগত মই প্ৰতিবাদ কৰিছো। মদ অপকাৰী বস্তু। ময়ো এসময়ত মদ খাইছিলো, কিন্তু এতিয়া মই মদ খাবলৈ এৰিছো। এইটো মই উপলদ্ধি কৰো যে মদ বৰ বেয়া বস্তু। মই এইটো উপলদ্ধি নকৰো যে আইনৰ দ্বাৰা মদ নিবাৰণ কৰিব পাৰিব। গতিকে মদ বেয়া বস্তু বুলি আমাৰ সকলোকে উপলদ্ধি কৰাব লাগিব। এইখিনি কৰিবলৈ চেষ্টা কৰক।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :—অধ্যক্ষ মহোদয়, মই আৰু বেছি কথা কবলৈ ইচ্ছা কৰা নাই। আমি যি ধৰণে ৰাইজৰ আগত নকও কিয় মদ নিবা-ৰনীৰ ক্ষেত্ৰত চৰকাৰ ব্যৰ্থ হৈছে। আজি এই কথাটো মনলৈ আহিছে যে, আজি আপুনি এখন দোকানলৈ যদি যায় এনে কুৱা এখন দোকান বিছাৰি নেপাব যিখনত মদ নাই। গতিকে মদ নিবাৰণ কৰাৰ ক্ষেত্ৰত দেখা গৈছে মদ খোৱাৰ সংখ্যা বাঢ়িহে গৈছে। কামৰূপ আৰু নগাওঁ জিলাতে মদ নিবাৰণ কৰিবলৈ লোৱা হৈছিল। মই মুখ্য মন্ত্ৰীক আপোনাৰ জৰিয়তে কব খোজো যে, এই দুখন জিলাতেই আতাইতকৈ মদৰ প্ৰচলন বেছি হৈছে। অধ্যক্ষ মহোদয়, দিচপুৰৰ আশে-পাশে থকা দোকান সমূহত যদি আপোনি চেক-কৰা ব্যৱস্থা কৰে তেতিয়াহলে, প্ৰায় বিলাক দোকানতে মদ পাব। আপুনি যদি ৰাতি আঠ বজাত বাহিৰলৈ ফুৰিবলৈ ওলায় সকলো কাণ্ড কাৰখানা দেখিবলৈ পাব। গতিকে আজি সৰ্ব্বসাধাৰণে প্ৰমাণ কৰিব পাৰিছে যে, কাৰো মদ বন্ধ কৰিবলৈ ক্ষমতা নাই। মাননীয় সদস্য বৰা আৰু খাউণ্ড ডাঙৰীয়াৰ লগত একমত যে, মদ নিবাৰণৰ ক্ষেত্ৰত যিমান বিলাক টকা পইছা আদিখৰছ কৰা হৈছে সেই সকলো বিলাক অথলে গৈছে। গতিকে এনেদৰে আইন আদি পাছ নকৰি মদখোৱা মানুহ সকলক বুজাই কব নোৱা-ৰিলে বা মদৰ অপকাৰিতাৰ কথা অবগত কৰাব নোৱাৰিলে মদ নিৰাৰণ কৰিব পৰা নেযাব। আনহাতে আমি মদ নিজে খাবলৈ মানা কৰিছোঁ মুখ্যমন্ত্ৰীয়ে জানেনে নেজানে কব নোৱাৰোঁ, নিৰ্ব্বাচনৰ সময়ত গান্ধীজীৰ সেৱক বুলি কৈ ৰাগানৰ মজদূৰ সকলৰ মাজত মদ ৰিতৰণ কৰাৰ প্ৰমাণ

আছে। গতিকে সামাজিক পৰিৱৰ্ত্তনৰ দ্বাৰা মদ নিবাৰণী ব্যৱস্থা হাতত নলৈ আমি প্ৰচাৰৰ মাধ্যমেৰে এই প্ৰচেষ্টা চলাব লাগিব নহলে এইখন একেবাৰে 'স্কৃপ' কৰিব লাগিব। কেইদিনমানৰ আগেয়ে মাননীয় সদস্যা শ্ৰীমতী তালুকদাৰে এটা প্ৰশ্নৰসন্দৰ্ভত কৈছিল যে, ইকালে আমি মদ নিবাৰণ কৰিব খুজিছোঁ আনফালে প্ৰত্যেক ৰাষ্টাৰ দাতিতে মদৰ উপকাৰিতাৰ বিষয় বিজ্ঞাপন আদি দেখিবলৈ পোৱা যায়। গতিকে এই বিলাক হয় বন্ধকৰক নহয় খুলি দিয়ক। আজি আমি যি অৱস্থাৰে মদ নিবাৰণ কৰিবলৈ ওলাইছোঁ তাৰ দ্বাৰা প্ৰকৃততে মদ নিবাৰণ হৈছেনে? কেতিয়াও এইটো হোৱা নাই। আমি বুজা মানুহ আমাক মদৰ গুণাগুণৰ সম্পৰ্কে কব নেলাগে। কিন্তু আমাৰ উঠি অহা সকলক এই বিষয়ে আমি বুজোৱাক চাৰি ধ্বংসৰ পথ লৈহে ঠেলি দিছো। গতিকে আমি স্কুল কলেজৰ পৰাই মদৰ অপকাৰিতাৰ বিষয়ে লৰাছোৱালীক শিক্ষা দিয়া উচিত। এই মদ নিবাৰণৰ কাৰণেই আমি গান্ধীজীৰ নিছিনা মহান পুৰুষ এজনক আমাৰ আলোচনাৰ মাজলৈ টানি আনিছোঁ অথচ যিজন লোকক আমি ১৫ আগষ্টৰ দিনাখন তেওঁৰ চৰণত বন্তি জলাওঁ। অথচ তাৰ পৰা নামি আহিয়েই আমি সকলো কথা পাহৰি যাওঁ। গতিকেই মই আমাৰ মাননীয় সদস্য সকলক অনুৰোধ কৰিছোঁ যেন তেখেত সকলে এনেকুৱা এজন মহা পুৰুষক ইয়াৰ মাজলৈ টানি নানে। এতিয়া দেখিছোঁ মুখ্যমন্ত্ৰীয়ে মদৰ মহল সংশোধন বিল আনিছে। মই ভাৱো এই মহল বিলাক সম্পূৰ্ণ ভাৱে বন্ধ কৰি দিব লাগে। এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণী মাৰিলোঁ।

## STATEMENT BY THE CHIEF MINISTER

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মূখ্যমন্ত্ৰী) :—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে যি অভিমত প্ৰকাশ কৰিছে বহুতৰ লগত মোৰ দ্বিমত নাই। মদ নিবাৰনৰ ক্ষেত্ৰত চৰকাৰ যে একেবাৰে সফল হোৱা নাই এই কথাটো ঠিক নহয়। এই আইনখন কৰিবলৈ বহুত বাধাৰ সম্মুখীন হব লগা হৈছে। এই বিধান সভাত সেই বিষয়ে আলোচনা কৰা হৈছে। যাতে সম্পূৰ্ণৰূপে

সফলকাম হব পৰা যায় তাৰ কাৰণে মাননীয় সদস্য সকলে প্ৰকাশ কৰা অভিমতৰ দৰে ৰাজহুৱা আৰু সামাজিকভাবে প্ৰয়োগ কৰিবলৈ ব্যৱস্থা কৰা হৈছে। গতিকে বিষয়টো প্ৰোহিবিচন কাউন্সিল কৰি সেই কাউন্সিলৰ ওপৰত ক্ষমতা আৰোপ কৰা হৈছে। মোৰ বোধেৰে নীতিমতে বেচৰকাৰী পৰ্য্যায়ত বাইজে এই ব্যৱস্থা গ্ৰহণ কৰিব। এই ব্যৱস্থা প্ৰয়োগ কৰিবলৈ যাওঁতে যিখিনি অসুবিধাৰ সন্মুখীন হব লগা হৈছে সেই অসুবিধা দূৰ কৰি বেচৰকাৰী পৰ্য্যায়ত অসুবিধা নথকাকৈ তাৰ ব্যৱস্থা কৰা হব।

অধ্যক্ষ মহোদয়, কিছুমানৰ মতে মদখোৱাটো এটা সামাজিক ব্যধি আৰু আমাৰ মাননীয় সদস্য শ্ৰীসোনেশ্বৰ বৰা ডাঙৰীয়াৰমতে সামাজিক নিয়ম। সেই কাৰণে কোনো কোনো ক্ষেত্ৰত সামাজিক ব্যধি আৰু কোনো ক্ষেত্ৰত যিহেতু সামাজিক নিয়মত পৰে গতিকে মদ নিবাৰণ কথাটো ইমান সহজ বুলি ভবাটো ঠিক নহব। গতিকে সমাজৰ মাজত জনমত বা সুন্দৰ পৰিবেশৰ সৃষ্টি কৰিব নোৱাৰিলে আৰু সমাজে তাঁক স্বীকাৰ কৰি নললে মদ নিবাৰণ ঠিক এইধৰণে সম্ভৱপৰ নহয়। সমাজৰ মাজত মদৰ অপকাৰিতা সম্পৰ্কে সচেতন অৱস্থা আহিলে এই আইনৰ ব্যৱস্থা কৰিব পৰা হব।

অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীতুলাল খাউণ্ড ডাঙৰীয়াই এটা কথা কৈছে যে মহনমেকিনচৰ মালিকক মদ তৈয়াৰ কৰা কাৰণেই ৰাজ্য সভালৈ সদস্য হিচাৱে মনোনীত কৰিছে। অধ্যক্ষ মহোদয়, পটেচিয়াম চাইনা দি-বি এটা বিষাক্ত বস্তু। কিন্তু উদ্যোগপতিসকলে এই বিষ তৈয়াৰ কৰে আৰু বাহিৰত বিক্ৰী কৰি টকা উপাৰ্জন কৰিছে। গতিকে মহনমেকিনচে মদ তৈয়াৰ কৰাটো একো ভুল নহয় আৰু তেওঁলোকে মদ তৈয়াৰ কৰি বাহিৰত বিক্ৰী কৰিছে।

শ্ৰীবৰা ডাঙৰীয়াই কৈছে যে কুহিয়াৰ খেতি কৰা মানুহে মদ তৈয়াৰ কৰা নাই। এইটো হব পাৰে যে নিজে গুৰ বনাই বিক্ৰি কৰি বেছি দাম পায়।

শ্ৰীসোণেশ্বৰ বৰা :—শ্ৰীখাউণ্ড ডাঙৰীয়াই কৈছে যে কুহিয়াৰ খেতি থকাসকলৰ ঘৰে ঘৰে চোলাই মদ তৈয়াৰ কৰাৰ কাৰখানা আছে—সেই কথাটোৰ প্ৰতিবাদ কৰো।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ :—কুহিয়াৰ খেতিয়ক সকলে চেনিকলত কুহিয়াৰ নিদি চোলাই মদ কৰি বিক্ৰি কৰিলে বেছি দাম পাব। এনেকুৱা এটা সামাজিক ব্যৱস্থাত পৰিণত হৈছে। সামাজিক দৃষ্টিকোনৰ পৰা আমি চাব লাগিব আৰু ব্যৱস্থা কৰিব লাগিব। কুহিয়াৰ ক-অপাৰেটিভ চচাইটিত মদ তৈয়াৰ কৰিবলৈ দি মদ নিবাৰণ কৰাব যিটো কথা কৈছে— সেই সংক্ৰান্তত মই কব খোজো যে আমাৰ আগৰ পৰাই দেশত উৎপন্ন হোৱা মদ বিভিন্ন দেশলৈ পঠাব পৰা ব্যৱস্থা আছে। সেই কাৰণে কুহিয়াৰ কলৰ পেলনি যোৱা বস্তুৰ পৰা যদি মদ তৈয়াৰ কৰি লাভ কৰিব পাৰো তেন্তে তাত লোকচান কি ?

শ্ৰীদুলাল খাউণ্ড :—মই এটা স্পষ্টিকৰণ বিচাৰিছো যে মদ নিবাৰণ আৰু মদ তৈয়াৰ কৰি বিক্ৰি হৈ আছে—ইয়াৰ অৰ্থ কি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ :— ক'পাৰেটিভ চচাইটিয়ে মদ তৈয়াৰ কৰি বাহিৰত বিক্ৰি কৰিব।

শ্ৰীদুলাল বৰুৱা :—অসমৰ ভিতৰত বা বাহিৰতেই বিক্ৰি কৰক— মুঠতে মদ খোৱাটো নীতিগত ভাবে সমাজ বিৰোধী কথা নহয় নে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ :—আমাৰ ইয়ালৈ বাহিৰৰ পৰা মদ অনাটো বন্ধ কৰিলে বেয়া নহয়।

শ্ৰীনগেন বৰুৱা :—মুখ্যমন্ত্ৰীয়ে কৈছে যে স্পীৰিত বনাই বাহিৰলৈ পঠিয়াই দিব। আমাৰ অসম সমবায় চেনিকলৰ ওৱেৰ হাউচ তিনিচুকীয়া যোৰহাট আৰু নাজিৰাত আছে। তালৈ স্পীৰিত নি মদ তৈয়াৰ কৰে আৰু অসমৰ মদৰ মহলদাৰবিলাকক সেই মদ দিয়া হৈছে।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ :—খাউণ্ড ডাঙৰীয়াই কৈছে যে এফালে মদ তৈয়াৰ কৰিছে আৰু আন ফালে মদ নিবাৰণৰ কথা কৈছে। অধ্যক্ষ মহোদয়, মদ নিবাৰণটো আমাৰ এটা জাতীয় নীতি হিচাবে গ্ৰহণ কৰি আমি অসমত প্ৰয়োগ কৰিব বিচাৰিছো। প্ৰয়োগ কৰিবলৈ যাওঁতে সম্পৰ্ণভাবে প্ৰয়োগ কৰিব পৰা নাই—আংশিক ভাবে প্ৰয়োগ কৰিছে। গোৱালপাৰা কামৰূপ নগাওঁত আংশিক ভাবে প্ৰয়োগ কৰা হৈছে। যিখন জিলাত প্ৰয়োগ কৰিব পৰা নাই তাৰ কাৰণ হল সামাজিক ব্যৱস্থা। যদি ক'পা-

ৰেটিভ চচাইটিত তৈয়াৰ নকৰো তেওঁ বাহিৰৰ পৰা মদ আনিব লাগিব। গতিকে ইয়াত তৈয়াৰ কৰা কথাটো বিৰোধী কথা নহয়। আমাৰ সমাজখনত যিটো ব্যৱস্থা চলি আছে তাক দূৰ কৰা পৰা নাই। তাক যাতে বন্ধ কৰিব পাৰে তাৰ বাবে ব্যৱস্থা হাতত লোৱা হৈছে। মই নিবেদন কৰিছো চৰকাৰী ব্যৱস্থাৰ দ্বাৰা যিমান দ্রুত গতিত আগুৱাই যাব লাগিছিল সেইদৰে যাব পৰা নাই। দ্রুত গতিত আগুৱাই সম্পৰ্ণ ভাবে নিবাৰণ কৰিব পাৰো তাৰ কাৰণে এই আইনখন সম্পূৰ্ণ পৰিৱৰ্ত্তন কৰি বে-চৰকাৰী পৰ্য্যায়ত যাতে সামাজিক পৰ্য্যায়ত বিহিত ব্যৱস্থা কৰিব পাৰো তাৰ কাৰণে চেষ্টা কৰা হৈছে এতিয়া প্ৰশ্ন হৈছে মদ সম্পূৰ্ণ ভাবে সমাজত বন্ধ হব নে নহয়? অধ্যক্ষ মহোদয়, এইটো নিৰ্ভৰ নকৰে চৰকাৰী বিষয়াৰ ওপৰত, ই নিৰ্ভৰ কৰে সমাজখনৰ ওপৰত সমাজখনৰ দৃষ্টিকোণৰ ওপৰত সমাজৰ প্ৰচলিত আচাৰ-ব্যৱহাৰ আৰু সামাজিক ব্যৱস্থাৰ ওপৰত। আইনৰ ওপৰত নিৰ্ভৰ নকৰে সমাজখনত তেনেধৰণৰ পাৰিপাৰ্শ্বিকতা সৃষ্টি কৰিবৰ কাৰণে চেষ্টা কৰা হৈছে। মাননীয় সদস্যসকলৰ বাহিৰেও যিসকল সমাজসেৱী কৰ্ম্মী আছে সেই সকলৰ মনোযোগত ঐকান্তিকতাৰ প্ৰচেষ্টাৰ ফলত মদ নিবাৰণ কৰা কথাটো সম্ভৱ হব। মহামানব মহাত্মা গান্ধীৰ জীৱনৰ আদৰ্শ অঙ্গে অঙ্গে ঘনীভূত হৈছে। কিন্তু গান্ধীজীক দূৰলৈ ঠেলি দিব নোৱাৰি। যতে আছে তাতে থাকক। জাতীয় জীৱনৰ অঙ্গে অঙ্গে গান্ধীজী জড়িত হৈ আছে। গান্ধীজীৰ আদৰ্শ আমি পালন কৰিব পৰা নাই-সেইটো হব পাৰে। সেইটো দূৰ কৰিবৰ কাৰণে আমি পয়চা-দশোনে গান্ধীজীক সন্মুখত ৰাখি কাম সম্পাদন কৰিব লাগিব। গান্ধীজীক সদায় সমালোচনা কৰো। অন্য কাৰণে নহলেও এই কাম কৰিব কাৰণে যি প্ৰেৰণা তাৰ কাৰণে গান্ধীজীৰ আদৰ্শৰ প্ৰয়োজন?

শ্ৰীতুলাল বৰুৱা :—শ্ৰীবৰা ডাঙৰীয়াই কৈছে যে সামাজিক ব্যৱস্থাৰ কাৰণে কিছুমান মানুহে মদ খায়। আমাৰ সমাজত কিছুমান প্ৰচলিত নিয়ম আছে যে জাল দিয়াৰ সময়তো কেচুৱাটো ছুটুপাল মদ দিয়ে—সেইবিলাক মানুহে গতানুগতিক ভাবে সামাজিক ব্যৱস্থাৰ যোগেদি মদ খোৱাৰ অভ্যাস কৰিছে সেইসকলৰ মদ খোৱাৰ সংখ্যা কমিছে কিন্তু আনবিলাকৰ সংখ্যা বাঢ়িছে আমাৰ অসমীয়াত কথা এটা আছে দেউতা মদ খাবনেকি?

'শ্ৰীবিষ্ণু' মনে মনে কয়—ক'ত পাব ? এইধৰণে হিচাব কৰি দেখিছে টাউনত বসবাস কৰা উন্নত ধৰণৰ জাতি হিচাবে পৰিচিত সকলৰ ভিতৰতে মদ খোৱা সংখ্যা বেছি ।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ :—অধ্যক্ষ মহোদয় আমি যিটো ব্যৱস্থা কৰিছো, সেই ব্যৱস্থা গাৱঁ-চহৰে উভয় ক্ষেত্ৰত যথাযথ ভাৱে প্ৰয়োগ কৰিবলৈ যত্ন কৰিছো ।

## ADJOURNMENT

Mr. Speaker : The House stands adjourned till 9 A.M. tomorrow. The House was than adjourned at 5·10 P.M. till 9 A.M. on Friday, the 13th July, 1973.

Dated, Dispur
The 12th July, 1973

Shri P. D. Barua,
Secretary,
Assam Legislative Assembly